# কেম্পাছ

an occasional news paper of north lakhimpur college publication

গ্ৰন্থমেলাৰ ফেচবুক পে'জ

CAMPUS, 24th April, 2025, Thursday

একাদশ বছৰ, প্ৰথম সংখ্যা, ২৪ এপ্ৰিল, ২০২৫, বৃহস্পতিবাৰ, মূল্য ঃ ৩০.০০


## সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলা আৰু সাহিত্য উৎসৱ, ২০২৫ বিশেষ




সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাৰ মুকলি মঞ্চ

# ‘নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলা’ এক অনন্য বৌদ্ধিক আন্দোলন

নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলা আৰম্ভ হয় ২০১৮ চনত। যৎসামান্য আয়োজনেৰে অনুষ্টুপীয়াকৈ আয়োজন কৰা উক্ত গ্ৰন্থমেলাৰ পৰিকল্পনা আছিল কলেজ প্ৰকাশনৰ সমন্বয়ক ডক্টৰ অৰবিন্দ ৰাজখোৱা। আচৰিত ধৰণে সেই গ্ৰন্থমেলাই কলেজৰ ছাত্ৰ-ছাত্ৰী আৰু আগ্ৰহী অধ্যাপক-কৰ্মচাৰীসকলৰ মাজত ব্যাপক আলোড়নৰ সৃষ্টি কৰে। কম পৰিমানে পৰিৱেশন কৰা গ্ৰন্থসমূহৰ বিক্ৰী যিদৰে ভাল আছিল, তেনেদেৰে গ্ৰন্থমেলাৰ লগত সংগতি ৰাখি আয়োজন কৰা অনুষ্ঠান আৰু প্ৰতিযোগিতাসমূহতো সঁহাৰি আছিল আশানুৰূপ। গ্ৰন্থমেলাখনত সকলো কিতাপত দহ শতাংশ ৰেহাই দিয়া হৈছিল, কিন্তু ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এহেজাৰ টকাৰ ওপৰত কিতাপ কিনিলে পোন্ধৰ শতাংশ ৰেহাই দিয়া হৈছিল। পোন্ধৰশ টকাৰ ওপৰত গ্ৰন্থ কিনিলে বিশ শতাংশ ৰেহাই দিয়া হৈছিল। সেই উৎসাহতে দ্বিতীয়বাৰৰ বাবে কিছু বহলকৈ গ্ৰন্থমেলাখন আয়োজন কৰা হয়। কলেজৰ কেণ্টিনৰ সমুখত আয়োজন কৰা এই গ্ৰন্থমেলাত আলোচনা-চক্ৰ, লেখক-কবি সন্মিলন, প্ৰতিযোগিতা আদিৰ সংখ্যা বৃদ্ধি কৰা হয়। এইবাৰ গ্ৰন্থমেলা আয়োজনৰ বাবে এখন সমিতিও গঠন কৰা হয়। অধ্যক্ষ ডক্টৰ বিমান চন্দ্ৰ চেতিয়া আছিল সভাপতি। ডক্টৰ ধনৰঞ্জন কলিতা, ডক্টৰ বৰ্ণালী বৰা, ডক্টৰ ৰাতুল কুমাৰ লাহন, ডক্টৰ চুচেংফা গগৈ, ডক্টৰ নন্দিতা দত্ত আদি আগ্ৰহী অধ্যাপক-অধ্যাপিকা আৰু অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগত দ্বিতীয়বাৰৰ বাবে অনুষ্ঠিত কৰা এই গ্ৰন্থমেলা সন্ধিয়া সাত বজা পৰ্যন্ত খুলি ৰখাৰ ব্যৱস্থা কৰা হৈছিল। গধূলিও কিছুমান অনুষ্ঠান পতা হৈছিল। সেইবাৰ লক্ষ্য কৰা গৈছিল কলেজৰ বাহিৰৰো কোনো কোনো ব্যক্তি এই গ্ৰন্থমেলালৈ আহিছিল। গ্ৰন্থমেলাৰ দিনকেইটা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সৃষ্টি হোৱা নতুন ধৰণৰ উৎসৱ মুখৰতা আছিল সেই গ্ৰন্থমেলাৰ অন্যতম প্ৰাপ্তি। নিজৰ প্ৰিয় কিতাপখন চুই চোৱা, কিনা, উপহাৰ দিয়া আদিৰ মাজেৰে পৰিৱেশটো মনোৰম হৈ পৰিছিল। সেইটো বছৰতে গ্ৰন্থমেলাখনৰ কেইটামান শ্লোগান ঠিক কৰা হয়, যথা— ‘কিতাপ পঢ়াৰ আনন্দ’, ‘কিতাপ কিনাৰ আনন্দ’, ‘কিতাপ দেখাৰ আনন্দ’, ‘প্ৰিয় কিতাপখন চুই চোৱাৰ আনন্দ’। প্ৰথমটো বছৰৰ পৰা গ্ৰন্থমেলাৰ এটা প্ৰতীক ঠিক কৰা হৈছিল। সেইটো সদায়ে ব্যৱহাৰ কৰি অহা হৈছে। তৃতীয়, চতুৰ্থ, পঞ্চম, ষষ্ঠ গ্ৰন্থমেলাত পৰিসৰ ক্ৰমাৎ বাঢ়ি আহিবলৈ লয়। গ্ৰন্থমেলাখন কেৱল কলেজৰে নহয় লখিমপুৰ আৰু নিকটবৰ্তী জিলাসমূহৰ বাৰ্ষিক বৌদ্ধিক অনুষ্ঠানলৈ পৰ্যৱসিত হ’ল। সেই অভিজ্ঞতা আৰু উৎসাহেৰে সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাখন আগৰ সকলো কেইবাৰতকৈ বহলকৈ আয়োজন কৰা হৈছিল। আগেয়ে এটা বৃহৎ বিপণি নিৰ্মাণ কৰা হয়। এইবাৰ তাৰ লগতে আন এঘাৰটা সৰু বিপণি নিৰ্মাণ কৰা হ’ল। অসমৰ দহটা প্ৰকাশন প্ৰতিষ্ঠানৰ লগতে নেশ্যনেল বুক ট্ৰাষ্টৰ সহযোগত উক্ত বিপণিসমূহৰ বাবে গ্ৰন্থসমূহ অনা হ’ল। বিপণিৰ সকলো দিশ পৰিচালনাৰ বাবে অসমীয়া বিভাগৰ স্নাতকোত্তৰ দ্বিতীয় যান্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলে দায়িত্ব ল’লে। এইবাৰৰ গ্ৰন্থমেলা বাকৰিৰ সজ্জা আছিল অতুলনীয়। অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে চাহ, আইচক্ৰীম, লঘূ আহাৰ আদিৰ অস্থায়ী দোকানো পাতিলে। ঠায়ে ঠায়ে বহি কিতাপ পঢ়া, কবিতা গোৱা বা শুনা, গান গোৱা, গীটাৰ বজোৱা আদিৰো সুবিধা কৰা হ’ল। সেইমতে আবেলিৰ পৰা এটা অনিন্দ্য সুন্দৰ পৰিৱেশ সৃষ্টি হয়। প্ৰত্যেক দিনেই গ্ৰন্থমেলাৰ বাবে সাজু কৰা চাৰিটা মঞ্চত বহু অনুষ্ঠান সম্পন্ন হ’ল। সমান্তৰালভাৱে তিনিটা পৰ্যন্ত অনুষ্ঠান হৈ থকাত শ্ৰোতাসকলে সিদ্ধান্ত ল’ব লগা হ’ল, কোনোটোত বহিব! পুৰণি কিতাপ, পুৰণি ছপাশালৰ সামগ্ৰী, গ্ৰামোফোন, ঊনবিংশ শতিকাৰ ছবি, কলেজ চৌহদৰ চৰাইৰ ছবি আদি গুৰুত্বপূৰ্ণ প্ৰদৰ্শনীৰো ব্যৱস্থা কৰা হ’ল। কলেজৰ মিউজিয়ামটো উক্ত দিনকেইটাত সকলোৰে বাবে মুকলি কৰি দিয়া হ’ল। অনুষ্ঠিত হ’ল, প্ৰকৃতি সাহিত্য, সৃষ্টিশীল সাহিত্য আৰু অনুবাদৰ তিনিটা কৰ্মশালা। যুৱ সমাৰোহ, যুৱ লেখক সমাৰোহ আদি কাৰ্যসূচীয়ে সমগ্ৰ অসমৰ বহু তৰুণক এখন মঞ্চত মনৰ ভাব প্ৰকাশ সুযোগ দিলে। কেইবাখনো কলেজৰ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীৰ দল গাড়ী ভাৰা কৰি আহি গ্ৰন্থমেলাত অংশ ল’লে। অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীসকল আৰু সৌৰভ কুমাৰ চলিহা ছাত্ৰ নিবাসৰ আবাসীসকলে দিন ৰাতি একাকাৰ কৰি নেপথ্যৰ কামবোৰ কৰি গ’ল। অসমীয়া বিভাগৰ এদল প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়েও আৰ্থিক আৰু কায়িকভাৱে সহযোগ কৰি গ্ৰন্থমেলাখন গতিশীল কৰি তুলিলে। ছাত্ৰ একতা সভা, কলেজৰ হোষ্টেলসমূহ আৰু কলেজৰ আছু গোটে কেইবাটাও অনুষ্ঠান আয়োজন কৰি গ্ৰন্থমেলাখনৰ সফলতাত অৰিহনা যোগালে। এনে পদক্ষেপ সকলোৰে বাবে আদৰ্শনীয়।

## গ্ৰন্থমেলাৰ উদ্বোধনী অনুষ্ঠান

### ইটানগৰৰ আছামিজ এছ'চিয়েচনেৰে বুজাবুজিৰ চুক্তি

**কেম্পাছ প্ৰতিনিধি ঃ** ১৮ মাৰ্চৰ পৰা ২৫ মাৰ্চ, ২০২৫ লৈকে আঠদিনীয়া কাৰ্যসূচীৰে নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত)ত সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলা অনুষ্ঠিত হয়। নৰ্থ লখিমপুৰ কলেজ প্ৰকাশনৰ উদ্যোগত আৰু মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিশ্চিত কোষ, মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা আৰু অসমীয়া বিভাগৰ সহযোগত গ্ৰন্থমেলাখন অনুষ্ঠিত কৰা হয়। ১৮ মাৰ্চৰ পুৱা দহ বজাত গ্ৰন্থমেলাখনৰ উদ্বোধনী অনুষ্ঠান সম্পন্ন হয়। প্ৰথিতযশা সাহিত্যিক য়েছে দৰজে ঠংচিয়ে গ্ৰন্থমেলাৰ দ্বাৰ মুকলি কৰি অনুষ্ঠানটোৰ শুভাৰম্ভণি কৰে। গ্ৰন্থমেলাখনৰ উদ্বোধনী অনুষ্ঠানৰ আদৰণি ভাষণ প্ৰদান কৰে নৰ্থ লখিমপুৰ কলেজৰ অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াই। এই অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি য়েছে দৰজে ঠংচিয়ে কয় যে তেওঁ পৃথিৱীৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত বহু গ্ৰন্থমেলা প্ৰত্যক্ষ কৰিছে, কিন্তু এইদৰে মহাবিদ্যালয়পৰ্যায়ত অনুষ্ঠিত ইমান বহল পৰিসৰৰ গ্ৰন্থমেলা দেখা নাই। নৰ্থ লখিমপুৰ কলেজৰ এনে প্ৰচেষ্টাৰ শলাগ লৈ তেওঁ অসমীয়া কিতাপৰ ভৱিষ্যৎ সম্পৰ্কে কিছু শংকা প্ৰকাশ কৰে। তথাপিও ঠংচিয়ে নৱ প্ৰজন্মৰ ওপৰত আশা ৰাখি কয় যে বৰ্তমান গ্ৰন্থৰ প্ৰতি বহুসংখ্যকৰে আগ্ৰহ কমি আহিছে যদিও ডিজিটেল মাধ্যমৰ যোগেদি মানুহে কিতাপ-পত্ৰ পঢ়াৰ অভ্যাসো গঢ়ি তুলিছে। বক্তব্যৰ শেষত ঠংচিয়ে কয় যে অসম চৰকাৰে ২০২৫ বৰ্ষটো কিতাপৰ বৰ্ষৰূপে পালন কৰিবলৈ যিপদক্ষেপ গ্ৰহণ কৰিছে সেই পন্থাই সমগ্ৰ বিশ্বনাগৰিককে কিতাপৰ গুৰুত্ব আৰু প্ৰাসংগিকতাৰ লগত পৰিচয় কৰাই দিব। এই উদ্বোধনী অনুষ্ঠানতে মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগে ২০২৩ চনৰ ১৪ অক্টোবৰত অনুষ্ঠিত কৰা "SPARK" শীৰ্ষক ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা সত্ৰখনিৰ নিৰ্বাচিত গৱেষণা পত্ৰসমূহৰ একত্ৰ সংকলনখন উন্মোচন কৰা হয়। ড° বিমান চন্দ্ৰ চেতিয়াই এই সংকলনৰ উন্মোচন কৰে। লগতে এই সভাতে পদাৰ্থ বিজ্ঞান বিভাগৰ অধ্যাপকসকলৰ প্ৰচেষ্টাত গঢ় দিয়া 'SPARK-2025'1 official website টো য়েছে দৰজে ঠংচিয়ে উন্মোচন কৰে। এই অনুষ্ঠানতে অসমীয়া বিভাগ আৰু ইটানগৰৰ অসমীয়া সমাজৰ মাজত এখন বুজাবুজিৰ চুক্তি সম্পাদন হয়। এই বুজাবুজিৰ চুক্তি উদ্দেশ্য হ’ল অৰুণাচল প্ৰদেশৰ যুৱ প্ৰজন্মৰ মাজত অসমীয়া ভাষাৰ প্ৰচলন আৰু গুৰুত্ব সৃষ্টি কৰা। আজিৰ এই উদ্বোধনী অনুষ্ঠানত ‘আচামিজ ইটানগৰ চ’চাইটি’ৰ সম্পাদক মুকুল পাঠক, ঠংচিৰ পত্নী সোণামতী ঠংচি, আচামিজ ইটানগৰ চচাইটিৰ বহু কেইজন সদস্য, নৰ্থ লখিমপুৰ কলেজৰ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।



গ্ৰন্থমেলাৰ প্ৰস্তুতি

## ‘এই গ্ৰন্থমেলা অদ্বিতীয়’ য়েছে দৰজে ঠংচি

সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলা উদ্বোধন কৰি অকাডেমী বঁটা বিজয়ী সাহিত্যিক য়েছে দৰজে ঠংচিয়ে মত প্ৰকাশ কৰে এনেদৰে— ‘অসমকে ধৰি দেশ-বিদেশৰ বহু গ্ৰন্থমেলাতকৈ নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাৰ আয়োজন ব্যতিক্ৰমী। ই এক মহৎ পদক্ষেপ। সচৰাচৰ অনুষ্ঠিত হৈ থকা বহু গ্ৰন্থমেলা কেৱল ব্যৱসায়িক দৃষ্টিভংগীৰে কিতাপৰ বিজ্ঞাপন প্ৰকাশ হোৱা আৰু লেখক-প্ৰকাশকৰ এক বুজাবুজিৰ চুক্তি সম্পাদিত হোৱাৰ ওপৰত গুৰুত্ব দিয়া হয়। যাৰ বাবে বহু সময়ত গ্ৰন্থমেলাত গুণগত মানসম্পন্ন কিতাপ পোৱা নাযায়। তদুপৰি গ্ৰন্থমেলাত লেখক আৰু প্ৰকাশকৰ মাজত মত বিনিময়ৰ দৰে অনুষ্ঠান আয়োজনৰ জৰিয়তে কিতাপৰ গুৰুত্ব সম্পৰ্কীয় বাৰ্তা পাঠকৰ মাজলৈ লৈ যোৱা প্ৰয়োজন। এই ক্ষেত্ৰত নৰ্থ লখিমপুৰ কলেজে প্ৰকাশক, লেখক আৰু পাঠকৰ মাজত সম্বন্ধ সুনিশ্চিত কৰিবলৈ আদৰণীয় পদক্ষেপ গ্ৰহণ কৰিছে।’ ঠংচিয়ে তেওঁৰ বক্তব্যৰ শেষত ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কয় যে— ‘যিমান পাৰি গ্ৰন্থ অধ্যয়ন কৰা প্ৰয়োজন, গ্ৰন্থৰ জৰিয়তে যিমান জ্ঞান আহৰণ কৰিব পাৰি আন কোনো মাধ্যমৰপৰাই সেই জ্ঞান আহৰণ কৰা সম্ভৱ নহয়।’



গ্ৰন্থমেলাৰ দ্বাৰ মুকলি কৰিছে বিশিষ্ট সাহিত্যিক য়েছে দৰজে ঠংচিয়ে

## ব্যতিক্ৰমী শিক্ষা প্ৰতিষ্ঠানৰ ব্যতিক্ৰমী পদক্ষেপ

**সৌম্যদ্বীপ দত্ত**

সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাৰ 'প্ৰকৃতি সাহিত্যৰ সন্মিলন আৰু কৰ্মশালা'খনত অংশ লওঁ। মোক নৰ্থ লখিমপুৰ কলেজলৈ এনেদৰে নিমন্ত্ৰণ কৰাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়া আৰু ভাতৃপ্ৰতীম ড° অৰবিন্দ ৰাজখোৱাৰ প্ৰতি কৃতজ্ঞতা যাচিলোঁ। মহাবিদ্যালয়খনৰ লগত মই বিশেষভাৱে জড়িত হৈ আছোঁ। অসমীয়া বিভাগৰ উদ্যোগত অনুষ্ঠিত প্ৰকৃতি সংৰক্ষণ বিষয়ক কেইবাখনো আলোচনা চক্ৰত মই অংশ লৈছোঁ। ভাললগা কথাটো হ'ল মহাবিদ্যালয়খনে প্ৰকৃতিৰ প্ৰতি সচেতনতা প্ৰকাশ কৰি এবাৰ বা দুবাৰতেই বিষয়টোৰ আলোচনা সামৰা থোৱা নাই। তেওঁলোকে এই কামটো বছৰ বছৰ জুৰি কৰি আহিছে। সেয়া অসমৰ বাবেই গৌৰৱৰ কথা। ড° অৰবিন্দ ৰাজখোৱাৰ নেতৃত্বত অসমৰ ভিতৰতে প্ৰথম প্ৰকৃতি সাহিত্য বিষয়টো মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰি সাহিত্য তথা বিদ্যায়তনিক ক্ষেত্ৰখনত বিষয়টোৰ গুৰুত্ব প্ৰতিষ্ঠা কৰিছে। এনে মহৎ উদ্দেশ্য আৰু কামৰ চৰ্চা হোৱাটো প্ৰয়োজন। এনেকৈয়ে প্ৰকৃতি সচেতনতাৰ ক্ষেত্ৰখনকো ক্ৰমান্বয়ে আমি প্ৰসাৰ ঘটাব পাৰিম। অসমীয়া বিভাগৰ সকলো





শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ সহযোগ এই ক্ষেত্ৰত উল্লেখযোগ্য। তেওঁলোকলৈ মোৰ শুভাষা সদায়ে আছে। গৱেষক পূবালীয়ে আঁত ধৰা অনুষ্ঠানটোত সঞ্চালক হিচাপে ড° ভাস্কৰ ভূঞা আৰু যুগল সন্দিকৈ উপস্থিত থাকে। তেওঁলোকলৈ ধন্যবাদ। গ্ৰন্থমেলাৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা প্ৰকৃতি বিষয়ক আলোচনাখনিৰ তাৎপৰ্যও সকলোৱে অনুভৱ কৰা প্ৰয়োজন।

## মননশীল আলোচনা চক্ৰত এদিন

**ড° ভাস্কৰ ভূঞা**

নৰ্থ লখিমপুৰ কলেজখন আমাৰ বাবে এক আৱেগ। নিজকে বিচাৰি পোৱা আৰু নিজকে জুমি চোৱাৰ আখৰাথলী। কলেজখনৰ প্ৰায়সংখ্যক কাম-কাজেই আমাৰ মন-মগজুক সজীৱ কৰি ৰাখে। নিজে পঢ়ি থকাৰ দিনতে লক্ষ্য কৰিছিলোঁ কলেজখনৰ গতিশীল কাম-কাজবোৰ। নিজেও এই কামবোৰৰ অংশ হোৱাৰ সুযোগ লাভ কৰিছিলোঁ। এতিয়া কলেজখনৰ প্ৰাক্তন ছাত্ৰ হিচাপেও একেই মৰম আৰু একাগ্ৰতাৰে কলেজখনৰ ইতিবাচক কামবোৰ অনুসৰণ কৰোঁ আৰু বহুবোৰ কৰ্মত জড়িত হোৱাৰ সুযোগো লাভ কৰোঁ। এইবাৰ সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাৰ দ্বিতীয় দিনা অনুষ্ঠিত হোৱা 'প্ৰকৃতি সংৰক্ষণ আৰু প্ৰকৃতি সাহিত্য' শীৰ্ষক আলোচনা আৰু কৰ্মশালাত সঞ্চালক হিচাপে উপস্থিত থকাৰ সুবিধা পাইছিলোঁ। অনুষ্ঠানটোত অংশগ্ৰহণ কৰি সমৃদ্ধ হ'লোঁ। বিশেষকৈ বক্তা সৌম্যদ্বীপ দত্তই প্ৰকৃতিজগতখনক লৈ দিয়া মননশীল বক্তৃতা আৰু তাৰ অন্তৰালত থকা তেওঁৰ দায়বদ্ধতা আৰু আগ্ৰহ দেখি আশ্বৰ্য প্ৰকাশ কৰিছিলোঁ। তদুপৰি সামগ্ৰিকভাৱে কলেজ গ্ৰন্থমেলাখন যিদৰে সু-শৃংখলিত ৰূপত আৰু বহল পৰিসৰত এইবাৰ আয়োজন কৰিলে, সেয়া চকুত লগা আছিল। প্ৰত্যেকদিনাই বহুবোৰ গুৰুত্বপূৰ্ণ কাৰ্যসূচী অনুষ্ঠিত কৰাৰ লগতে এইবাৰ সম্পূৰ্ণ জিলাখনৰ নাগৰিককে এই গ্ৰন্থমেলাৰ অংশ কৰি তোলা হৈছে। এখন কলেজে প্ৰদান কৰা এই পৃষ্ঠভূমি জিলাখনৰ বাবেই আশাপ্ৰদ খবৰ। শিক্ষাৰ্থীসকলৰ লগতে শ্ৰদ্ধাৰ শিক্ষসকলৰ সহযোগিতা দেখিও বৰ ভাল লাগিল। অসমীয়া বিভাগৰ শিক্ষাৰ্থীসকলৰ সহযোগিতা আৰু গ্ৰন্থমেলাখন সুচাৰুৰূপত চলাই নিবলৈ কৰা দায়বদ্ধতা দেখি গৌৰৱ অনুভৱ কৰিছিলোঁ যে ময়ো এই বিভাগৰে প্ৰাক্তন। প্ৰকৃততে নামতহে প্ৰাক্তন, এতিয়াও বিভাগটোৰ সৈতে এনেদৰে জড়িত হৈ থকাৰ সুবিধা পাওঁ যে প্ৰাক্তন অভিধাটো মনলৈ নাহেই। অৰবিন্দ ৰাজখোৱা ছাৰৰ নেতৃত্বত এই গ্ৰন্থমেলাখনে প্ৰতিবছৰেই লহপহকৈ বাঢ়ি আহিছে। নৰ্থ লখিমপুৰ কলেজৰ এই গ্ৰন্থমেলাখনৰ অধিক উন্নতি আৰু প্ৰসাৰ-প্ৰচাৰ হওক আৰু অধিক বহল পৰিসৰত এই গ্ৰন্থমেলাখন অনুষ্ঠিত হওক। যিটো কাম শৃংখলাবদ্ধৰূপত এখন জিলাই কৰিব পৰা নাই, সেই কামটো এখন কলেজৰপৰা আৰম্ভ হৈছে। এয়া আমাৰ বাবে সুখৰ খবৰ। আয়োজকসকললৈ শুভেচ্ছা আৰু কৃতজ্ঞতা জনাইছোঁ।

## গীতে-মাতে এসন্ধ্যা

**কেম্পাছ প্ৰতিনিধি ঃ** সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাৰ প্ৰতিটো দিনতে সন্ধ্যালৈ একোটি সাংস্কৃতিক অনুষ্ঠান সম্পন্ন হয়। প্ৰথম দিনাৰ সাংস্কৃতিক অনুষ্ঠানটো মহাবিদ্যালয়ৰ মামণি ৰয়চম গোস্বামী ছাত্ৰী নিবাসৰদ্বাৰা অনুষ্ঠিত হয়। আৱাসটোৱে 'প্ৰতিধ্বনি' নামৰ এটি স্মাৰক অনুষ্ঠান অনুষ্ঠিত কৰে। 'প্ৰতিধ্বনি' অনুষ্ঠানটোৰ সমন্বয়কৰ দায়িত্বত থাকে আৱাসটোৰ অধীক্ষক ড° নন্দিতা দত্ত। অনুষ্ঠানটোৰ আঁত ধৰে আৱাসটোৰ আৱাসী পৰিস্মিতা বৰুৱাই। কেইবাগৰাকী আৱাসীয়ে অনুষ্ঠানটোত গীত, নৃত্য, কবিতা আবৃত্তি আদি প্ৰদৰ্শন কৰে। আৱাসীসকলৰ মাজৰপৰা য়াছিকা বৰগোঁহাই আৰু বৰ্ষা বৈশ্যই আধুনিক গীত; শ্যামলীমা দত্তই বিহুগীত পৰিৱেশন কৰে। ৰাজশ্ৰী ফুকনে ৰামায়ণৰ 'উৰ্মিলা' চৰিত্ৰটিৰ আধাৰত এটি একক অভিনয় প্ৰদৰ্শন কৰে। বৃষ্টি কলিতা নামৰ আৱাসীগৰাকীয়ে অনুষ্ঠানটোত 'উপন্যাসৰ কথাৰে' শীৰ্ষক এটি আকৰ্ষণীয় অনুষ্ঠান প্ৰদৰ্শন কৰে। তদুপৰি ইন্দিৰা মিৰি ছাত্ৰী নিৱাসৰ আৱাসী ডালিমী শইকীয়াই এটি গীত পৰিৱেশন কৰে। 'প্ৰতিধ্বনি' অনুষ্ঠানটোত মহাবিদ্যালয়ৰ কেইবাগৰাকী শিক্ষক দৰ্শক হিচাপে উপস্থিত থাকে। তেওঁলোকক মামণি ৰয়চম গোস্বামী ছাত্ৰী নিৱাসৰ আৱাসীসকলৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰা হয়।



## প্ৰকৃতি সাহিত্যৰ আলোচনা চক্ৰ আৰু কৰ্মশালা সম্পন্ন

**কেম্পাছ প্ৰতিনিধি ঃ** নৰ্থ লখিমপুৰ কলেজে প্ৰকৃতি সচেতনতাৰ ক্ষেত্ৰখনৰ প্ৰতি গুৰুত্ব ৰাখি প্ৰকৃতি সাহিত্য সম্পৰ্কীয় কেতবোৰ আলোচনা চক্ৰ আৰু কৰ্মশালা অনুষ্ঠিত কৰি আহিছে। নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগে প্ৰকৃতি সাহিত্যৰ ব্যৱহাৰিক দিশটোৰ প্ৰয়োজনীয়তা উপলব্ধি কৰি 'প্ৰকৃতি সাহিত্য' বিষয়টো স্নাতক আৰু স্নাতকোত্তৰ শ্ৰেণীৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰিছে। এইক্ষেত্ৰত মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী ড° অৰবিন্দ ৰাজখোৱাৰ নেতৃত্ব তথা অৰিহনা মনকৰিবলগীয়া। এইবাৰ কিছু ব্যতিক্ৰম ৰূপত ড° অৰবিন্দ ৰাজখোৱাৰ পৰিকল্পনা মৰ্মে সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাৰ লগত সংগতি ৰাখি প্ৰকৃতি সাহিত্যৰ এখন আলোচনা চক্ৰ আৰু কৰ্মশালা অনুষ্ঠিত কৰা হয়। ১৯ মাৰ্চ, ২০২৫ তাৰিখ বুধবাৰে নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগ আৰু উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰকৃতি সংৰক্ষণ গোষ্ঠী নেচাৰ্চ বেকনৰ সহযোগত 'প্ৰকৃতি সংৰক্ষণ আৰু প্ৰকৃতি সাহিত্য' শীৰ্ষকেৰে মহাবিদ্যালয়ৰ ডিজিটেল শ্ৰেণীকোঠাত প্ৰকৃতি সাহিত্যৰ আলোচনা চক্ৰ তথা কৰ্মশালাখনি অনুষ্ঠিত হয়। আলোচনা চক্ৰত সমল ব্যক্তি হিচাপে উপস্থিত থাকে নেচাৰ্চ বেকনৰ প্ৰতিষ্ঠাপক সঞ্চালক, বিশিষ্ট প্ৰকৃতিবিদ, লেখক সৌম্যদ্বীপ দত্ত। এই অনুষ্ঠানটোৰ আঁত ধৰে অসমীয়া বিভাগৰ গৱেষক পূবালী বৰাই। বৰাই 'প্ৰকৃতি সচেতনতা' আৰু 'প্ৰকৃতি সাহিত্য' দুয়োটা দিশৰে ব্যৱহাৰিক তাৎপৰ্য প্ৰকাশ কৰি কয় যে এই দুয়োটা কথাৰে সংযোগস্থলত প্ৰকৃতিৰ প্ৰতি দায়বদ্ধতা থকা প্ৰসংগটোৱে ঘাইকৈ জড়িত হৈ আছে। এই অনুষ্ঠানটো সঞ্চালনা কৰে অসমীয়া সাহিত্য সন্মিলনীৰ প্ৰধান সম্পাদক তথা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন ছাত্ৰ ড°





ভাস্কৰ ভূঞাই। সমল ব্যক্তি সৌম্যদ্বীপ দত্তই প্ৰকৃতি সংৰক্ষণৰ সৰ্ম্পকত এক মনোগ্ৰাহী আৰু তথ্যসমৃদ্ধ বক্তব্য আগবঢ়ায়। দত্তই কয় যে প্ৰকৃতিৰ প্ৰতি গাঢ় সম্পৰ্ক ৰাখিলেহে প্ৰকৃতি সচেতনতাৰ মনোভাব গঢ় লৈ উঠিব পাৰে। তেওঁ অসমৰ প্ৰকৃতি সচেতনতাৰ ক্ষেত্ৰত জনসাধাৰণৰ দায়িত্ব আৰু কৰ্ত্তব্য সম্বন্ধেও কিছু কথা ব্যক্ত কৰে। তদুপৰি আক্ষৰিক অৰ্থত প্ৰকৃতি সচেতনতাৰ বাবে পদক্ষেপ গ্ৰহণ কৰাটো আৰু তাক কাৰ্যকৰী কৰাটো যে সহজসাধ্য নহয় সেই কথা ছাত্ৰ-ছাত্ৰীসকলক বুজাই দিয়ে। এই আলোচনা চক্ৰ তথা কৰ্মশালাখনত অসমীয়া বিভাগৰ চতুৰ্থ যান্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলে মূলতঃ অংশ লয়। উপস্থিত ছাত্ৰ-ছাত্ৰীসকলে সমল ব্যক্তিৰ সৈতে মত বিনিময় কৰে আৰু প্ৰকৃতি সংৰক্ষণ সম্পৰ্কে থকা তেওঁলোকৰ দ্বিধা আৰু সংশয়ৰ কথা মুকলিকৈ আলোচনা কৰে। কৰ্মশালাখনিত নেচাৰ্চ বেকনৰ এটা উল্লেখযোগ্য প্ৰকল্প 'All Assam Wildbirds Preservation Camping'ৰ বিষয়ে দত্তই ছাত্ৰ-ছাত্ৰীসকলৰ আগত কিছু কথা প্ৰকাশ কৰে। এই প্ৰকল্পটোৰ কাম ২০২৫ বৰ্ষৰ এপ্ৰিল মাহৰ পৰা আৰম্ভ হ'ব।



প্ৰকল্পটোৰ লগত সংগতি ৰাখি তেওঁলোকে 'ভাৰতৰ অমৃতকাল জৈৱবৈচিত্ৰ্য চেতনা আৰু বিদ্যাৰ্থী জাগৰণ যাত্ৰা' নামেৰে এখন পুস্তিকা প্ৰকাশ কৰিছে আৰু Save Wild Birds & Their Habitats নামেৰে এটা বেজ তৈয়াৰ কৰিছে। অসমীয়া বিভাগৰ চতুৰ্থ যান্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলেও এই প্ৰকল্পটোৰ লগত জড়িত হোৱাৰ সুযোগ লাভ কৰিব। তদুপলক্ষ্যে নেচাৰ্চ বেকনৰ তৰফৰ পৰা প্ৰকল্পটোৰ একোখনকৈ পুস্তিকা আৰু বেছ উপস্থিত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিতৰণ কৰা হয়। এই কৰ্মশালাত নেচাৰ্চ বেকনৰ এজন সক্ৰিয় সদস্য যুগল সন্দিকৈ উপস্থিত থাকে। সন্দিকৈয়ে অসমীয়া বিভাগৰ উদ্যোগত অনুষ্ঠিত এই অনুষ্ঠানৰ শলাগ লয় আৰু ছাত্ৰ-ছাত্ৰীসকলক প্ৰকৃতি সংৰক্ষণৰ বাবে কাম কৰিবলৈ উৎসাহ প্ৰদান কৰে। অনুষ্ঠানৰ সঞ্চালক ড° ভূঞাই সমল ব্যক্তিৰ বক্তব্যৰ গভীৰতা উপলব্ধি কৰি জনমানসত প্ৰকৃতিৰ গুৰুত্ব আৰু ব্যৱহাৰিক তাৎপৰ্য প্ৰচাৰ কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলক অনুৰোধ জনায়। লগতে এই অনুষ্ঠানটোৰ আয়োজনৰ শলাগ লয়। মহাবিদ্যালয়ৰ শিক্ষক, গৱেষক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ উপস্থিতিত অনুষ্ঠানটো সম্পন্ন হয়।

## প্ৰকৃতি সাহিত্যৰ সন্মিলন আৰু কৰ্মশালা

# উপস্থিত ছাত্ৰ-ছাত্ৰীৰ মতামত

**ধৰিত্ৰী চুতীয়া ঃ** আঠদিনীয়াকৈ অনুষ্ঠিত সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাৰ জৰিয়তে অসমৰ যথেষ্ট বিশিষ্ট ব্যক্তিৰ সান্নিধ্য লাভৰ সুযোগ লাভ কৰিলোঁ। কিতাপৰ পাতত লগ পোৱা লেখকজনক যেতিয়া স্ব-চক্ষুৰে দেখা, বাৰ্তালাপ কৰাৰ সৌভাগ্য হয় সেই অনুভূতি স্বৰ্গীয়। ১৯ তাৰিখ বুধবাৰে গ্ৰন্থমেলাৰ এটি অনুষ্ঠানত আমাৰ সাক্ষাৎ হয় প্ৰকৃতিবিদ সৌম্যদ্বীপ দত্তৰ সৈতে। গছ পাতৰ শব্দ, বোকা পানীৰ স্পৰ্শক যেতিয়া তেওঁ সৌভাগ্য বুলি বিবেচনা কৰিছিল তেতিয়াই অনুভৱ কৰিছিলোঁ তেওঁৰ আভ্যন্তৰীণ অৰণ্যৰ বিশালতাক। মানুহ আৰু মানুহভিন্ন জগতলৈ তেওঁৰ অৱদান অতুলনীয়। অভিজ্ঞতাৰে পৰিপুষ্ট দত্তই প্ৰকৃতিৰ সৈতে মানুহৰ সম্পৰ্ক সম্বন্ধে এক মনোগ্ৰাহী বক্তৃতা আমাৰ আগত আগবঢ়ায়। প্ৰকৃতিৰ সৈতে আমাৰ চিনাকি পুৰণি যদিও সৌম্যদ্বীপ দত্তৰ বক্তব্যই প্ৰকৃতিক এক নতুন ৰূপত সজ্জিত কৰে। কিতাপৰ জটিল বাক্যবোৰৰ বিপৰীতে সৰলতাৰে দাঙি ধৰিছিল প্ৰকৃতি কি, প্ৰকৃতি চেতনাৰ তাৎপৰ্য কি ইত্যাদি। আন অনুষ্ঠানৰ তুলনাত এই অনুষ্ঠান আছিল ব্যতিক্ৰম। আনুষ্ঠানিকতাৰ চাৰিবেৰৰ মাজত আবদ্ধ নাৰাখি প্ৰদান কৰিছিল প্ৰকৃতিৰ দৰেই এক মুকলি পৰিৱেশ। কৰ্মশালাখনিত ছাত্ৰ ছাত্ৰীসকল ঘৰুৱা ধৰণেই সহজ হৈ পৰিছিল। সেয়ে নিঃসংকোচে সকলোৰে প্ৰকৃতি সম্পৰ্কে থকা শংকাবোৰ প্ৰকাশ কৰিছিল। তেওঁ যুক্তিপূৰ্ণ কথন ভংগিমাৰে বহুসময় ধৰি বৰ্ণনা কৰিছিল বৰ্তমান আৰু ভৱিষ্যতৰ প্ৰকৃতি সচেতনতাৰ পৰিকল্পনা। প্ৰায় তিনি-চাৰি ঘণ্টা ধৰি গতানুগতিকভাৱে চলি থকা অনুষ্ঠানটোত কিন্তু এজন ব্যক্তিৰ মুখতো বিৰক্তিৰ ভাব দেখা নাপালোঁ। তেওঁৰ সান্নিধ্যই আমাক শিকাই গ'ল মানৱীয়তা আৰু দায়িত্ববোধ কি? সৌম্যদ্বীপ দত্তৰ দৰে এজন



ব্যক্তিক লগ পোৱাৰ সুবিধা প্ৰদানৰ বাবে নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ ওচৰত মই চিৰ কৃতজ্ঞ।

**গীতামণি কোঁচ ঃ** সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাৰ সৈতে সংগতি ৰাখি অনুষ্ঠিত কৰা 'প্ৰকৃতি সংৰক্ষণ আৰু প্ৰকৃতি সাহিত্য' শীৰ্ষক কৰ্মশালাখনিত সমল ব্যক্তি হিচাপে উপস্থিত থাকে প্ৰকৃতিবিদ সৌম্যদ্বীপ দত্ত। কৰ্মশালাখনিত সৌম্যদ্বীপ দত্তই প্ৰকৃতি সাহিত্যৰ লগতে প্ৰকৃতি সংৰক্ষণ সম্পৰ্কে মনোগ্ৰাহী বক্তৃতা আগবঢ়োৱাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ লগত মত বিনিময় কৰি প্ৰকৃতি সচেতনতাৰ বিভিন্ন ব্যৱহাৰিক দিশ অৱতাৰণা কৰে। ভাষণ প্ৰসংগত তেওঁ নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাই প্ৰকৃতি সাহিত্যৰ ক্ষেত্ৰখনলৈ আগবঢ়োৱা অৱদান সম্পৰ্কে শলাগ লয়। ভাষণত দত্তই এই কথাও উল্লেখ কৰে যে কেৱল প্ৰকৃতিৰ বিষয়ে লিখিলেই সেয়া সঁচা অৰ্থত প্ৰকৃতি সাহিত্য নহয়। যি সাহিত্যৰ জৰিয়তে প্ৰকৃতি সংৰক্ষণৰ চেতনা মানুহৰ মনত জাগ্ৰত হয় সেয়াই প্ৰকৃততে প্ৰকৃতি সাহিত্য।

কৰ্মশালাখনিত সৌম্যদ্বীপ দত্তই ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি প্ৰকৃতি সাহিত্যৰ লেখন কলা সম্পৰ্কেও বহুকেইটা দিশ উনুকিয়াই। তেওঁ কয় যে— যেতিয়া এজন ব্যক্তিয়ে প্ৰকৃতি সাহিত্যৰ বিষয়ে লিখিব তেতিয়া সেই ব্যক্তিজনে প্ৰথমে প্ৰকৃতিৰ লগত নিজৰ এক আত্মিক সংযোগ স্থাপন কৰি ল'ব লাগিব। প্ৰকৃতিৰ লগত যদি তেওঁ সংপৃক্ত নহয় তেতিয়াহ'লে তেওঁ প্ৰকৃতি সাহিত্য সম্পৰ্কীয় যিকোনো লেখনী লেখাৰ ক্ষেত্ৰত বিফল হ'ব। অনুষ্ঠানটোত তেওঁ জৈৱ-বৈচিত্ৰ্যৰ ধাৰণা, ইয়াৰ সংৰক্ষণৰ প্ৰয়োজনীয়তা আদিৰ বিষয়ে ব্যক্ত কৰাৰ উপৰিও নেচাৰ্চ বেকনৰ এটা উল্লেখযোগ্য প্ৰকল্প 'সমগ্ৰ অসমৰ বনৰীয়া চৰাই সংৰক্ষণ চিভিল'ৰ বিষয়েও কিছু তথ্য উপস্থিত সকলোৰে আগত দাঙি ধৰে। কৰ্মশালাখনিত নেচাৰ্চ বেকনৰ সদস্য যুগল সন্দিকৈয়েও প্ৰকৃতি সংৰক্ষণৰ কথা কয়। এই অনুষ্ঠানটোত উপস্থিত থাকি আমি যথেষ্ট উপকৃত হ'লো। প্ৰকৃতি সাহিত্য সম্পৰ্কীয় বহুবোৰ তাত্ত্বিক আৰু প্ৰায়োগিক দিশৰ বিষয়ে জানিব পাৰিলোঁ।

**প্ৰাচুৰ্যা বৰা ঃ** সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাৰ লগত সংগতি ৰাখি আলোচিত হোৱা বিভিন্ন আলোচনা চক্ৰৰ ভিতৰত এখন গুৰুত্বপূৰ্ণ আলোচনা চক্ৰ আছিল নেচাৰ্ছ বেকন আৰু অসমীয়া বিভাগৰ উদ্যোগত অনুষ্ঠিত হোৱা 'প্ৰকৃতি সংৰক্ষণ আৰু প্ৰকৃতি সাহিত্য' সম্পৰ্কীয় আলোচনা চক্ৰখন। আলোচনা চক্ৰখনিত সৌম্যদ্বীপ দত্তই কয় যে ১৯৪২ চনৰপৰাই প্ৰকৃতি সাহিত্য বিষয়ক সাহিত্য ৰচনা হয় যদিও তাৰ পৰৱৰ্তী সময়তহে ইয়াৰ সংৰক্ষণ আৰু সচেতনতাৰ ধাৰণা জনসমাজত প্ৰৱেশ কৰে। আলোচনা চক্ৰখনত সৌম্যদ্বীপ দত্তই প্ৰকৃতিৰ ভিন্ন উপাদান যেনে— চৰাই, জীৱ-জন্তু আৰু নদীৰ শব্দ, প্ৰকৃতি কেনেকুৱা সেই বিষয়ে ছাত্ৰ-ছাত্ৰীসকলক অনুভৱ কৰিবলৈ আহ্বান জনায়। দত্তই নেচাৰ্চ বেকনৰ জৰিয়তে প্ৰকৃতি সংৰক্ষণৰ বাবে কেনেধৰণে কাম কৰা হৈছেআৰু নৱ প্ৰজন্মৰ মাজত এই সংৰক্ষণৰ চেতনা জাগ্ৰত কৰিবলৈ হাতত লোৱা পন্থা সম্পৰ্কে কিছু কথা কয়। তেওঁ আমাক 'ভাৰতৰ অমৃতকাল' নামৰ এখন সৰু গ্ৰন্থ আৰু লগতে এটা বেজ দিয়ে। এই বেজটোত প্ৰতীক হিচাপে এবিধ বিলুপ্তপ্ৰায় গুলপীয়া হাঁহক নিৰ্দেশ কৰা হৈছে।




# 'বৌদ্ধিক উত্তৰণত অনুবাদৰ ভূমিকা' শীৰ্ষক আলোচনা-চক্ৰ সম্পন্ন

**কেম্পাছ প্ৰতিনিধি ঃ** ১৯ মাৰ্চ, ২০২৫ তাৰিখ বুধবাৰে সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাৰ সৈতে সংগতি ৰাখি নৰ্থ লখিমপুৰ কলেজৰ কনফাৰেন্স হ'লত 'বৌদ্ধিক উত্তৰণত অনুবাদৰ ভূমিকা' শীৰ্ষক এক বক্তৃানুষ্ঠান অনুষ্ঠিত হয়। এই অনুষ্ঠানত সমল বক্তা হিচাপে উপস্থিত থাকে ছয়দুৱাৰ কলেজৰ ইংৰাজী বিভাগৰ অধ্যাপক তথা অসমৰ এগৰাকী বিশিষ্ট অনুবাদক ড° অৰিন্দম শৰ্মা আৰু লখিমপুৰ বালিকা মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক ড° পৰাগ কুমাৰ ডেকা। নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ গৱেষক কৃপাৰেখা গগৈয়ে আঁত ধৰা এই অনুষ্ঠানটোৰ সঞ্চালনা কৰে অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° ধীৰাজ পাটৰে। সমল ব্যক্তি অৰিন্দম শৰ্মাই অনুবাদ কলাৰ ইতিহাস, প্ৰকৃতি তথা ভাষা একোটাৰ সাহিত্য-সংস্কৃতি আৰু ইতিহাসৰ প্ৰসাৰত অনুবাদে কেনেধৰণৰ ভূমিকা গ্ৰহণ কৰে সেই সম্পৰ্কে ব্যাখ্যা কৰে। লগতে তেওঁ ভাল অনুবাদৰ বাবে পঠন অভিজ্ঞতা আৰু সংশ্লিষ্ট ভাষা সাহিত্যৰ প্ৰতি দায়বদ্ধতাৰ প্ৰয়োজনৰ কথা কয়। শৰ্মাই অনুবাদৰ জৰিয়তে অসমীয়া ভাষাত বিজ্ঞানসন্মত আৰু অসমীয়া ভাষা সমৃদ্ধ হোৱাকৈ পৰিভাষা কোষৰ প্ৰয়োজনৰ কথা কয়। বক্তৃতানুষ্ঠানৰ আনগৰাকী সমল ব্যক্তি ড° পৰাগ কুমাৰ ডেকাই কয় যে অনুবাদ কলাৰ জৰিয়তে কোনো এখন ঠাইৰ সাহিত্যৰাজিৰ মহৎ গুণ আন আন মানুহেও যাতে জানিব পাৰে যাৰ জৰিয়তে মূল ভাষা-সাহিত্যই বিশ্বজনীন স্বীকৃতি পোৱাৰ লগতে মানৱ সমাজো ইয়াৰ দ্বাৰা উপকৃত হোৱাৰ থল থাকে। তদুপৰি সাহিত্যৰ অনুবাদৰ জৰিয়তে মানুহে ভাষা শিকাৰ পৰা আৰম্ভ কৰি আন ভাষাৰ সাহিত্যিক সমলসমূহৰ দ্বাৰা সমৃদ্ধ হোৱাৰ অৱকাশ পায়। অৱশ্যে একোটা ভাষাৰ চালিকা শক্তিৰ সকলো সমল আন ভাষাৰ পৰা পৃথক বৈশিষ্ট্যযুক্ত হোৱাৰ বাবে বহুসময়ত তেনে সমলৰ অনুবাদ সম্ভৱ ন'হবও পাৰে। প্ৰসংগক্ৰমে তেওঁ অসমীয়া বৰগীত, সাধুকথা, চিত্ৰকল্পযুক্ত কিছুমান কবিতা আদিৰ প্ৰসংগ উল্লেখ কৰে। আলোচনা চক্ৰখনিত দুয়োগৰাকী সমল বক্তাই অনুবাদৰ সৈতে জড়িত প্ৰায়োগিক দিশৰ বিষয়েও অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি অৱগত কৰে। এই অনুষ্ঠানত নৰ্থ লখিমপুৰ কলেজৰ বিভিন্ন বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে মত বিনিময় কৰে। কেইবাগৰাকীও ছাত্ৰ-ছাত্ৰীয়ে প্ৰশ্নোত্তৰ শিতানত ভাগ লয়। বক্তৃতানুষ্ঠানটিত সকলোকে কৃতজ্ঞতা জনাই সঞ্চালকৰ মত প্ৰকাশ কৰি ড° ধীৰাজ পাটৰে কয় যে অনুবাদ সংক্ৰান্তীয় জ্ঞানৰ সৈতে জড়িত নৈতিক, সাংস্কৃতিক, ব্যৱহাৰিক আৰু প্ৰায়োগিক দিশৰ আলোচনাৰ লগতে অনুবাদৰ প্ৰয়োজন, সুবিধা-আসুবিধা আৰু সম্ভাৱনাৰ সৈতে জড়িত আলোচনাই সকলোকে উপকৃত কৰিব। অনুষ্ঠানৰ শেষত অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাই কয় যে মানৱ সমাজৰ ইতিহাস আৰু সমকালীন সময়ক বুজিবলৈ অনুবাদৰ প্ৰয়োজন আছে। অসমীয়া জাতিয়ে অনুবাদৰ যথাৰ্থ গুৰুত্ব উপলব্ধি কৰিব নোৱৰাৰ বাবেই বহু সময়ত আন ঠাইৰ মানুহতকৈ বৌদ্ধিকভাৱে পিছ পৰি থাকিব পাৰে। এই অনুষ্ঠানত অধ্যাপক ড° ধনৰঞ্জন কলিতা, অধ্যাপিকা মুনমী দত্ত, অসমীয়া বিভাগৰ অংশকালীন অধ্যাপিকা কংকনা বাৰিক, অসমীয়া সাহিত্য সন্মিলনীৰ সম্পাদক ড° ভাস্কৰ ভূঞা, অসমীয়া বিভাগৰ গৱেষক আৰু মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ ছাত্ৰ-ছাত্ৰীয়ে অংশ লয়।

## অনুভৱ ঃ নৰ্থ লখিমপুৰ কলেজৰ গ্ৰন্থমেলা

### পৰাগ কুমাৰ ডেকা

এই কথা সকলোৱে স্বীকাৰ কৰিব যে উচ্চ শিক্ষাৰ অনুষ্ঠান এখনৰ পৰিৱেশ হ'ব লাগে বৌদ্ধিকভাৱে উদ্দীপনাময়। ই ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক, মানসিক, আৱেগিক সকলো দিশৰে আপডাল কৰিব পাৰিব লাগে। কিন্তু প্ৰায়বোৰ শিক্ষানুষ্ঠানতে বিভিন্ন কাৰণত সেয়া হৈ নুঠে। এই ক্ষেত্ৰত নৰ্থ লখিমপুৰ কলেজৰ গ্ৰন্থমেলাখন এক লক্ষ্যণীয় ব্যতিক্ৰম। ২০২৫ বৰ্ষৰ এই গ্ৰন্থমেলা আৰু তাৰ সমান্তৰালভাৱে পতা অসমীয়া কিতাপৰ ইতিহাস সম্পৰ্কীয় আলোচনাচক্ৰখনে এক দুৰ্লভ ছবি দাঙি ধৰিলে। এই অনুষ্ঠানটি আছিল বিভিন্ন বৌদ্ধিক আলাপ-আলোচনাৰে সমৃদ্ধ, য'ত কলেজখনৰ ছাত্ৰ-ছাত্ৰীসকলে অসমৰ বৌদ্ধিক জগতৰ, ন-পুৰণি প্ৰজন্মৰ বিভিন্ন নামজ্বলা ব্যক্তিৰ সান্নিধ্য লাভ কৰিবলৈ পায়। কিন্তু অনুষ্ঠানটিৰ তাতোকৈয়ো উল্লেখযোগ্য দিশটো আছিল তাত ছাত্ৰ-ছাত্ৰীসকলৰ সমূহীয়া অংশগ্ৰহণ। এই অংশগ্ৰহণ মাথো নিষ্ক্ৰিয় শ্ৰোতা-দৰ্শকৰ ৰূপত নাছিল, আছিল কৰ্মীৰ ৰূপত, সক্ৰিয় গ্ৰন্থ-সৈনিকৰ ৰূপত। এই গ্ৰন্থমেলাখন আছিল ছাত্ৰৰ বাবে, ছাত্ৰৰ দ্বাৰা, ছাত্ৰৰ অনুষ্ঠান। ছাত্ৰ-ছাত্ৰীয়ে গ্ৰন্থমেলা পাতি, তাত কিতাপ কিনি, পঢ়ি, বিক্ৰী কৰি, আড্ডা মাৰি, আলোচনাত অংশগ্ৰহণ কৰি, নিজে চাহৰ দোকান দি তাত চাহ বিক্ৰী কৰি, খাই, খুৱাই, অতিথি আপ্যায়ন কৰি এনেকুৱা এটা অনুষ্ঠান ইমান দিন জুৰি ইমান সাৱলীলভাৱে চলাই নিয়াৰ উদাহৰণ আনত নহ'লেও অন্ততঃ আমাৰ ৰাজ্যত বিৰল বুলিয়েই মোৰ ধাৰণা। কিন্তু এনে বিৰলতা আমাৰ সমাজ-সংস্কৃতিৰ বাবে বৰ শুভ লক্ষণ নহয়। বৰং এনে অনুষ্ঠান, এনে দৃশ্য আমাৰ ৰাজ্যৰ, দেশৰ সকলো শিক্ষানুষ্ঠানতে সুলভ হোৱাটোহে বাঞ্ছনীয়। নৰ্থ লখিমপুৰ মহাবিদ্যালয়ৰ এই অনুষ্ঠানত উপস্থিত থাকি, ভাগ লৈ মোৰ আটাইতকৈ ভাল লাগিল তাত দিনে-নিশাই লাগি-ভাগি থকা ছাত্ৰ-ছাত্ৰীখিনিৰ বাবে। এই অভিজ্ঞতাৰপৰা তেওঁলোকৰ জীৱন নিশ্চিতভাৱে হৈ পৰিছে অতি চহকী। এই অভিজ্ঞতাই তেওঁলোকক গোটেই জীৱন সহায় কৰিব। লখিমপুৰবাসী ৰাইজক এনে এটা অনুষ্ঠান উপহাৰ দিয়া বাবে নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ শিক্ষক তথা ছাত্ৰ-ছাত্ৰীসকল সকলোৰে আন্তৰিক ধন্যবাদ তথা কৃতজ্ঞতাৰ পাত্ৰ। এই অনুষ্ঠানৰ পৰা আমাৰ সকলোৰে শিকনীয়, অনুকৰণীয় বহুতো কথাই আছে।

## আলোচনা চক্ৰত উপস্থিত ছাত্ৰ-ছাত্ৰীৰ মতামত

**আকাংক্ষা তামুলী ঃ** ১৮ ৰ পৰা ২৫ মাৰ্চলৈ অনুষ্ঠিত হোৱা সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাৰ সৈতে সংগতি ৰাখি বহুকেইটো অনুষ্ঠান আয়োজন কৰা হৈছিল। দিনৰ দুই বজাত গ্ৰন্থমেলাৰ দ্বিতীয় দিনৰ তৃতীয় কাৰ্যসূচী 'বৌদ্ধিক উত্তৰণত অনুবাদৰ ভূমিকা' শীৰ্ষক আলোচনা চক্ৰ অনুষ্ঠিত হয়। অসমীয়া বিভাগৰ গৱেষিকা কৃপাৰেখা গগৈ বায়ে আঁত ধৰা এই অনুষ্ঠান মহাবিদ্যালয়ৰ কনফাৰেন্স হলত অনুষ্ঠিত হয়। এই সত্ৰত সমল ব্যক্তি হিচাপে উপস্থিত থাকে বিশিষ্ট অনুবাদক অৰিন্দম শৰ্মা আৰু পৰাগ কুমাৰ ডেকা। পোনপ্ৰথমে অনুবাদক অৰিন্দম শৰ্মাই অনুবাদ সম্পৰ্কীয় এক মনোৰম বক্তৃতা প্ৰদান কৰে। অনুবাদে সভ্যতাক গঢ়িছে, সভ্যতাক আগবঢ়াই নিছে। মানুহৰ চিন্তা চৰ্চাক আগবঢ়াই নিছে। অনুবাদেই নৱজাগৰণৰ উৎস বুলি তেওঁ উল্লেখ কৰে। অনুবাদৰ ক্ষেত্ৰত জড়িত বিভিন্ন ব্যক্তিৰ লগতে কেইবাখনো কিতাপৰ তেওঁ উদাহৰণ দিয়ে। বিশ্বসাহিত্য, তুলনামূলক সাহিত্য আদিৰ প্ৰসংগও উপস্থাপন কৰে। তেওঁৰ পিছতেই পৰাগ কুমাৰ ডেকাই অনুবাদ সম্পৰ্কীয় এক তত্ত্বগধুৰ বক্তৃতা প্ৰদান কৰে। বেজবৰুৱাৰ গল্প তথা সাধুৰ অনুবাদৰ সৈতে জড়িত হৈ থকা পৰাগ কুমাৰ ডেকাই অনুবাদৰ বহুকেইটা তাত্ত্বিক প্ৰসংগ উপস্থাপন কৰাৰ লগতে অনুবাদকে সততে সন্মুখীন হোৱা কিছু সমস্যাৰ কথা উল্লেখ কৰে। পৰৱৰ্তী সময়ত সমল ব্যক্তিসকলৰ সৈতে হোৱা মত বিনিময় অনুষ্ঠানত মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীসকলে সক্ৰিয় অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে এই আলোচনা সত্ৰত অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক তথা গ্ৰন্থমেলা আয়োজন সমিতিৰ সম্পাদক ড° অৰবিন্দ ৰাজখোৱাই অনুবাদ সম্পৰ্কীয় দু-আষাৰ ব্যক্ত কৰে। এই অনুষ্ঠানত সঞ্চালক হিচাপে উপস্থিত থাকে অসমীয়া বিভাগৰ অধ্যাপক ড° ধীৰাজ পাটৰ। অনুবাদ সম্পৰ্কে হোৱা এই আলোচনাই আমাক বহুত উপকৃত কৰিলে। সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা এনে আলোচনাই ছাত্ৰ ছাত্ৰীৰ লগতে গ্ৰন্থমেলা চাবলৈ অহা প্ৰতিজন ব্যক্তিকে সমৃদ্ধ কৰিলে।



কেম্পাছ

নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত)

২৪ এপ্ৰিল, ২০২৫, বৃহস্পতিবাৰ

# ৭ম গ্ৰন্থমেলাৰ অনুষ্ঠানসমূহ আৰু অংশগ্ৰহণকাৰীসকল

১৮ মাৰ্চ, ২০২৫

**উদ্বোধনী অনুষ্ঠান**

উদ্বোধক ঃ য়েছে দৰজে ঠংচি, সাহিত্য একাদেমি বঁটাপ্ৰাপক সাহিত্যিক, ইটানগৰ
সঞ্চালক ঃ ডক্টৰ বিমান চন্দ্ৰ চেতিয়া, অধ্যক্ষ, নৰ্থ লখিমপুৰ কলেজ
বিশিষ্ট অতিথি ঃ সোণামতী ঠংচি, ইটানগৰ
অসমীয়া ভাষা শিক্ষণৰ পাঠ্যক্ৰমৰ বুজাবুজি চুক্তি স্বাক্ষৰ অনুষ্ঠান
সভাপতি ঃ ডক্টৰ বিমান চন্দ্ৰ চেতিয়া, অধ্যক্ষ, নৰ্থ লখিমপুৰ কলেজ
বিশিষ্ট অতিথি ঃ ১. মুকুল পাঠক, সম্পাদক, আছামিজ চ'ছাইটি, ইটানগৰ
২ . পৰমা চুতীয়া, সভাপতি, আছামিজ চ'ছাইটি, ইটানগৰ

**সাংস্কৃতিক সন্ধিয়া**

মামণি ৰয়ছম গোস্বামী ছাত্ৰী নিবাস

১৯ মাৰ্চ, ২০২৫

**পৰিৱেশ সংৰক্ষণ আৰু প্ৰকৃতি সাহিত্যৰ কৰ্মশালা**

সঞ্চালক ঃ ডক্টৰ ভাস্কৰ ভূঞা, সহকাৰী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
সমল ব্যক্তি ঃ সৌম্যদ্বীপ দত্ত, সঞ্চালক, নেচাৰ্চ বেকন, ধুবুৰী
বিশিষ্ট অতিথি ঃ যুগল সন্দিকৈ, প্ৰকৃতি সংৰক্ষক, ধেমাজি
সমন্বয়ক ঃ পূবালী বৰা

**আলোচনা-চক্ৰ ঃ অনুবাদৰ সামাজিক গুৰুত্ব**

সঞ্চালক ঃ ডক্টৰ ধীৰাজ পাটৰ, সহকাৰী অধ্যাপক, নৰ্থ লখিমপুৰ কলেজ
সমল ব্যক্তি ঃ ১. ডক্টৰ অৰিন্দম শৰ্মা, সহযোগী অধ্যাপক, ছয়দুৱাৰ কলেজ
২. ডক্টৰ পৰাগ কুমাৰ ডেকা, সহকাৰী অধ্যাপক, লখিমপুৰ বালিকা মহাবিদ্যালয়
সমন্বয়ক ঃ কৃপাৰেখা গগৈ

**ভ্ৰমণ বিৰতি ঃ সৌৰভ কুমাৰ চলিহা স্মাৰক অনুষ্ঠান**

সৌৰভ কুমাৰ চলিহা ছাত্ৰ নিবাস
বিশিষ্ট অতিথি ঃ ১. ত্ৰিদীব ভাগৱতী, গৱেষক গুৱাহাটী বিশ্ববিদ্যালয়
২. নৱকান্ত বৰুৱা, গৱেষক, গুৱাহাটী বিশ্ববিদ্যালয়
সমন্বয়ক ঃ মহানন্দ শইকীয়া

২০ মাৰ্চ, ২০২৫

**প্ৰাক্তন আলোচনী সম্পাদকৰ সন্মিলন**

সঞ্চালক ঃ ১. ডক্টৰ অঞ্জন কুমাৰ ওজা, অৱসৰপ্ৰাপ্ত অধ্যক্ষ, ছয়দুৱাৰ কলেজ
মুখ্য অতিথি ঃ ডক্টৰ বিমান চন্দ্ৰ চেতিয়া, অধ্যক্ষ, নৰ্থ লখিমপুৰ কলেজ
বিশিষ্ট অতিথি ঃ ১. গোবিন দত্ত, মাছখোৱা, ধেমাজি
২. ডক্টৰ সুৰেশ দত্ত, অধ্যক্ষ, পানীগাওঁ অ'. পি. ডি. কলেজ
৩. জিতেন্দ্ৰ চেতিয়া
৪. গৌতম গগৈ
৫. ডক্টৰ পল্লৱী ডেকা বুজৰবৰুৱা, অধ্যাপক, ডিব্ৰুগড় বিশ্ববিদ্যালয়
৬. উদয় শংকৰ বৰুৱা
৭. ডিম্পুল কুমাৰ চুতীয়া, সম্পাদক, দৈনন্দিন বাৰ্তা, গুৱাহাটী
৮. নৱকান্ত বৰুৱা, গৱেষক, গুৱাহাটী বিশ্ববিদ্যালয়
৯. নৱজ্যোতি দত্ত, অধিবক্তা, গুৱাহাটী উচ্চ ন্যায়ালয়
১০. ইন্দ্ৰাণী বৰুৱা, ব্ৰহ্মপুত্ৰ ভেলী একাডেমী, লখিমপুৰ
১১. অসীম চুতীয়া, অধ্যক্ষ, চেপন কলেজ
১২. দুলেন কুমাৰ গগৈ, সহকাৰী অধ্যাপক, লখিমপুৰ বালিকা মহাবিদ্যালয়
১৩. দুদুমণি ভৰালী, লখিমপুৰ
১৪. মানস প্ৰতীম বৰা
১৫. জয়চন্দ্ৰ হাজৰিকা
সমন্বয়ক ঃ শৰৎ শইকীয়া

**যুৱ লেখক সমাৰোহ**

সঞ্চালক ঃ তুলিকা তামুলী, গোলাঘাট
অংশ গ্ৰহণকাৰী ঃ ১. কস্তুৰী চুতীয়া, ধেমাজি
২. অভিজিৎ গগৈ, শিৱসাগৰ
৩. মানস প্ৰতীম দত্ত, ধেমাজি
৪. মাণিক পাল, গোৱালপৰা
৫. আকাংক্ষা তামুলী, নৰ্থ লখিমপুৰ কলেজ
সমন্বয়ক ঃ প্ৰাৰ্থনা দত্ত

**'ভূমিকন্যা' ঃ নাটক প্ৰদৰ্শন**

সন্ধিয়া ছয় বজাত
লখিমপুৰ বালিকা মহাবিদ্যালয়
সমন্বয়ক ঃ দুলেন কুমাৰ গগৈ

২১ মাৰ্চ, ২০২৫

**আলোচনা-চক্ৰ ঃ অসমীয়া কাহিনীবিযুক্ত গদ্য সাহিত্য ঐতিহ্য আৰু ঐশ্বৰ্য**

সঞ্চালক ঃ ডক্টৰ পৰেশ খনিকৰ, সহকাৰী অধ্যাপক, নাহৰকটীয়া কলেজ
সমল ব্যক্তি ঃ ১. ডক্টৰ চন্দনজ্যোতি চুতীয়া, সহকাৰী অধ্যাপক, মনোহাৰী দেৱী কানৈ গাৰ্লচ কলেজ
২. কুসুম্বৰ চুতীয়া, সহকাৰী অধ্যাপক, লখিমপুৰ বালিকা মহাবিদ্যালয়
৩. ডক্টৰ বিমল বসুমতাৰী, সহকাৰী অধ্যাপক, বিহপুৰীয়া কলেজ
৪. ডক্টৰ ৰূপম গগৈ, সহকাৰী অধ্যাপক, বিকালী কলেজ, কামৰূপ
৫. ডক্টৰ লক্ষ্যজিৎ বুঢ়াগোহাঁই, সহকাৰী অধ্যাপক, দুলীয়াজান কলেজ
৬. দেৱাশিস বুঢ়াগোহাঁই, সহকাৰী অধ্যাপক, কে.চি. দাস কমাৰ্চ কলেজ
৭. বিতু বৰা, প্ৰবক্তা, ডায়েট, তিনিচুকীয়া
৮. ৰাজীৱ হাজৰিকা, সহকাৰী অধ্যাপক, ৰঙাচাহী কলেজ
৯. অনিতা বিশ্ব শৰ্মা, সহকাৰী অধ্যাপক, ধিং কলেজ

**যুৱ সংসদ কৰ্মশালা**

১. হেমচন্দ্ৰ শইকীয়া, বিদ্যালয়সমূহৰ পৰিদৰ্শক, লখিমপুৰ
২. সুৰেশ দত্ত, অধ্যক্ষ, পানীগাওঁ অ'. পি. ডি. কলেজ
৩. ৰঞ্জিত স্বৰ্গীয়াৰী
৪. নিভাৰাণী শইকীয়া
৫. বন্দনা দেৱী
৬. জ্ঞানশ্ৰী কটকী
৭. দেৱৰাজ দত্ত
৮. গুঞ্জন দত্ত
সমন্বয়ক ঃ ডক্টৰ দিগন্ত হাতীবৰুৱা

**গ্ৰামোফোন ৰেকৰ্ডৰ প্ৰদৰ্শনী উদ্বোধনী**

সঞ্চালক ঃ ডক্টৰ অৰবিন্দ ৰাজখোৱা, সহযোগী অধ্যাপক, নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত)
সমল ব্যক্তি ঃ ১. উমানন্দ দুৱৰা, বিশিষ্ট শিল্পী, সংগ্ৰাহক, মৰাণহাট
২. চাজন মিত্ৰ, সংগ্ৰাহক, মৰাণহাট
বিশিষ্ট অতিথি ঃ ১. ডক্টৰ বিমান চন্দ্ৰ চেতিয়া, অধ্যক্ষ, নৰ্থ লখিমপুৰ কলেজ
২. ৰাঘৱ পৰাজুলী, সমন্বয়ক, আই.কিউ.এ.চি., নৰ্থ লখিমপুৰ কলেজ
সমন্বয়ক ঃ কংকনা বাৰিক

**সন্ধিয়া সংগীতানুষ্ঠান**

উমানন্দ দুৱৰা আৰু অসমীয়া বিভাগৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকল

২২ মাৰ্চ, ২০২৫

**ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ ঃ 'অসমীয়া কিতাপৰ ইতিহাস'**

সঞ্চালক ঃ ডক্টৰ বিমান চন্দ্ৰ চেতিয়া, অধ্যক্ষ, নৰ্থ লখিমপুৰ কলেজ
মুখ্য অতিথি ঃ অধ্যাপক ৰঞ্জিৎ কুমাৰ দেৱগোস্বামী, অৱসৰপ্ৰাপ্ত অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়
সমল ব্যক্তি ঃ ১. ক্ষীৰোদ কুমাৰ গোস্বামী, পুথিতীৰ্থ প্ৰকাশন, গোলাঘাট
২. অনন্ত হাজৰিকা, বিশিষ্ট প্ৰকাশক, বনলতা, গুৱাহাটী
৩. ডক্টৰ সুৰজিৎ ভূঞা, অধ্যক্ষ, লখিমপুৰ বালিকা মহাবিদ্যালয়
৪. ডক্টৰ আৰাধনা পটংগীয়া গোস্বামী, অৱসৰপ্ৰাপ্ত অধ্যাপিকা, পাণ্ডু কলেজ
৫. ডক্টৰ জ্যোতিৰেখা হাজৰিকা, অৱসৰপ্ৰাপ্ত অধ্যাপিকা, জে. বি. কলেজ
৬. ডক্টৰ ৰাজশ্ৰী হাজৰিকা, সমন্বয়ক, অসমতত্ত্ব গৱেষণা সংস্থান, অসম সাহিত্য সভা, যোৰহাট
৭. ডক্টৰ জোনালী বৰুৱা, সহযোগী অধ্যাপক, হিন্দী বিভাগ, মৰিগাঁও কলেজ
৮. ডক্টৰ স্বাতী কিৰণ, সহকাৰী অধ্যাপক, ডিব্ৰুগড় বিশ্ববিদ্যালয়
৯. ডক্টৰ বিজু মৰাণ, সহযোগী অধ্যাপক, ডিব্ৰু কলেজ
১০. ডক্টৰ লক্ষ্যজিৎ বুঢ়াগোহাঁই, সহকাৰী অধ্যাপক, দুলীয়াজান কলেজ
১১. ডক্টৰ দীপকজ্যোতি মহন্ত, সহকাৰী অধ্যাপক, গোবেশ্বৰ কলেজ
১২. ডক্টৰ নন্দিতা দত্ত, সহকাৰী অধ্যাপক, নৰ্থ লখিমপুৰ কলেজ
১৩. ডক্টৰ বৰ্ণালী বৰা, সহকাৰী অধ্যাপক, নৰ্থ লখিমপুৰ কলেজ
১৪. ডক্টৰ ধনৰঞ্জন কলিতা, সহযোগী অধ্যাপক, নৰ্থ লখিমপুৰ কলেজ
১৫. ডক্টৰ ধীৰাজ পাটৰ, সহকাৰী অধ্যাপক, নৰ্থ লখিমপুৰ কলেজ

**আকাশবাণী ডিব্ৰুগড়ৰ 'অন্তৰা' অনুষ্ঠান**

১. পৰশা কোঁৱৰ, অনুষ্ঠান কাৰ্যবাহী, আকাশবাণী ডিব্ৰুগড়
২. শ্ৰীময়ী বৰদলৈ, কৰ্মকৰ্তা, আকাশবাণী ডিব্ৰুগড়
৩. নিৰ্মালী শইকীয়া, কৰ্মকৰ্তা, আকাশবাণী ডিব্ৰুগড়
৪. সন্তোষ ঠাকুৰ, কৰ্মকতা, আকাশবাণী ডিব্ৰুগড়

**বিভিন্ন কলেজৰ প্ৰতিনিধিৰ মত বিনিময় অনুষ্ঠান**

সঞ্চালক ঃ ডক্টৰ অৰবিন্দ ৰাজখোৱা, সহযোগী অধ্যাপক, নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত)
অংশ লোৱা কলেজসমূহ
১. নৰ্থ বেংক কলেজ, ঘিলামৰা, লখিমপুৰ জিলা
২. বিহালী ডিগ্ৰী কলেজ, বিশ্বনাথ জিলা
৩. লখিমপুৰ বালিকা মহাবিদ্যালয়, লখিমপুৰ জিলা
৪. নাহৰকটীয়া কলেজ, ডিব্ৰুগড় কলেজ
৫. কে.চি. দাস কমাৰ্চ কলেজ, গুৱাহাটী
বিশিষ্ট অতিথি ঃ ১. ডক্টৰ ৰুজুন বৰা, সহকাৰী অধ্যাপক, নৰ্থ বেংক কলেজ
২. স্বপ্নালী বৰগোহাঁই, সহকাৰী অধ্যাপক, নৰ্থ বেংক কলেজ
৩. ডক্টৰ জয়ন্তজিৎ বৰদলৈ, অধ্যাপক, লখিমপুৰ বালিকা মহাবিদ্যালয়

**সন্ধিয়াৰ সাংস্কৃতিক অনুষ্ঠান**

ইন্দিৰা মিৰি ছাত্ৰী নিবাস

২৩ মাৰ্চ, ২০২৫

**আলোচনা চক্ৰ ঃ অসমীয়া কিতাপৰ ইতিহাস**

সঞ্চালক ঃ ডক্টৰ বিমান চন্দ্ৰ চেতিয়া, অধ্যক্ষ, নৰ্থ লখিমপুৰ কলেজ
মুখ্য অতিথি ঃ
১. ইছমাইল হোছেইন, প্ৰবক্তা, যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়
সমল ব্যক্তি—
১. ডক্টৰ পৰেশ খনিকৰ, সহকাৰী অধ্যাপক, দুলীয়াজান কলেজ
২. কুসুম্বৰ চেতিয়া, সহকাৰী অধ্যাপক, লখিমপুৰ বালিকা মহাবিদ্যালয়
৩. স্বপ্নালী বৰগোহাঁই, সহকাৰী অধ্যাপক, লখিমপুৰ বালিকা মহাবিদ্যালয়

**অধ্যাপক কবীন ফুকন সোঁৱৰণী অসম ভিত্তিক কুইজ**

উদ্বোধক ঃ ডক্টৰ বিমান চন্দ্ৰ চেতিয়া, অধ্যক্ষ, নৰ্থ লখিমপুৰ কলেজ
বিশিষ্ট অতিথি ঃ ডক্টৰ কমলেশ্বৰ হাজৰিকা, সহযোগী অধ্যাপক, লখিমপুৰ কেন্দ্ৰীয় মহাবিদ্যালয়
পৰিচালক তথা সমন্বয়ক ঃ ডক্টৰ ৰাতুল কুমাৰ লাহন, সহকাৰী অধ্যাপক, নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত)

**যোগেন টাইড সোঁৱৰণী কবি সন্মিলন**

সঞ্চালক ঃ ডক্টৰ বিমান চন্দ্ৰ চেতিয়া, অধ্যক্ষ, নৰ্থ লখিমপুৰ কলেজ
মুখ্য অতিথি ঃ প্ৰশান্ত সাগৰ চাংমাই, অসম আৰক্ষী সেৱাৰ বিষয়া, গুৱাহাটী
কবিসকল ঃ ১. ডক্টৰ দেৱৰাজ মিলি, সহকাৰী অধ্যাপক ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়
২. জিতেন নৰহ, কবি, খাবলু ঘাট
৩. ডক্টৰ তিলেশ্বৰ কামান, সহকাৰী অধ্যাপক, বাক্সা মহাবিদ্যালয়
৪. ডক্টৰ কৰিশ্মা হাজৰিকা, সহকাৰী অধ্যাপক, লখিমপুৰ বালিকা মহাবিদ্যালয়
৫. ত্ৰিৰঞ্জন টাইড, কবি, ঘূণাসুঁতি
৬. বৈদ্যৰাইট বুঢ়াগোহাঁই, কবি তথা শিক্ষক, ডিব্ৰুগড়
৭. কৌশিক কিশলয়, কবি তথা শিক্ষক, গোলাঘাট
৮. হেমচন্দ্ৰ কছাৰী, কবি, ধেমাজি
৯. মুকুট গগৈ, কবি, লখিমপুৰ
১০. কল্যাণী চক্ৰৱৰ্তী গগৈ, কবি, লখিমপুৰ
১১. প্ৰজ্ঞা পাৰমিতা বৰুৱা, সহকাৰী অধ্যাপক, কাৰ্বি আংলং
১২. স্যমন্ত পায়েং, কবি, মাজুলী
১৩. নিৰ্মল কোঁৱৰ, শিল্পী, লখিমপুৰ
১৪. লুইত কিৰণ দাস, সহকাৰী অধ্যাপক, দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়
১৫. কেশৱ চাউ, ছাত্ৰ, ৰাজীৱ গান্ধী বিশ্ববিদ্যালয়
১৬. পংকজ সভাপণ্ডিত, কবি, লখিমপুৰ
১৭. ইন্দ্ৰাণী বৰুৱা, শিক্ষয়িত্ৰী, লখিমপুৰ
সমন্বয়ক ঃ ডক্টৰ ধীৰাজ পাটৰ আৰু ডক্টৰ ৰাতুল কুমাৰ লাহন

২৪ মাৰ্চ, ২০২৫

**সৃষ্টিশীল সাহিত্যৰ কৰ্মশালা**

সঞ্চালক ঃ ডক্টৰ বৰ্ণালী বৰা, সহকাৰী অধ্যাপক, নৰ্থ লখিমপুৰ কলেজ
সমল ব্যক্তি ঃ জয়ন্ত মাধব বৰা, সাহিত্য অকাদেমি বঁটা প্ৰাপক সাহিত্যিক
বিশিষ্ট অতিথি ঃ সঞ্জীৱ বৰা, সহকাৰী সম্পাদক, অসম সাহিত্য সভা
সমন্বয়ক ঃ শৰৎ শইকীয়া

**আলোচনা চক্ৰ ঃ পৰিৱৰ্তিত সামাজিক প্ৰেক্ষাপটত সাংবাদিকতা**

সঞ্চালক ঃ কুমুদ বৰুৱা, সাংবাদিক, 'অসমীয়া প্ৰতিদিন'
মুখ্য অতিথি ঃ ডক্টৰ বিমান চন্দ্ৰ চেতিয়া, অধ্যক্ষ, নৰ্থ লখিমপুৰ কলেজ
বিশিষ্ট অতিথি ঃ ১. ডক্টৰ অৰবিন্দ ৰাজখোৱা, নৰ্থ লখিমপুৰ কলেজ
সমল ব্যক্তি ঃ ১. শৈলেন বৰুৱা, সাংবাদিক
২. বুবুল হাজৰিকা, সাংবাদিক, 'প্ৰতিদিন টাইম'
৩. ৰঞ্জিৎ কাকতি, সাংবাদিক, 'দ্য ছেন্টিনেল'
৪. প্ৰশান্ত মোদক, সাংবাদিক, 'নিয়মীয়া বাৰ্তা'
৫. প্ৰিয়ম, সাংবাদিক, 'দৈনিক অসম'
৬. কৰুণাকৃষ্ণ নাথ, সাংবাদিক, 'ডি. ৱাই. ৩৬৫'
৭. হিমাদ্ৰী দিহিঙীয়া, সাংবাদিক, আকাশবাণী
সমন্বয়ক ঃ কুমুদ বৰুৱা

**ৰাজ্যিক যুৱ সমাৰোহ**

সঞ্চালক ঃ বাণী কান্ত কোঁৱৰ, শৈক্ষিক সমন্বয়ক, নৰ্থ লখিমপুৰ কলেজ
অংশগ্ৰহণকাৰী ঃ ১. অবিনাশ বৰা, জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়
২. সমীৰ বিমাল, ডিব্ৰুগড় বিশ্ববিদ্যালয়
৩. এলিনা দেৱী, নাওবৈচা মহাবিদ্যালয়
৪. বিতোপন সোণোৱাল, এল টি কে কলেজ
৫. অলি চাবুকধৰা, লখিমপুৰ বালিকা মহাবিদ্যালয়
সমন্বয়ক ঃ শ্যামল প্ৰতীম শইকীয়া

**সন্ধিয়াৰ সাংস্কৃতিক অনুষ্ঠান**

নৰ্থ লখিমপুৰ কলেজ আছু গোট
সমন্বয়ক ঃ শ্যামল প্ৰতীম শইকীয়া

২৫ মাৰ্চ, ২০২৫

**আলোচনা চক্ৰ ঃ অসমত বুৰঞ্জী চৰ্চা**

সমল ব্যক্তি ঃ নবীন বুঢ়াগোহাঁই, বুৰঞ্জীবিদ, শিৱসাগৰ
সঞ্চালক ঃ ডক্টৰ স্বপ্নালী গগৈ, সহযোগী অধ্যাপক, নৰ্থ লখিমপুৰ কলেজ
সন্মানীয় অতিথি ঃ
১. ডক্টৰ হেমন্ত কুমাৰ বৰুৱা, প্ৰাক্তন সভাপতি, পৰিচালনা সমিতি, নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত)
২. ইছমাইল তামুলী, শিৱসাগৰ
৩. ডক্টৰ দিগন্ত হাতীবৰুৱা, সহযোগী অধ্যাপক, নৰ্থ লখিমপুৰ কলেজ
৪. ডক্টৰ অৰবিন্দ ৰাজখোৱা, সহযোগী অধ্যাপক, নৰ্থ লখিমপুৰ কলেজ
৫. ৰূপম গগৈ, সহযোগী অধ্যাপক, নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত)
৬. ডক্টৰ ইচ্মিৰেখা সন্দিকৈ কোঁৱৰ, সহযোগী অধ্যাপক, নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত)
সমন্বয়ক ঃ উদ্ধৱ তামুলী ফুকন

**সন্ধিয়াৰ সাংস্কৃতিক অনুষ্ঠান**

অসমীয়া বিভাগৰ দ্বাৰা আয়োজিত
সমন্বয়ক ঃ মুনুমী দত্ত

## ঘোষণা

'কেম্পাছ' নৰ্থ লখিমপুৰ মহাবিদ্যালয় প্ৰকাশনে প্ৰকাশ কৰা এখন উপলক্ষ্যমূলক কাকত। ২০১৫ চনৰ পৰা ইয়াৰ প্ৰকাশ আৰম্ভ হয়। **কাকতখনৰ চৰ্ত সম্পূৰ্ণৰূপে প্ৰকাশন সমিতিৰ।** কাকতখন মহাবিদ্যালয় প্ৰকাশনৰ সীমিত উপাৰ্জনৰ ধনেৰে সীমিত সুবিধাৰ মাজেৰে প্ৰকাশ কৰা হয়। কোনো পেচাদাৰী ব্যক্তি কাকতখনৰ লগত জড়িত নহয়। কাকতখনৰ জন্মলগ্নৰেপৰা অসমীয়া বিভাগৰ স্নাতকোত্তৰ আৰু স্নাতক শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিবেদক বা লেখক সেৱা আগবঢ়াই আহিছে। লগতে আন বিভাগৰ নিৰ্বাচিত ছাত্ৰ-ছাত্ৰীও জড়িত হৈছে। এই সকলোকে লৈ 'কেম্পাছ' পৰিয়াল। পঢ়ুৱৈসকলৰ পৰামৰ্শ, সমালোচনা তথা আন যিকোনো মন্তব্য আমাৰ কাম্য আৰু সেয়া প্ৰকাশৰো ব্যৱস্থা কৰা হ'ব। 'কেম্পাছ'ত ৰোৱা যিকোনো ভুল-ভ্ৰান্তিৰ বাবে আমি ক্ষমাপ্ৰাৰ্থী

—সম্পাদনা কক্ষ

## লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ দ্বাৰা ‘ভূমিকন্যা’ নাটক মঞ্চস্থ

**কেম্পাছ প্ৰতিনিধি ঃ** গ্ৰন্থমেলাৰ তৃতীয়টো দিনৰ সাংস্কৃতিক কাৰ্যসূচীত অংশগ্ৰহণ কৰে লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ে। উক্ত দিনা মহাবিদ্যালয়খনৰ ছাত্ৰীসকলৰদ্বাৰা মণিমালা দাস ৰচিত ‘ভূমি কন্যা’ শীৰ্ষক নাটকখন মঞ্চস্থ কৰা হয়। নাটকখন পৰিচালনা কৰে লখিমপুৰৰ যুৱ নাট্যকৰ্মী বিৰাজ বল্লভ গোস্বামীয়ে। উল্লেখ্য যে লখিমপুৰ বালিকা মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰদ্বাৰা প্ৰদৰ্শিত এই নাটকখনে ২০২৫ বৰ্ষৰ ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত সোণৰ পদক লাভ কৰিবলৈ সক্ষম হৈছিল। গ্ৰন্থমেলাৰ বাকৰিত মঞ্চস্থ হোৱা নাটকখনিৰ দৰ্শক হিচাপে দুয়োখন মহাবিদ্যালয়ৰ শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু কেইবাগৰাকী অতিথি উপস্থিত থাকে।




## ‘কাহিনী বিযুক্ত গদ্য ঃ ভাষা-সাহিত্য উত্তৰণৰ চাবিকাঠি’

### ডক্টৰ চন্দনজ্যোতি চুতীয়া

নৰ্থ লখিমপুৰ কলেজে বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা ‘গ্ৰন্থমেলা-২০২৫’-ৰ কেইবাটাও অনুষ্ঠানত উপস্থিত থকাৰ সুযোগ লাভ কৰিলোঁ। প্ৰাক্তন ছাত্ৰ হিচাপে মহাবিদ্যালয়খনৰ এনে অনুষ্ঠানত উপস্থিত থাকি সদায়ে গৰ্ব অনুভৱ কৰি আহিছোঁ। কিতাপৰ বৰ্ষতে সংগতি ৰাখি আয়োজন কৰা এইবাৰৰ গ্ৰন্থমেলাখনি প্ৰকৃত অৰ্থতে কিছু ব্যতিক্ৰম আৰু পূৰ্ণাংগ আছিল। এই গ্ৰন্থমেলাই অসমৰ সুধী সমাজলৈ নিশ্চিতভাৱে এক ইতিবাচক বাৰ্তা প্ৰেৰণ কৰাত সফল হৈ উঠিল। গ্ৰন্থমেলাৰে সংগতি ৰাখি মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন ছাত্ৰ সমাজে আয়োজন কৰা ‘অসমীয়া কাহিনীবিযুক্ত গদ্য - ঐতিহ্য আৰু ঐশ্বৰ্য’ শীৰ্ষক এক আলাপ অনুষ্ঠানৰ সঞ্চালনাৰ গুৰু দায়িত্ব এই অভাজনক অৰ্পণ কৰা হৈছিল। এই অনুষ্ঠানটিৰ সমন্বয়কৰ দায়িত্বত আছিল মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন ছাত্ৰ তথা নাহৰকটীয়া মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ডক্টৰ পৰেশ খনিকৰ। সমান্তৰালভাৱে অনুষ্ঠানটিত সমল ব্যক্তি হিচাপে উপস্থিত আছিল মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰে কেইবাজনো প্ৰাক্তন ছাত্ৰ ক্ৰমে - ডক্টৰ বিমল বসুমতাৰী, কুসুম্বৰ চেতিয়া, ডক্টৰ লক্ষ্যজিৎ বুঞাগোহাঁই, ডক্টৰ ৰূপম গগৈ আৰু দেৱাশিস বুঢ়াগোহাঁই। আটাইকেইজনেই বৰ্তমান অসমৰ বিভিন্ন মহাবিদ্যালয়ত সহকাৰী অধ্যাপক হিচাপে কৰ্মৰত হৈ আছে। ডক্টৰ ভাস্কৰ ভুঞা, বিতু বড়া, অনিতা বিশ্বশৰ্মা, ৰাজীৱ হাজৰিকা, নৰকান্ত বৰুৱা আদি কেইবাজনো প্ৰাক্তন ছাত্ৰই দৰ্শকৰ শাৰীত উপস্থিত থাকি দিহা-পৰামৰ্শৰে অনুষ্ঠানটি সাফল্যমণ্ডিত কৰি তোলাত বৰঙণি আগবঢ়ালে। কাহিনীবিযুক্ত গদ্যৰ স্বৰূপ, ঐতিহ্য আৰু ঐশ্বৰ্য, ভৱিষ্যত অধ্যয়নৰ সম্ভাৱনা, পৰিভাষা সম্পৰ্কীয় প্ৰসংগৰে আলোচনাটি সমৃদ্ধ হৈ উঠিছিল। আমি নিজেও বিষয় সম্পৰ্কীয় স্বকীয় দৃষ্টিকোণ আৰু জিজ্ঞাসা দাঙি ধৰিলোঁ। কি ক'ব পাৰিলোঁ উপস্থিত শ্ৰোতা-দৰ্শকে ক'ব, কিন্তু বক্তাসকলৰ মন্তব্যই আমাক উপকৃত কৰিলে। গ্ৰন্থমেলাৰ বাকৰিতে সন্ধিয়া পৰত আয়োজন কৰা গীত, কবিতা পাঠ আৰু অন্তৰংগ আলাপ অনুষ্ঠান এটিতো অংশগ্ৰহণ কৰিলোঁ। গীত, কবিতা শুনিলোঁ আৰু নিজেও এটা পাঠ কৰিলোঁ। বহুদিনীয়া জঠৰতাখিনি জোকাৰি সজীৱ হৈ পৰিলোঁ। প্ৰাণখুলি হাঁহিলোঁ, সতীৰ্থৰ সৈতে মনৰ কথা পাতিলোঁ। বহুদিনৰ বিৰতিত শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলক লগ পালোঁ। শিক্ষাগুৰুসকলৰ কাষত আকৌ তাহানিৰ ছাত্ৰজন হৈ পৰিলোঁ। একেই আন্তৰিকতা, একেই আশ্বাসৰ হাত। বুকুখন ভৰুণ নহৈ পাৰে! গ্ৰন্থমেলাৰ




শৃংখলাবদ্ধ পৰিৱেশ, শাৰী শাৰীকৈ সজাই থোৱা ভিন্ন বিষয়ৰ কিতাপসমূহে আমাক অনুপ্ৰাণিত কৰিলে। বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলৰ গ্ৰন্থ-প্ৰীতি, নিষ্ঠা, উদ্যম আৰু শিক্ষাগুৰুসকলৰ আন্তৰিক তত্বাৱধান আমাৰ বাবে এক শিক্ষণীয় উপহাৰ হৈ থাকিল। নতুন প্ৰজন্মক লৈ বিভিন্ন ওজৰ-আপত্তি শুনি থকাৰ সময়তে এই প্ৰজন্মটিকে আধাৰ হিচাপে লৈ আয়োজন কৰা গ্ৰন্থমেলাখনি দেখিলোঁ। দেখি বহু কথাই উপলব্ধি কৰিলোঁ। এনে বৃহৎ আয়োজনৰ সৈতে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে জড়িত প্ৰতিজন ব্যক্তিকে আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মহাবিদ্যালয়খনৰ উত্তৰোত্তৰ কামনা কৰিলোঁ।




## ‘অসমীয়া গ্ৰামোফোন ৰেকৰ্ডৰ ইতিহাস’ শীৰ্ষক কৰ্মশালা আৰু প্ৰদৰ্শনী সম্পন্ন

**কেম্পাছ প্ৰতিনিধি ঃ** ২১ মাৰ্চ, ২০২৫ তাৰিখ শুক্ৰবাৰে নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত)ৰ সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাৰ লগত সংগতি ৰাখি অসমীয়া বিভাগৰ উদ্যোগত মহাবিদ্যালয়ৰ কনফাৰেন্স হলত ‘অসমীয়া গ্ৰামোফোন ৰেকৰ্ডৰ ইতিহাস’ শীৰ্ষক এক মনোজ্ঞ অনুষ্ঠান সম্পন্ন হয়। এই অনুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকে অসমৰ এগৰাকী বিশিষ্ট সংগ্ৰাহক, শিল্পী তথা সংগীত শিক্ষক উমানন্দ দুৱৰা। তেওঁৰ লগতে তেওঁৰ সহযোগী হিচাপে উপস্থিত থাকে সৃজন মিত্ৰ। নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাৰ আয়োজক সমিতিয়ে এনেদৰে বিগত কেইবা বছৰ ধৰি গ্ৰন্থমেলাখনৰ লগত সংগতি ৰাখি বৰ্ণিল কাৰ্যসূচীৰে অসমৰ বিভিন্ন গুৰুত্বপূৰ্ণ ব্যক্তিসকলক নিমন্ত্ৰণ জনাই আলোচনা চক্ৰ বা বক্তৃতানুষ্ঠান আয়োজন কৰি আহিছে। অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ডক্টৰ অৰবিন্দ ৰাজখোৱাই



এই অনুষ্ঠানটোৰ আঁত ধৰি কয় যে ‘আপুৰুগীয়া সম্পদ গ্ৰামোফোন ৰেকৰ্ডৰ সংগ্ৰহ আৰু সংৰক্ষণ কৰা উমানন্দ দুৱৰাই অসমীয়া জাতিটোৰ প্ৰতি এক অনবদ্য অৱদান আগবঢ়াইছে।’ IQACৰ সমন্বয়ক ৰাঘৱ পৰাজুলীয়ে উদ্বোধন কৰা এই অনুষ্ঠানটোত আদৰণিসূচক দু-আষাৰ কয় মহাবিদ্যালয়ৰ অধ্যক্ষ ডক্টৰ বিমান চন্দ্ৰ চেতিয়াই। তেওঁ কয় যে ‘অসমীয়া সংগীত জগতৰ স্বৰ্ণিল ইতিহাসৰ ধ্বজাবাহক হ'ল অসমীয়া গ্ৰামোফোন ৰেকৰ্ড’। দুৱৰাই তেওঁৰ গ্ৰামোফোনৰ বিশাল আৰু মনোৰম সংগ্ৰহ সকলোৰে আগত উপস্থাপন কৰে। সমল ব্যক্তিৰ ভাষণত তেওঁ অসমীয়া গ্ৰামোফোনৰ বিষয়ে কেইবাটাও গুৰুত্বপূৰ্ণ তথ্য উল্লেখ কৰাৰ লগতে কেইবাখনো আপুৰুগীয়া গ্ৰামোফোন ৰেকৰ্ড বজাই শুনায়। ব্যতিক্ৰমী চিন্তাধাৰাৰ অধিকাৰী মৰাণহাটৰ উমানন্দ দুৱৰাই নিজৰ বাসগৃহত সংগ্ৰহ কৰি ৰাখিছে প্ৰায় পাঁচ হাজাৰ পুৰণি গ্ৰামোফোন ৰেকৰ্ড। ১৯২৪ চনৰ প্ৰফুল্ল চন্দ্ৰ বৰুৱাৰ কণ্ঠৰ প্ৰথমখন অসমীয়া গ্ৰামোফোন ৰেকৰ্ড। ১৯২৪ চনৰ পৰা ১৯৮৯ চন পৰ্যন্ত ক্ৰমে মিত্ৰদেৱ মহন্ত, আনন্দিৰাম দাস, দুৰ্গাৰাম বৰা, ভূপেন হাজৰিকা, জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা আদি বহু শিল্পীৰ প্ৰায় পাঁচ হাজাৰ বিভিন্ন অসমীয়া গ্ৰামোফোন ৰেকৰ্ড সংগ্ৰহ কৰি ৰাখিছে উমানন্দ দুৱৰাই। তেওঁ হাততেৰে চলাব পৰা গ্ৰামোফোন যন্ত্ৰৰ লগতে বিদ্যুৎচালিত গ্ৰামোফোন যন্ত্ৰলৈকে বহু প্ৰকাৰৰ গ্ৰামোফোন যন্ত্ৰৰ উপস্থাপন কৰে। দুৱৰাই ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কয় যে ‘অসমৰ সংগীত জগতৰ মাইলৰ খুঁটিস্বৰূপ প্ৰথম অসমীয়া সংগীত বাণীবদ্ধ হৈছিল এই গ্ৰামফোনতে’।

এই অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যক্ষ ডক্টৰ বিমান চন্দ্ৰ চেতিয়া, মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ অধ্যাপক অধ্যাপিকা, গৱেষক আৰু ছাত্ৰ ছাত্ৰীসকলৰ লগতে কেইবাগৰাকী অভিভাৱক উপস্থিত থাকে। এনে অনুষ্ঠানে ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক পৰিকাঠামো শক্তিশালী ৰূপত গঢ়ি তোলাত যথেষ্ট অৰিহণা যোগাইছে বুলিব পাৰি।

## গ্ৰন্থমেলাৰ বাকৰিত দুটা সুৰৰ দিন

### উমানন্দ দুৱৰা

নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত)ৰ অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াৰ পৰা এখনি নিমন্ত্ৰণী পত্ৰ পাই নৰ্থ লখিমপুৰ কলেজত গৈ উপস্থিত হৈছিলোঁ ২১ মাৰ্চ তাৰিখে। ১৮ মাৰ্চৰ পৰা ২৫ মাৰ্চলৈ আঠ দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছিল নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলা। সপ্তম বাৰ্ষিক গ্ৰন্থমেলাখনৰ উদ্যোক্তা আছিল কলেজৰ ছাত্ৰ একতা সভা আৰু অসমীয়া বিভাগ। নতুন প্ৰজন্মক অধ্যয়নশীল কৰি তোলাই গ্ৰন্থমেলাখনিৰ উদ্দেশ্য আছিল। সেইবাবে গ্ৰন্থমেলাৰ লগত সংগতি ৰাখি বৌদ্ধিক আলোচনাও অনুষ্ঠিত কৰা হৈছিল। কথাটো হ'ল ইতিহাস জানিবলৈ হ'লে আমাক তথ্য লাগিব। সেই উদ্দেশ্যে মোক তেওঁলোকে নিমন্ত্ৰণ জনাইছিল গ্ৰামোফোন ৰেকৰ্ডৰ প্ৰদৰ্শনীৰ বাবে। প্ৰদৰ্শনীৰ লগতে অসমীয়া বিভাগৰ ষষ্ঠ ষান্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এটি বক্তৃতা সমল ব্যক্তিৰূপে প্ৰদান কৰিব লগীয়া হৈছিল। এই বক্তৃতাৰ বিষয় আছিল— ‘অসমীয়া গীতৰ বাণীবন্ধনৰ ইতিহাস’।

২১ মাৰ্চ তাৰিখে মহাবিদ্যালয়ত উপস্থিত হৈ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত থাকি মই উৎসাহিত হৈ পৰিছিলোঁ। প্ৰায় ৩ ঘন্টা সময়জুৰি তেওঁলোকৰ মাজত তথ্যসহ বক্তব্য ৰাখিছিলোঁ। তেওঁলোকৰ আগ্ৰহ দেখি মোৰ মনত প্ৰশ্নৰ উদয় হৈছিল যে কেতিয়াবা আমি নতুন প্ৰজন্মৰ প্ৰতি ভুল ধাৰণা এটাহে ৰাখি থৈছো নেকি? অসমীয়া গীতৰ বাণীবন্ধনৰ ইতিহাস বিষয়টিৰ প্ৰতি থকা তেওঁলোকৰ উৎসুকতাই মোৰ মন উৎসাহিত কৰি তুলিছিল। তেওঁলোকে মনত যি সোৱাদ পাইছিল তাৰ প্ৰতি




আকৰ্ষিত হৈ দ্বিতীয় দিনা ১১ বজাৰ পৰা ৫ বজালৈকে মই শিক্ষাৰ্থীসকলৰ লগত আলোচনাত বহোঁ। ছাত্ৰ-ছাত্ৰীসকলে ধৈৰ্য্য সহকাৰে কথাবোৰ হৃদয়ংগম কৰা সময়খিনি মোৰ মনত সদায় ৰৈ যাব।

কলেজ কতৃৰ্পক্ষৰ ব্যৱস্থাপনা আৰু পৰিকল্পনাই ইমান নিয়াৰিকৈ ছাত্ৰ-ছাত্ৰী সকলৰ সহযোগত অনুষ্ঠান এটা কাৰ্যক্ষম কৰি তোলা শক্তি দেখি মই অভিভূত হৈ পৰিলোঁ। সকলোৰে মোৰ প্ৰতি আগবঢ়োৱা আতিথ্য মনত ৰাখিবলগীয়া। এনে কাৰ্যসূচীত অংশ গ্ৰহণ কৰি বহু অভিজ্ঞতা লাভ কৰি মই কৃতজ্ঞ।

# এখন অগতানুগতিক গ্ৰন্থমেলা

**মাণিক পাল**, গোৱালপাৰা




"লতা জাতীয় লাও গছবোৰে বগাই যাবলৈ শুং ব্যৱহাৰ কৰে, অৰ্থাৎ সিহঁতৰ গাৰ পৰা ওলোৱা শুংবোৰে কিবা এটা আশ্ৰয় পালেই তাত খামুচি ধৰে আৰু দ্বিতীয় এটা আশ্ৰয় বিচাৰি আগুৱাই যায়। আশ্ৰয় নোপোৱা শুংবোৰ শুকাই মৰহি যায়। কিতাপৰ প্ৰতি সহজাত অনুৰাগ লৈ ওপজা মানুহবোৰেও যদি শৈশৱ কালতে কিতাপৰ সান্নিধ্য লাভ কৰিবলৈ সুযোগ নাপায়, তেন্তে তেওঁলোকৰ কিতাপৰ প্ৰতি অনুৰাগ অকালতে শুকাই যায়" — হোমেন বৰগোহাঞিং। হোমেন বৰগোহাঞিং দেৱে কোৱা উপৰোক্ত কথাষাৰৰ মহত্ত্ব আৰু গুৰুত্ব হয়তো নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্বশাসিত) কৰ্তৃপক্ষই বাৰুকৈয়ে উপলব্ধি কৰিছে, সেয়ে হয়তো তেওঁলোকে যোৱা সাত বছৰ ধৰি কলেজ চৌহদক এক বিশেষ গ্ৰন্থমেলাৰ আয়োজন কৰি আহিছে। যি গ্ৰন্থমেলাই কলেজৰ ছাত্ৰ-ছাত্ৰীসকলক এক ইতিবাচক পৰিৱেশ প্ৰদান কৰিছে। যি পৰিৱেশে তেওঁলোকৰ সাহিত্য আৰু সাংস্কৃতিক প্ৰতিভা বিকাশৰ লগতে ব্যক্তিত্ব বিকাশতো বিশেষভাৱে সহায় কৰিছে। প্ৰথম বছৰৰপৰাই এই গ্ৰন্থমেলাৰ খবৰবোৰ সামাজিক মাধ্যমৰ জৰিয়তে পাই আহিছোঁ যদিও এইবাৰ ওচৰৰ পৰা প্ৰত্যক্ষ কৰাৰ সুযোগ পাওঁ যোৱা ২০



মাৰ্চ তাৰিখে। কাৰণ এইবাৰ কলেজ কৰ্তৃপক্ষই বিশেষকৈ মোৰ শ্ৰদ্ধাৰ অৰবিন্দ ৰাজখোৱা ছাৰে যুৱ লেখক সমাৰোহত অংশগ্ৰহণ কৰিবলৈ বিশেষভাৱে আমন্ত্ৰণ কৰে। সেই আমন্ত্ৰণ ৰক্ষা কৰিবলৈ মই যেতিয়া কলেজত গৈ উপস্থিত হওঁ তেতিয়া মই এক বিশেষ পৰিৱেশ দেখিবলৈ পাওঁ। যি পৰিৱেশ হয়তো অসমৰ আনবোৰ কলেজত দুষ্প্ৰাপ্য। দুষ্প্ৰাপ্য এই কাৰণেই কৈছোঁ কাৰণ গ্ৰন্থমেলাকে আদি কৰি সাহিত্য-সংস্কৃতিৰ লগত জড়িত সকলোবোৰ অনুষ্ঠানৰ নেতৃত্বত আছিল কলেজৰ ছাত্ৰ-ছাত্ৰীসকল। যি সময়ত বেছিভাগ কলেজীয়া ছাত্ৰ-ছাত্ৰীয়ে গুটখা আৰু ম'বাইলত ব্যস্ত থাকি নিজৰ জীৱনৰ মূল্যৱান সময়বোৰ নষ্ট কৰিছে, সেই সময়ত নৰ্থ লখিমপুৰ কলেজৰ ছাত্ৰ-ছাত্ৰীসকল ব্যস্ত হৈ আছিল গ্ৰন্থমেলাৰ দৰে এক গুৰুত্বপূৰ্ণ আৰু দায়িত্বশীল কামত। গ্ৰন্থমেলাৰ বিপণিৰপৰা আৰম্ভ কৰি সকলো কামৰ দায়িত্বত আছিল ছাত্ৰ-ছাত্ৰীসকল নিজে আৰু তেওঁলোকক নেতৃত্ব প্ৰদান কৰিছিল কলেজৰ অসমীয়া বিভাগৰ মুৰব্বী তথা সহযোগী অধ্যাপক ডক্টৰ অৰবিন্দ ৰাজখোৱাই ।

মোৰ দৃষ্টিত ধৰা পৰা গ্ৰন্থমেলাখনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দিশটো হ'ল— অনৈক্যৰ মাজত ঐক্য। আচলতে আমি প্ৰায়বোৰ গ্ৰন্থমেলাতে দেখিবলৈ পাওঁ যে প্ৰতিটো প্ৰকাশনে নিজৰ নিজৰ কিতাপৰ বিপণিবোৰ দিয়ে আৰু নিজ প্ৰকাশনৰ কিতাপ বিক্ৰীত অধিক গুৰুত্ব দিয়ে। কিন্তু এই গ্ৰন্থমেলাত ইয়াৰ ব্যতিক্ৰম দেখিবলৈ পাওঁ, কাৰণ বিভিন্ন প্ৰকাশনৰ কিতাপবোৰ আপুনি একেলগে একে ঠাইতে পাব। যদিও বিভিন্ন প্ৰকাশনৰ বাবে পৃথক বিপণি আছে কিন্তু কিতাপৰ ক্ষেত্ৰত আপুনি সেই ভিন্নতা নাপাব কাৰণ এখন বিপণিত সোমালেই আপুনি নিজৰ পছন্দমতে সকলো প্ৰকাশনৰ কিতাপ কিনিব পাৰিব। বিপণিৰ বাবে গ্ৰন্থমেলাখনত দুই ধৰণৰ ব্যৱস্থা কৰা হৈছে। মূল বিপণিখন খোলা হৈছে হেমেন্দ্ৰ কুমাৰ গগৈ প্ৰেক্ষাগৃহ 'ৰংঘৰত'। আনহাতে প্ৰকাশন অনুসৰি সৰু সৰু কিছুমান বিপণি খোলা হৈছে কলেজ চৌহদত। প্ৰকাশন অনুসৰি বিপণি থাকিলেও কিতাপৰ ক্ষেত্ৰত কিন্তু সেই ভিন্নতা নাই। সেয়ে মই ইয়াক অনৈক্যৰ মাজত ঐক্য বুলি কৈছোঁ। আটাইতকৈ আকৰ্ষণীয় দিশটো হ'ল বিপণিবোৰত বিক্ৰেতা হিচাপে আছিল কলেজৰ ছাত্ৰ-ছাত্ৰীসকল। তদুপৰি আৰু এটা কথা জানিব পাৰি মোৰ মন উৎফুল্লিত হৈ উঠে— যি সময়ত কাকত আলোচনীৰ বিক্ৰীৰ ক্ষেত্ৰত সমগ্ৰ অসমতে এক নেতিবাচক বাতাবৰণে ঢাকি ধৰিছে সেই সময়তে এইখন কলেজৰ ছাত্ৰ-ছাত্ৰীয়ে অসমৰ জনপ্ৰিয় আলোচনীবোৰৰ প্ৰায় ২০০খন আলোচনী সংগ্ৰহ কৰে প্ৰতি মাহে। এইটোৱে কলেজৰ বৌদ্ধিক উত্তৰণক প্ৰতিফলিত কৰে।

গ্ৰন্থমেলাখনৰ আন এটা গুৰুত্বপূৰ্ণ দিশ আছিল যে ইয়াত কেৱল কিতাপেই বিক্ৰী কৰি থকা হোৱা নাই। বৰঞ্চ কিতাপ বিক্ৰীৰ লগতে অসমীয়া সাহিত্য-সংস্কৃতিৰ লগত সংগতি ৰাখি বিভিন্ন অনুষ্ঠান যেনে — গ্ৰামোফোন ৰেকৰ্ডৰ প্ৰদৰ্শনী, পুৰণি ছপাশালৰ সামগ্ৰী প্ৰদৰ্শন, ঊনবিংশ শতিকাৰ ছবি প্ৰদৰ্শন, কলেজ চৌহদৰ জৈৱ-বৈচিত্ৰ্যৰ আলোক চিত্ৰৰ প্ৰদৰ্শনী, সৃষ্টিশীল সাহিত্যৰ কৰ্মশালা, 'অসমীয়া কিতাপৰ ইতিহাস' শীৰ্ষক ৰাষ্ট্ৰীয় আলোচনা চক্ৰ, যুৱ লেখক সমাৰোহ, ৰাজ্যিক যুৱ সমাৰোহ আদিৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানবোৰে স্বাভাৱিকতে ছাত্ৰ-ছাত্ৰীসকলক অসমীয়া সাহিত্য-সংস্কৃতিৰ প্ৰতি আকৰ্ষিত কৰিব। এই অগতানুগতিক গ্ৰন্থমেলাৰ যুৱ লেখক সমাৰোহত অংশগ্ৰহণ কৰিবলৈ মই ১৯ মাৰ্চ তাৰিখে ৰাতি ৮.২০ মিনিটত গুৱাহাটী ৰে'ল ষ্টেচনৰপৰা লাচিত এক্সপ্ৰেছত উঠি নৰ্থ লখিমপুৰ অভিমুখে যাত্ৰা আৰম্ভ কৰোঁ আৰু ২০ মাৰ্চত ৰাতিপুৱা ৪ বজাত গৈ নৰ্থ লখিমপুৰ ৰে'ল ষ্টেচনত উপস্থিত হওঁ। ষ্টেচনৰপৰা মোক সন্মান সহকাৰে নিবলৈ আহে নৰ্থ লখিমপুৰ কলেজৰ ছাত্ৰ ঋতুৰাজ বৰুৱাই। ষ্টেচনৰপৰা গৈ কলেজৰ গেষ্ট হাউচৰ কোঠা এটাত কিছু সময় জিৰণি লৈ গ্ৰন্থমেলাৰ বাকৰিত গৈ তাৰ পৰিৱেশ আৰু ছাত্ৰ-ছাত্ৰীৰ সক্ৰিয়তাক দেখি অভিভূত হৈ পৰোঁ। কিছুসময় বিপণিবোৰত ঘূৰি নিজৰ পছন্দৰ কিতাপবোৰ সংগ্ৰহ কৰি ১২ বজাৰ লগে লগে কলেজৰ ডিজিটেল শ্ৰেণীকোঠাত উপস্থিত হওঁ যুৱ লেখক সমাৰোহত অংশগ্ৰহণ কৰিবলৈ। সমাৰোহৰ সমন্বয়ক প্ৰাৰ্থনা দত্তই বৰ সুন্দৰকৈ অনুষ্ঠানটোৰ শুভাৰম্ভণি কৰে। সঞ্চালক হিচাপে উপস্থিত থাকে যুৱ লেখিকা তুলিকা তামুলী। সমাৰোহত উপস্থিত থকা আন যুৱ লেখক-লেখিকাসকল আছিল— অভিজিৎ গগৈ, কস্তুৰী চুতীয়া, মানস প্ৰতীম দত্ত আৰু আকাংক্ষা তামুলী। যিহেতু আলোচনাৰ বিষয়বস্তু স্ব-নিৰ্বাচিত আছিল সেয়ে মই ছাত্ৰ-ছাত্ৰীসকলক ম'বাইল আৰু কিতাপ সম্পৰ্কে ব্যাখ্যা কৰি কওঁ — "কিতাপতকৈ ম'বাইলৰ প্ৰতি আমি বেছিকৈ আকৰ্ষিত হওঁ কাৰণ ম'বাইলে আমাক সহজে আৰু লগে লগে সন্তুষ্ট কৰিব পাৰে আৰু মনে বিচৰা বস্তুবোৰ তৎক্ষণাৎ আমাৰ সন্মুখত দাঙি ধৰিব পাৰে আনহাতে কিতাপে এই কামটো তৎক্ষণাৎ বা লগে লগে কৰিব নোৱাৰে। কিন্তু দ কৈ চিন্তা কৰি চালে দেখিব এবাৰ যদি আপুনি কিতাপৰ দ্বাৰা প্ৰভাৱিত হ'ব পাৰে তেন্তে ইয়াৰ শক্তি হ'ব অকল্পনীয়। উদাহৰণস্বৰূপে আমি লুই পেষ্টিউৰৰ কথা ক'ব পাৰোঁ। কাৰণ যেতিয়া দুখ যন্ত্ৰণাই লুই পেষ্টিউৰক চাৰিওফালৰ পৰা হেঁচি ধৰিছিল তেতিয়া তেওঁ 'ছেমুৱেল স্মাইল'ৰ Self-help আৰু বোছেৰ Of the knowledge of God and of self নামৰ গ্ৰন্থদুখন পঢ়ি পুনৰ জীয়াবলৈ শিকিছিল। হেৰল্ড ব্লুমে কৈছিল, 'The deepest motive for reading should be the quest for wisdom' অৰ্থাৎ শিক্ষাৰ মূল উদ্দেশ্য হ'ব লাগে প্ৰজ্ঞান অন্বেষণ। জ্ঞান আৰু প্ৰজ্ঞা যদিও দেখাত একে কিন্তু ইহঁতৰ মাজত এক বৃহৎ পাৰ্থক্য আছে। জ্ঞান মানে হ'ল বোধ বা বিদ্যা আনহাতে প্ৰজ্ঞা মানে হ'ল তত্ত্ব জ্ঞান। জ্ঞান আহৰণৰ বাবে ম'বাইল যথেষ্ট হ'লেও প্ৰজ্ঞাৰ বাবে কিতাপ অধ্যয়ন কৰাটো বাঞ্ছনীয়। উদাহৰণস্বৰূপে— জ্ঞানে আমাক শিকায় যে বৃদ্ধ ব্যক্তি বা মহিলাগৰাকী মোৰ পিতৃ-মাতৃ আৰু প্ৰজ্ঞাই আমাক শিকায় যে আমি বৃদ্ধ পিতৃ-মাতৃক সন্মান কৰিব লাগে। কিন্তু যিজন ব্যক্তিৰ জ্ঞান হৈছে কিন্তু প্ৰজ্ঞা হোৱা নাই তেওঁ নিজৰ পিতৃ-মাতৃক বৃদ্ধ অৱস্থাত বৃদ্ধাশ্ৰমত মৰিবলৈ এৰি দিব। এইদৰে আন যুৱ লেখকসকলেও নিজৰ নিৰ্বাচিত বিষয়ৰ ওপৰত খুব সুন্দৰকৈ ছাত্ৰ-ছাত্ৰীসকলক বুজাই দিয়ে। ছাত্ৰ-ছাত্ৰীসকলেও নিজৰ মনৰ ভিতৰত উদয় হোৱা প্ৰশ্নবোৰৰ উত্তৰ যুৱ লেখকসকলৰপৰা সংগ্ৰহ কৰে। শেষত সঞ্চালক তুলিকা তামুলীৰ সাৰুৱা বক্তৃতাৰে অনুষ্ঠান সামৰা হয়। সমাৰোহৰ পাছত পুনৰ গেষ্ট হাউচৰ কোঠাত কিছু সময় জিৰণি লৈ সন্ধিয়া ৬ বজাত গৈ উপস্থিত হওঁ কলেজৰ প্ৰেক্ষাগৃহত 'ভূমি কন্যা' শীৰ্ষক নাটকখন উপভোগ কৰিবলৈ। নাটকখনত নৰ্থ লখিমপুৰ বালিকা মহাবিদ্যালয়ৰ ছাত্ৰীসকলে অসাধাৰণ অভিনয়ৰদ্বাৰা সকলো দৰ্শকৰ লগতে মোকো মোহিত কৰে। নাটকখন পৰিচালনা কৰে বিৰাজ বল্লভ গোস্বামীয়ে আৰু নাটকখন ৰচনা কৰে মণিমালা দাসে। নাটকখনৰ বিষয়বস্তু আছিল নাৰীবাদ। সীতা আৰু কুন্তীৰ দৰে আধ্যাত্মিক চৰিত্ৰৰ জৰিয়তে আধুনিক সমাজত নাৰীৰ অৱস্থাক খুব সুন্দৰকৈ প্ৰতিফলিত কৰা হৈছে নাটকখনত। এই নাটকখনে ইতিমধ্যে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয়ৰ যুৱ মহোৎসৱত সোণৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে। নাটকৰ শেষত কিছুসময় গেষ্ট হাউচৰ ৰুমত জিৰণি লৈ ৰাতি ১০:৩০ মিনিটত জীৱনৰ এটা চিৰস্মৰণীয় দিন উপভোগ কৰি ঘৰ অভিমুখে ৰাওনা হ'বলৈ পুনৰ নৰ্থ লখিমপুৰ ৰে'ল ষ্টেচনৰ পিনে ঢাপলি মেলোঁ। ৰাতিপুৱাৰ দৰে ৰাতিয়ো কলেজৰ ছাত্ৰ ঋতুৰাজ বৰুৱাই মোক ষ্টেচনলৈ এৰিবলৈ আহে। এইধৰণৰ গ্ৰন্থমেলাবোৰ যদি অসমৰ প্ৰতিখন কলেজত বছৰত এবাৰকৈ অনুষ্ঠিত কৰা হয় তেন্তে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি যে আগতকৈ অধিক শক্তিশালী, সমৃদ্ধ আৰু উন্নত হ'ব তাত কোনো সন্দেহ নাই। তদুপৰি এইটোৱে কিতাপৰ লগত জড়িত বজাৰখনৰ সৈতে ছাত্ৰ-ছাত্ৰীক পৰিচিত কৰাই এক ব্যৱসায়িক দক্ষতা বৃদ্ধি কৰিব। যিটোৱে ভৱিষ্যতে গৈ নিবনুৱা সমস্যা দূৰ কৰাতো এক ইতিবাচক প্ৰভাৱ পেলাব ।

সম্পূৰ্ণ দিনটোত কলেজৰ ছাত্ৰ-ছাত্ৰী আৰু শ্ৰদ্ধাৰ অৰবিন্দ ৰাজখোৱা ছাৰৰ লগতে ছাৰৰ পৰিয়ালে মোক যি মৰম, সন্মান আৰু যত্ন কৰিলে তাক মই কেতিয়াও পাহৰিব নোৱাৰিম। সেয়ে শেষত তেওঁলোকলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

২১ মাৰ্চৰ সন্ধিয়াৰ সাংস্কৃতিক অনুষ্ঠান



# অতীতৰ সুৰ ঃ গ্ৰামাফোন ৰেকৰ্ড আৰু অসমীয়া সংগীতৰ এটি যাত্ৰা

**ডক্টৰ ৰাঘৱ পৰাজুলী**, সহযোগী অধ্যাপক, নৰ্থ লখিমপুৰ কলেজ

২১ মাৰ্চ, ২০২৫ তাৰিখে সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাৰ লগত সংগতি ৰাখি অনুষ্ঠিত ‘অসমীয়া গ্ৰামাফোন ৰেকৰ্ডৰ ইতিহাস’ শীৰ্ষক এক অনন্য অনুষ্ঠান উদ্বোধন কৰিবলৈ মই সুযোগ লাভ কৰোঁ। অনুষ্ঠানটো অতীতৰ সুৰৰ সন্ধানৰ যেন এক অপূৰ্ব যাত্ৰা আছিল। য'ত স্বনামধন্য গ্ৰামোফোন ৰেকৰ্ড সংগ্ৰাহক তথা সংগীত সম্পদৰ সংৰক্ষক শ্ৰী উমানন্দ দুৱৰাদেৱৰ সৈতে মত বিনিময় কৰাৰ সুযোগ পাইছিলোঁ। শ্ৰী দুৱৰাদেৱে নিজৰ অবিৰত প্ৰচেষ্টা আৰু আগ্ৰহৰ জৰিয়তে মৰাণত এটি ব্যতিক্ৰমী সংগ্ৰহালয় গঢ়ি তুলিছে, য'ত তেওঁ ১৬০০তকৈ অধিক গ্ৰামাফোন ৰেকৰ্ড সংগ্ৰহ কৰি ৰাখিছে। এই সংগ্ৰহৰ মাজত ৪০০তকৈ অধিক ৰেকৰ্ড অসমীয়া গান আৰু নাটকৰ, যিয়ে তেওঁক অসমীয়া সাংস্কৃতিক ঐতিহ্যৰ সংৰক্ষকৰূপে প্ৰতিষ্ঠা কৰিছে। অনুষ্ঠানটো এক স্মৰণীয় অভিজ্ঞতাত পৰিণত হ'ল, যেতিয়া তেওঁ ১০১ বছৰ আগত ১৯২৪ চনত প্ৰথমবাৰৰ বাবে গ্ৰামোফোন ৰেকৰ্ড কৰা অসমীয়া গানটো বজাই শুনালে। এই গানটো গাইছিল প্ৰয়াত প্ৰফুল্ল চন্দ্ৰ বৰুৱাদেৱে। লগতে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা আৰু সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ প্ৰকৃত কণ্ঠ সন্নিৱিষ্ট হোৱা ‘জয়মতী’ নাটকৰ ৰেকৰ্ডিংটোও শুনিবলৈ পাই সকলো মুগ্ধ হৈ পৰিছিল। ইয়াৰ ওপৰিও ‘গছে গছে পাতি দিলে’, ‘সুৰৰে দেউলৰে’, আদি জনপ্ৰিয় অসমীয়া গীতৰ মূল ৰেকৰ্ডিং শুনিবলৈ পাই সকলো নষ্টালজিক হৈ পৰে। দুৱৰাদেৱে হাৰমনিয়ামত ‘গছে গছে পাতি দিলে’ গীতটি বৰ্তমানৰ প্ৰচলিত সুৰত উপস্থাপন কৰাৰ লগতে সকলোকে দেখুৱালে যে কিদৰে সময়ৰ লগত এই গীতসমূহৰ সুৰ পৰিৱৰ্তন হৈছে। ছাত্ৰ-ছাত্ৰীসকলে গ্ৰামোফোন ৰেকৰ্ডৰ প্ৰযুক্তিগত দিশসমূহ জনাৰ লগতে ৰেকৰ্ডসমূহৰ সংৰক্ষণ সম্পৰ্কেও বহু মূল্যৱান জ্ঞান লাভ কৰাৰ সুযোগ পাইছিল। এই অভিজ্ঞতা কেৱল ছাত্ৰ-ছাত্ৰীসকলৰ বাবেই নহয়। উপস্থিত সকলোৰে বাবে এক নতুন অনুভৱ আছিল। শ্ৰী উমানন্দ দুৱৰাদেৱৰ এই অবিৰত প্ৰয়াসৰ বাবে অসমবাসী চিৰদিন তেওঁৰ ওচৰত কৃতজ্ঞ হৈ থাকিব। এই অনুষ্ঠান কেৱল এটি অনুষ্ঠান নহৈ অতীতৰ সুৰ-সংস্কৃতিৰ যাত্ৰাৰ স্থাপন কৰিব পৰা এক অনন্য অভিজ্ঞতা আছিল।



## অনুষ্ঠানত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীৰ মতামত

**বৰষা জ্যোতি শইকীয়া ঃ** সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলা আঠদিনীয়া কাৰ্যসূচীৰে সম্পন্ন হয়। গ্ৰন্থমেলাখনৰ সৈতে সংগতি ৰাখি অনুষ্ঠিত কৰা অনুষ্ঠানসমূহত অসমৰ বিভিন্ন ক্ষেত্ৰত সমৃদ্ধি প্ৰদান কৰা বহুকেইজন সমলব্যক্তিৰ উপস্থিতিয়ে প্ৰতিটো অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে। গ্ৰন্থমেলাৰ প্ৰত্যেকটো দিনতেই কেইবাটাও বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। তাৰ ভিতৰত অন্যতম হৈছে ‘গ্ৰামোফোন ৰেকৰ্ডৰ প্ৰদৰ্শনী আৰু কৰ্মশালা’ শীৰ্ষক অনুষ্ঠান। গ্ৰন্থমেলাৰ চতুৰ্থ দিনা অৰ্থাৎ মাৰ্চ মাহৰ ২১ আৰু ২২ তাৰিখে গ্ৰামোফোন ৰেকৰ্ডৰ প্ৰদৰ্শনীৰ লগতে অসমীয়া পুৰণি সংগীতৰ এখনি কৰ্মশালা সমাপন হয়। উক্ত কৰ্মশালাৰ সমল ব্যক্তি হিচাপে আমন্ত্ৰণ কৰি অনা হৈছিল গ্ৰামোফোন ৰেকৰ্ডৰ সংগ্ৰাহক, শিল্পী উমানন্দ দুৱৰাক। উল্লেখ্য যে দুৱৰা বহুবছৰ ধৰি এই ক্ষেত্ৰখনৰ সৈতে জড়িত হৈ থাকি পুৰণি অসমীয়া সংগীতৰ ক্ষেত্ৰখনক নতুন ৰূপ দিবলৈ সক্ষম হোৱাৰ লগতে নৱ-প্ৰজন্মক এইসমূহৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ ক্ষেত্ৰতো ব্যক্তিগতভাৱে প্ৰচেষ্টা চলাই আহিছে। তেওঁৰ সংৰক্ষণ কৰি ৰখা এই সমলসমূহে অসমীয়া সংগীতৰ ঐতিহ্য ধৰি ৰাখিবলৈ সক্ষম হৈছে। উমানন্দ দুৱৰা সংগীত জগতৰ এনে এজন সচেতন ব্যক্তি যিয়ে ১০১বছৰ গৰকা গ্ৰামোফোন ৰেকৰ্ডত বাণীবদ্ধ হোৱা প্ৰথম ৰেকৰ্ড ব্যক্তিগত সংগ্ৰাহালয়ত সংৰক্ষণ কৰি ৰাখিছে। এই সংগ্ৰহালয়ে অসমৰ সংগীত আৰু গ্ৰামোফোন ৰেকৰ্ডৰ ইতিহাস সংৰক্ষণ আৰু প্ৰচাৰত বিশেষ ভূমিকা পালন কৰি আহিছে।

ব্যক্তিগতভাৱে সংগীত ভাল পোৱা বাবে এই অনুষ্ঠানটোৰ প্ৰতি তীব্ৰ আকৰ্ষণ অনুভৱ কৰিছিলোঁ। এই আপাহতে দুয়োটা দিনেই উক্ত কৰ্মশালাখনিত প্ৰত্যক্ষভাৱে অংশগ্ৰহণ কৰিছিলোঁ। কৰ্মশালাখনিত উপস্থিত থাকি অসমীয়া সংগীতৰ ইতিহাস সম্পৰ্কে জ্ঞাত হোৱাৰ উপৰি গ্ৰামোফোনৰ বিভিন্ন নজনা কথা জানিব পাৰিলোঁ। তেওঁ আমাক প্ৰথম ১৯২৪ চনত গ্ৰামোফোন ৰেকৰ্ডত বাণীবদ্ধ হোৱা প্ৰফুল্ল চন্দ্ৰ বৰুৱাদেৱৰ ‘ফুলো ফুলিলে জোনায়ে হাঁহিলে, বাঁহীয়ে বজালে টান’ আৰু ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ নিজৰ মাতেৰে বাণীবদ্ধ হোৱা ‘গছে গছে পাতি দিলে’ শীৰ্ষক গীতসমূহ বজাই শুনাইছিল। এই অনুষ্ঠানটোৱে গ্ৰামোফোনৰ বিভিন্ন যন্ত্ৰসমূহৰ লগত পৰিচয় কৰাই দিয়াৰ লগতে ভাৰতবৰ্ষত গ্ৰামোফোন সম্পৰ্কীয় ইতিহাস আৰু ইয়াৰ সংৰক্ষণৰ লগত জড়িত গুৰুত্বপূৰ্ণ দিশ সম্পৰ্কে জনাত সহায় কৰে।

**বৰ্ষা গগৈ ঃ** বিভিন্ন ধৰণৰ ব্যতিক্ৰমী বিষয়বস্তুৰে আৰম্ভ হোৱা সপ্তম সংখ্যক নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাই মোক এইবাৰ নতুন জ্ঞানেৰে সমৃদ্ধ কৰিলে। গ্ৰন্থমেলাৰ প্ৰত্যেকটো দিনৰ সমল ব্যক্তি হিচাপে বিভিন্নজন ব্যক্তিৰ সান্নিধ্যই নতুন ধৰণে উপকৃত কৰিলে। তেনে এগৰাকী ব্যক্তি হৈছে উমানন্দ দুৱৰা ছাৰ। ২১ মাৰ্চত তেওঁ আমাক গ্ৰামোফোনৰ ইতিহাস সম্পৰ্কে পৰিচয় কৰাই দিয়ে। ২২ মাৰ্চৰ দিনৰ ১০ বাজি ৩০ মিনিটৰপৰা সন্ধিয়া ৫.৩০ বজালৈ নৰ্থ লখিমপুৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ ষষ্ঠ যান্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলে অসমীয়া গ্ৰামোফোন ৰেকৰ্ডৰ ইতিহাস শীৰ্ষক অনুষ্ঠানত ভাগ লয়। তেওঁ আমাক ১৯২৪ চনত প্ৰথম গ্ৰমোফোনত ৰেকৰ্ড কৰা গীতসমূহৰ ইতিহাস সম্পৰ্কে ব্যক্ত কৰাৰ লগতে পৰৱৰ্তী সময়ৰ সংগীতৰ গতি-প্ৰকৃতি সম্পৰ্কেও আমাৰ আগত কয়। কথাৰ মাজে মাজে পৰিৱেশটো জীপাল কৰি ৰাখিবলৈ তেওঁ গীতসমূহ শুনোৱাৰ ব্যৱস্থাও কৰিছিল, যাৰ জৰিয়তে আমি সেই সময়ত ৰেকৰ্ড কৰা বহুতো গানৰ প্ৰকৃত কণ্ঠ শুনিবলৈ সুযোগ লাভ কৰিলোঁ। ইয়াৰ উপৰি ১৯২৪ চনত ৰেকৰ্ড হোৱা এটি অতি সুন্দৰ গীত ‘ফুলো ফুলিলে জোনায়ে হাঁহিলে’ গীতটি আমাক গাবলৈ শিকাই দিয়ে।

এনেদৰে গ্ৰন্থমেলাৰ জৰিয়তে বহুতো নজনা কথা জনাৰ লগতে এজন অতি সন্মানীয় ব্যক্তিক ওচৰৰ পৰা লগ পাবলৈ সুবিধা দিয়াৰ বাবে অসমীয়া বিভাগৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

## স ং ক্ষে পে

### বিভিন্ন কলেজৰ মত বিনিময় অনুষ্ঠান

গ্ৰন্থমেলাৰ বাকৰিত ২২ মাৰ্চ তাৰিখে বিভিন্ন কলেজৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত এক মত বিনিময় অনুষ্ঠান সম্পন্ন হয়। এই অনুষ্ঠান নৰ্থ বেংক কলেজ, নাহৰকটীয়া কলেজ, লখিমপুৰ বালিকা মহাবিদ্যালয়, কে চি দাস কমাৰ্চ কলেজ আদি কলেজে ভাগ লয়।



### শিৱনাথ বৰ্মন স্মাৰক বক্তৃতা পৰিকল্পনা

গ্ৰন্থমেলাৰ বাকৰিত ২১ মাৰ্চ তাৰিখে নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে এক বিশেষ বৈঠক অনুষ্ঠিত কৰে। এই বৈঠকত প্ৰয়াত ডক্টৰ শিৱনাথ বৰ্মনৰ স্মৃতিত এটা বাৰ্ষিক বক্তৃতা অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত লয়। প্ৰয়াত বৰ্মনৰ পত্নীৰ আহ্বানক্ৰমে এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। উদ্যোগ ল'ব বিভিন্ন কলেজ, বিশ্ববিদ্যালয়ত অধ্যাপনা কৰি থকা অসমীয়া বিভাগৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে।




### আকাশবাণী ডিব্ৰুগড়ৰ ‘অন্তৰা’ অনুষ্ঠান

আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ ‘অন্তৰা’ অনুষ্ঠানৰ সৌজন্যত সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাত কেন্দ্ৰ কৰ্মকৰ্তাসকলে বিভিন্ন ব্যক্তিৰ সাক্ষাৎ গ্ৰহণ কৰে। কেন্দ্ৰ পৰা কলেজলৈ অহা দলটোৰ সদস্যসকল হ'ল—পৰশা কোঁৱৰ (অনুষ্ঠান কাৰ্যবাহী, আকাশবাণী ডিব্ৰুগড়), শ্ৰীময়ী বৰদলৈ, নিৰ্মালী শইকীয়া, আৰু সন্তোষ ঠাকুৰ। তেওঁলোকে গ্ৰন্থমেলাৰ বাকৰিত বিভিন্ন পঢ়ুৱৈৰ সাক্ষাৎ গ্ৰহণ কৰে আৰু সেইসমূহ পৰৱৰ্তী সময়ত ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ ‘অন্তৰা’ অনুষ্ঠানত প্ৰচাৰ কৰে। তেওঁলোকৰ ভিতৰত কলেজৰ অধ্যক্ষ ডক্টৰ বিমান চন্দ্ৰ চেতিয়া, শৈক্ষিক সমন্বয়ক বাণী কান্ত কোঁৱৰ, অসমীয়া বিভাগৰ মুৰব্বী ডক্টৰ অৰবিন্দ ৰাজখোৱা, গৱেষক শোভাকৃষ্ণ ফুকন, প্ৰাক্তন ছাত্ৰ দেৱাশিস বুঢ়াগোহাঁই, ছাত্ৰ উদ্ধন তামুলী ফুকন, দীপাংকৰ গোহাঁই, পৰিস্মৃতা ওজা, আকাংক্ষা তামুলী, বিবেকানন্দ গগৈ আদি অন্যতম।





### নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগ আৰু নাহৰকটীয়া কলেজৰ অসমীয়া বিভাগৰ মাজত বুজাবুজিৰ চুক্তি সম্পন্ন

গ্ৰন্থমেলাৰ মূল মঞ্চত ২৩ মাৰ্চ তাৰিখে নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগ আৰু নাহৰকটীয়া কলেজৰ বিভাগৰ মাজত এখন বুজাবুজিৰ চুক্তি সম্পন্ন হয়। শৈক্ষিক আৰু গৱেষণামূলক কামৰ আদান প্ৰদানৰ বাবে এই চুক্তি সম্পন্ন কৰা হৈছে। নাহৰকটীয়া কলেজৰ প্ৰতিনিধি হিচাপে অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ডক্টৰ পৰেশ খনিকৰ উপস্থিত থাকে।

## অসমীয়া বিভাগৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ সাংস্কৃতিক অনুষ্ঠান

**কেম্পাছ প্ৰতিনিধি ঃ** মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে গ্ৰন্থমেলাৰ চতুৰ্থ দিনাৰ সাংস্কৃতিক অনুষ্ঠানটোৰ আয়োজন কৰে। অনুষ্ঠানটো আঁত ধৰে অসমীয়া বিভাগৰ প্ৰাক্তন ছাত্ৰ তথা নাহৰকটীয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° পৰেশ খনিকৰে। অসমৰ গ্ৰামোফোন ৰেকৰ্ডৰ বিশিষ্ট সংগ্ৰাহক আৰু সংৰক্ষক উমানন্দ দুৱৰাই অনুষ্ঠানটোৰ শুভাৰম্ভ কৰে। তেওঁ কেইবাটাও আপুৰুগীয়া অসমীয়া গীত পৰিৱেশন কৰে আৰু গীতসমূহৰ লগত জড়িত কিছুমান আকৰ্ষণীয় তথ্য দৰ্শকসকলৰ আগত ব্যক্ত কৰে। পৰৱৰ্তী সময়ত কেইবাগৰাকী অধ্যাপক, প্ৰাক্তন আৰু বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীৰদ্বাৰা গীত, কবিতা আবৃত্তি, অভিনয় আদি প্ৰদৰ্শিত হয়। কবিতা আবৃত্তি কৰে ক্ৰমে, দৰ্শন বিভাগৰ মুৰব্বী ড° বৰ্ণালী বৰা, অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপক ড° ৰাতুল কুমাৰ লাহন, প্ৰাক্তন ছাত্ৰী তুলিকা তামুলী, প্ৰাক্তন ছাত্ৰ তথা মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° চন্দনজ্যোতি চুতীয়া, অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° ধীৰাজ পাটৰ, প্ৰাক্তন ছাত্ৰ তথা গুৱাহাটা বিশ্ববিদ্যালয়ৰ গৱেষক নৰকান্ত বৰুৱা, প্ৰাক্তন ছাত্ৰ ৰিণ্টু শইকীয়া আৰু প্ৰাক্তন ছাত্ৰ তথা কে. চি. দাস কমাৰ্চ কলেজৰ সহকাৰী অধ্যাপক দেৱাশিস বুঢ়াগোহাঁয়ে। উল্লেখ্য যে অনুষ্ঠানটোত জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা অসমৰ বিশিষ্ট কবি ড° জ্যোতিৰেখা হাজৰিকা উপস্থিত থাকে। তেওঁ গ্ৰন্থমেলাৰ জৰিয়তে মহাবিদ্যালয়ত সৃষ্টি হোৱা বৌদ্ধিক তথা সাংস্কৃতিক পৰিৱেশটোৰ শলাগ লয় আৰু ‘সীতাৰ মালিতা’ শীৰ্ষক স্বৰচিত কবিতাটো আবৃত্তি কৰে। অনুষ্ঠানটোত গীত পৰিৱেশন কৰে অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক মুন্‌মী দত্ত, গৱেষক শোভাকৃষ্ণ ফুকন আৰু স্নাতকোত্তৰ দ্বিতীয় যান্মাসিকৰ ছাত্ৰী বৈষ্ণৱী বৰুৱাই। মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন ছাত্ৰ তথা বিকালী মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° ৰূপম গগৈয়ে নাটকৰ সংলাপ পৰিৱেশনেৰে সকলোকে মোহিত কৰে। অসমীয়া বিভাগৰ শিক্ষক,ছাত্ৰ-ছাত্ৰী আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰদ্বাৰা বিহু প্ৰদৰ্শনেৰে চতুৰ্থ দিনাৰ সাংস্কৃতিক অনুষ্ঠানৰ সামৰণি পৰে।




### ৰাষ্ট্ৰীয় আলোচনা-চক্ৰত সমল ব্যক্তি হিচাপে বিশিষ্ট প্ৰকাশক অনন্ত হাজৰিকাৰ অংশগ্ৰহণ

গ্ৰন্থমেলাৰ বাকৰিত নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগ আৰু অসম সাহিত্য সভাৰ গৱেষণা সংস্থানে আয়োজন কৰা ‘অসমীয়া কিতাপৰ ইতিহাস’ শীৰ্ষক ৰাষ্ট্ৰীয় আলোচনা-চক্ৰত বিশিষ্ট পুথি প্ৰকাশক তথা বনলতাৰ স্বত্বাধিকাৰী অনন্ত হাজৰিকাই সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে। লগতে প্ৰকাশক মণীষ হাজৰিকাও উপস্থিত থাকে।




# ৰাষ্ট্ৰীয় আলোচনা সত্ৰৰ উদ্বোধনী অনুষ্ঠান

## অধ্যাপক ৰঞ্জিৎ কুমাৰ দেৱ গোস্বামীৰ বীজ ভাষণ প্ৰদান

## ক্ষীৰোদ কুমাৰ গোস্বামী, অনন্ত হাজৰিকাৰ অংশগ্ৰহণ

**কেম্পাছ প্ৰতিনিধি ঃ** অসম চৰকাৰে ২০২৫ বৰ্ষক কিতাপৰ বৰ্ষ হিচাপে পালন কৰাৰ কথা ঘোষণা কৰিছে। অসমীয়া কিতাপৰ ইতিহাস যথেষ্ট বৰ্ণিল। গ্ৰন্থমেলাৰ সৈতে সংগতি ৰাখি অসম সাহিত্য সভাৰ প্ৰাচ্যবিদ্যাৰ্ণৱ ডক্টৰ মহেশ্বৰ নেওগ অসমতত্ত্ব গৱেষণা সংস্থা, লখিমপুৰ বালিকা মহাবিদ্যালয় আৰু নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ উদ্যোগত আয়োজিত 'অসমীয়া কিতাপৰ ইতিহাস' শীৰ্ষক আলোচনা চক্ৰ অনুষ্ঠিত হয়। হেমেন্দ্ৰ কুমাৰ গগৈ প্ৰেক্ষাগৃহত অনুষ্ঠিত ৰাষ্ট্ৰীয় আলোচনা চক্ৰৰ উদ্বোধনী অনুষ্ঠানৰ আঁত ধৰে অসমীয়া বিভাগৰ মুৰব্বী ডক্টৰ অৰবিন্দ ৰাজখোৱাই। অনুষ্ঠানটোত উদ্বোধক হিচাপে উপস্থিত থাকে মহাবিদ্যালয়ৰ অধ্যক্ষ ডক্টৰ বিমান চন্দ্ৰ চেতিয়া। ডক্টৰ চেতিয়াই উদ্বোধনী ভাষণত আলোচনা চক্ৰৰ বিষয়টো যে যথেষ্ট গুৰুত্বপূৰ্ণ সেই মত প্ৰকাশ কৰাৰ লগতে বিষয়টোৰ তাৎপৰ্য সম্পৰ্কেও কিছু বক্তব্য ৰাখে। এই অনুষ্ঠানত সভাপতিৰ আসন গ্ৰহণ কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ডক্টৰ বিমান চন্দ্ৰ চেতিয়াই। লগতে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে বিশিষ্ট প্ৰকাশক ক্ষীৰোদ কুমাৰ গোস্বামী আৰু অনন্ত হাজৰিকা। অনুষ্ঠানটোত বীজ ভাষণ



প্ৰদান কৰে বিশিষ্ট লেখক, অধ্যাপক ৰঞ্জিৎ কুমাৰ দেৱ গোস্বামীয়ে। তেখেতে ঊনবিংশ শতিকা আৰু বিংশ শতিকাৰ কিতাপসমূহৰ বিষয়ে এটি তথ্যসমৃদ্ধ আৰু মনোগ্ৰাহী বক্তৃতা প্ৰদান কৰে। অসমৰ নৱ জাগৰণত এই কিতাপসমূহৰ অৱিহণা সম্পৰ্কে তেওঁ বিশদভাৱে আলোচনা কৰে। অসমীয়া কিতাপৰ বৰ্ণিল ইতিহাসত অৱদান আগবঢ়োৱা কেইবাগৰাকীও ব্যক্তিৰ প্ৰসংগও তেখেতে উল্লেখ কৰে। বিশেষকৈ হেমচন্দ্ৰ গোস্বামী, পি আৰ টি গৰ্ডন আৰু আশুতোষ মুখাৰ্জী আদিৰ ভূমিকা অবিহনে যে অসমীয়া গ্ৰন্থৰ ইতিহাস সম্পূৰ্ণ নহয় সেই বিষয়ে তেওঁ বিৱৰি কয়। বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা আন এগৰাকী ব্যক্তি বনলতা প্ৰকাশনৰ স্বত্বাধিকাৰী অনন্ত হাজৰিকাই বনলতা প্ৰকাশনৰ ইতিহাস সম্পৰ্কে এটি মনোৰম ভাষণ প্ৰদান কৰে। লগতে তেওঁ নৰ্থ লখিমপুৰ কলেজত গ্ৰন্থমেলা আয়োজনৰ যি প্ৰচেষ্টা তাৰ শলাগ লয়। ইয়াৰ পিছতে লখিমপুৰ বালিকা মহাবিদ্যালয়ৰ অধ্যক্ষ ডক্টৰ সুৰজিত ভূঞাই শলাগসূচক মন্তব্য প্ৰদান কৰাৰ লগতে উদ্বোধনী অনুষ্ঠানৰ অন্ত পৰে।

অলোচনা সত্ৰৰ লগত সংগতি ৰাখি প্ৰথম কাৰিকৰী সত্ৰত সমল ব্যক্তিৰূপে ডক্টৰ জ্যোতিৰেখা হাজৰিকা আৰু সমন্বয়ক ডক্টৰ পৰেশ খনিকৰৰ তত্ত্বাৱধানত ডিজিটেল শ্ৰেণীকোঠাত আলোচনা পত্ৰসমূহ পাঠ কৰা হয়।




পৰৱৰ্তী কাৰ্যক্ৰম হিচাপে ডিজিটেল শ্ৰেণীকোঠা, হেমেন্দ্ৰ কুমাৰ গগৈ প্ৰেক্ষাগৃহ, অসমীয়া বিভাগৰ ১, ২, আৰু ৩ নং কোঠাকে ধৰি মুঠ পাঁচটা স্থানত অনুষ্ঠিত হোৱা আলোচনা সত্ৰসমূহৰ সঞ্চালনা কৰে ক্ৰমে ডক্টৰ আৰাধনা পটংগীয়া গোস্বামী, ডক্টৰ জোনালী বৰুৱা, ডক্টৰ স্বাতী কিৰণ, ডক্টৰ বিজু মৰাণ, ডক্টৰ ধনৰঞ্জন কলিতা, ডক্টৰ বৰ্ণালী বৰা, ডক্টৰ নন্দিতা দত্ত, ডক্টৰ লক্ষ্যজিৎ বুঢ়াগোহাঁই, ডক্টৰ দীপকজ্যোতি মহন্তই। আলোচনা সত্ৰসমূহত তেওঁলোকৰ সৈতে সমন্বয়ক হিচাপে উপস্থিত থাকে ডক্টৰ পৰেশ খনিকৰ, ভৃগুত্তম বৰা, ডক্টৰ ৰূপম গগৈ, ৰাজীৱ হাজৰিকা, তুলিকা তামুলী আৰু দেৱাশিস বুঢ়াগোহাঁই। ইয়াৰ উপৰি উক্তদিনা ডক্টৰ জ্যোতিষ্মান দাস সমল ব্যক্তিৰূপে উপস্থিত থকা অনলাইন সত্ৰটো প্ৰায় ৪৫খনৰো



অধিক অলোচনা পত্ৰ পাঠ কৰা হয়। ২২মাৰ্চ তাৰিখে অনুষ্ঠিত ৰাষ্ট্ৰীয় আলোচনা সত্ৰত ১৫০ৰো অধিক গৱেষকে তেওঁলোকৰ আলোচনা পত্ৰসমূহ অনলাইন আৰু অফলাইন যোগে পাঠ কৰাৰ জৰিয়তে এই আলোচনা সত্ৰৰ প্ৰথম দিনৰ কাৰ্যক্ৰমৰ সফল সামৰণি হয়।

# ইন্দিৰা মিৰি ছাত্ৰী নিৱাসৰ সাংস্কৃতিক অনুষ্ঠান সম্পন্ন

**কেম্পাছ প্ৰতিনিধি ঃ** গ্ৰন্থমেলাৰ পঞ্চমটো দিনত মহাবিদ্যালয়ৰ ইন্দিৰা মিৰি ছাত্ৰী নিৱাসৰদ্বাৰা 'মন্দাকিনী'শীৰ্ষক এটি স্মাৰক অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানটোৰ সমন্বয়কৰ দায়িত্বত থাকে ইন্দিৰা মিৰি ছাত্ৰী নিৱাসৰ অধীক্ষক ড° অৰ্চনা হাজৰিকা। অনুষ্ঠানটোৰ আঁত ধৰে আৱাসটোৰ আৱাসী লাইলী বুঢ়াগোঁহাই আৰু বৰ্ণালী গগৈয়ে। আৰম্ভণিতে ইন্দিৰা মিৰিৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰা হয় আৰু অনুষ্ঠানটোৰ দৰ্শক হিচাপে উপস্থিত থকা মহাবিদ্যালয়ৰ শিক্ষকসকলক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। 'মন্দাকিনী' অনুষ্ঠানটো উদ্বোধন কৰে মহাবিদ্যালয়ৰ শৈক্ষিক সমন্বয়ক বাণীকান্ত কোঁৱৰে। ইন্দিৰা মিৰি ছাত্ৰী নিৱাসৰ আৱাসী পপী বৰাই এটি বৰগীত পৰিৱেশনেৰে সাংস্কৃতিক অনুষ্ঠানটোৰ শুভাৰম্ভ কৰে। পৰৱৰ্তী সময়ত কেইবাগৰাকী আৱাসীয়ে গীত, নৃত্য, কবিতা আবৃত্তি আদি পৰিৱেশনেৰে দৰ্শকসকলক মোহিত কৰে। আৱাসী কংকনা কোঁৱৰ, ডালিমী শইকীয়া আৰু প্ৰিয়া ভূঞাই এককভাৱে গীত পৰিৱেশন কৰে। প্ৰিঞ্চিপ্ৰিয়া শইকীয়াই সত্ৰীয়া নৃত্য, চয়নিকা বৰুৱাই বিহু নৃত্য আৰু উজশ্ৰী খনিকৰ, প্ৰতীক্ষা বৰা আৰু গীতিমল্লিকা সোনোৱালে সৃষ্টিশীল নৃত্য প্ৰদৰ্শন কৰে। তদুপৰি আৱাসীসকলৰদ্বাৰা অনুষ্ঠানটোত দলীয় নৃত্যও প্ৰদৰ্শিত হয়। অনুষ্ঠানটোত কেইবাগৰাকী ছাত্ৰীয়ে কবিতা আবৃত্তি কৰে। তেওঁলোক ক্ৰমে, জয়শ্ৰী গিৰি, নিশিতা গগৈ আৰু লাইলী বুঢ়াগোঁহাই। গ্ৰন্থমেলাৰ লগত সংগতি ৰাখি ইন্দিৰা মিৰি ছাত্ৰী নিৱাসৰ আৱাসী পৰিস্মৃতা চাংমায়ে গ্ৰন্থ আৰু গ্ৰন্থমেলা বিষয়ক এটি বক্তৃতা প্ৰদান কৰে। 'মন্দাকিনী' অনুষ্ঠানটোত মণিকুন্তলা ভট্টাচাৰ্যৰ বাঁহী উপন্যাসৰ আধাৰত লাইলী বুঢ়াগোঁইৰ ৰচনা আৰু পৰিচালনাৰে 'ত্ৰম্বক' শীৰ্ষক এখনি নাট মঞ্চস্থ কৰা হয়। অনুষ্ঠানটোৰ শেষৰফালে ইন্দিৰা মিৰি ছাত্ৰী নিৱাসৰ আৱাসীসকলে অসমৰ থলুৱা আৰু জনজাতীয় বাদ্য-যন্ত্ৰেৰে সুৰ-সমলয় পৰিৱেশন কৰে।




এইবাৰ গ্ৰন্থমেলাত অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে চাহ, আইচক্ৰীম, ঘুগুনী আদিৰ দোকানৰ ব্যৱস্থা কৰে।

# ৰাষ্ট্ৰীয় আলোচনা সত্ৰৰ দ্বিতীয় দিনৰ কাৰ্যক্ৰম

## মুখ্য অতিথি বিশিষ্ট সাহিত্যিক ইছমাইল হোছেইন

**কেম্পাছ প্ৰতিনিধি ঃ** 'অসমীয়া কিতাপৰ ইতিহাস' শীৰ্ষক ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা সত্ৰখনি অসম সাহিত্য সভাৰ প্ৰাচ্যবিদ্যাৰ্ণৱ মহেশ্বৰ নেওগ অসমতত্ব গৱেষণা সংস্থা, লখিমপুৰ বালিকা মহাবিদ্যালয়ৰ অসমীয়া বিভাগ আৰু নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ উদ্যোগত আয়োজিত হয়। আলোচনা-সত্ৰৰ দ্বিতীয় দিনৰ আৰম্ভণি অনুষ্ঠানটি মহাবিদ্যালয়ৰ হেমেন্দ্ৰ কুমাৰ গগৈ প্ৰেক্ষাগৃহত পুৱা ১০ বজাত অনুষ্ঠিত হয়। অনুষ্ঠানটোত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে বিশিষ্ট লেখক, লোক সংস্কৃতিৰ গৱেষক ইছমাইল হোছেইন। নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ মুৰব্বী ডক্টৰ অৰবিন্দ ৰাজখোৱাই আঁত ধৰা অনুষ্ঠানটোত উদ্বোধনী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ ডক্টৰ বিমান চন্দ্ৰ তেতিয়াই। মুল ভাষণত ইছমাইল হোছেইনে অসমীয়া ছপা কিতাপৰ ইতিহাস সম্পৰ্কে এটি তথ্যসমৃদ্ধ বক্তৃতা প্ৰদান কৰে। উনবিংশ শতিকাৰ অসমৰ নৱজাগৰণত অসমীয়া গ্ৰন্থ, ছপাশাল আদিৰ অৱদান সম্পৰ্কে তেওঁ গভীৰভাৱে বিশ্লেষণ আগবঢ়ায়। বক্তৃতাটিৰ জৰিয়তে তেওঁ কেইবাটাও নতুন তথ্য পূৰ্বে আলোচনা নোহোৱা তথ্য উল্লেখ কৰে। প্ৰসংগক্ৰমে তেওঁ নৰ্থ লখিমপুৰ কলেজৰ গ্ৰন্থ অধ্যয়নৰ যাত্ৰাৰ পৰিৱেশটোক শলাগ লয়। প্ৰসংগত তেওঁ কয় যে একৈশ শতিকাৰ নৱজাগৰণক গতি প্ৰদান কৰাত নৰ্থ লখিমপুৰ কলেজৰ পৰিৱেশটোৱে অৰিহণা যোগাব পাৰে। অনুষ্ঠানৰ শেষত ডক্টৰ অৰবিন্দ ৰাজখোৱাই মূল বক্তৃতাৰ আঁত ধৰি অসমৰ নৱজাগৰণৰ লগত জড়িত কেইবাগৰাকী ব্যক্তিৰ বিষয়ে উল্লেখ কৰি বিষয়টো সম্পৰ্কত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰসংগ ব্যাখ্যা কৰে। বিয়লি ১২ বজাৰপৰা চাৰিটা স্থানত আলোচনা সত্ৰসমূহ আৰম্ভ হয়। ডিজিটেল কোঠাত অনুষ্ঠিত আলোচনা সত্ৰৰ সমল ব্যক্তি হিচাপে উপস্থিত থাকে বিশিষ্ট লেখক, সংস্কৃতিবিদ, গৱেষক ইছমাইল হোছেইন। এই সত্ৰৰ সমন্বয়ক ভৃগুত্তম বৰাই আঁত ধৰা অনুষ্ঠানটিত গৱেষণা পত্ৰ পাঠ কৰা অংশগ্ৰহণকাৰীসকল ক্ৰমে - প্ৰণীতা কাকতি আৰু হিৰণ্য কুমাৰ বৰা; সুৰেশ দেৱনাথ, মানস হাজৰিকা আৰু দিব্যলক্ষী সেনাপতি; আকাংক্ষা তামুলী, শিল্পী চুতীয়া, দিব্যশিখা দেৱী, প্ৰাৰ্থনা বৰা আৰু যিমাশ্ৰী ফুকন; পৰশমণি গগৈ, দিপাঞ্জলী নাথ আৰু পৰিস্মিতা বৰা; বৰষাজ্যোতি শইকীয়া আৰু বৰষা গগৈ; ভাগৰী দাস, ৰাজীৱ হাজৰিকা, গিতামণি ডেকা, চিৰঞ্জীৱ গগৈ আৰু মৃদুস্মিতা বৰা; নিলোৎপল কলিতা, লীজা লাহন, তৰালী পায়েং, প্ৰতীক্ষা কলিতা, শান্তা গগৈ আৰু পল্লৱী গগৈ, লক্ষ্যজ্যোতি বৰুৱা আৰু দিব্যজ্যোতি শইকীয়া। এই সত্ৰত মুঠ ২৮ গৰাকী গৱেষকৰ ২২খন গৱেষণা পত্ৰৰ আলোচনা হয়।

অসমীয়া বিভাগৰ ১ নং কোঠাত অনুষ্ঠিত সত্ৰত সমল ব্যক্তি হিচাপে উপস্থিত থাকে দুলিয়াজান কলেজৰ সহকাৰী অধ্যাপক ডক্টৰ লক্ষ্যজিত বুঢ়াগোহাঁই। উক্ত কোঠাৰ আলোচনা সত্ৰত সমন্বয়ক কংকনা বাৰিকে আঁত ধৰা অনুষ্ঠানটিত গৱেষণা পত্ৰ উপস্থাপন কৰা অংশগ্ৰহণ কৰা গৱেষকসকল ক্ৰমে- জ্যোস্মিতা বৰবৰা, প্ৰতীক্ষা গগৈ, শিল্পী চুতীয়া, মুন চুতীয়া আৰু লীনা গগৈ, সুদৰ্শনা বৰা আৰু পূজা বৰা, ধৰিত্ৰী চুতীয়া, মানস ফুকন, মনীষা শইকীয়া, হিমাদ্ৰী বৰুৱা, অংকিতা বৰা আৰু গৰিয়সী বৰুৱা, জুবিন শইকীয়া, মানস প্ৰতীম ভূঞা, অৰুণিমা হাজৰিকা আৰু গৰিমা হাজৰিকা, গীতামনি কোঁছ, বৰষা দিহিঙীয়া আৰু দেৱাশ্ৰী গগৈ, শিখামণি সোণোৱাল আৰু সংগীতা হাজৰিকা, ইউৰিনা ৰাজকোঁৱৰ আৰু বিদিশা দত্ত। উক্ত সত্ৰত ২৩গৰাকী গৱেষকৰ ১৭খন গৱেষণা পত্ৰ আলোচনা হয়।

অসমীয়া বিভাগৰ ২ নং কোঠাত অনুষ্ঠিত সত্ৰত সমল ব্যক্তি হিচাপে উপস্থিত থাকে নৰ্থ লখিমপুৰ বালিকা মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক কুসুম্বৰ চেতিয়া। উক্ত সত্ৰৰ সমন্বয়ক অসীম শইকীয়াই আঁত ধৰা সত্ৰত গৱেষণা পত্ৰ উপস্থাপন কৰা অংশগ্ৰহণকাৰীসকল ক্ৰমে - হিমাংশু শইকীয়া আৰু দেৱশ্ৰী শইকীয়া, মনালিছা বৰপাত্ৰ, পিংকী চেলেং, দীপশিখা শইকীয়া, সন্ধ্যা সোণোৱাল, নিতাঞ্জলী দাস, কল্পনা বৰা, বিথিকা লাহন, গৰিমা হাজৰিকা, মমী গোস্বামী, নিহাৰিকা শইকীয়া, অংকুৰাণী দত্ত, সৰ্বানী উপাধ্যায়, জাহ্নৱী কলিতা, নৱনীতা সোণোৱাল, ৰুবী দাস, ধনমাই পেগু, ধৰিত্ৰী শইকীয়া। উক্ত সত্ৰত ১৯গৰাকী গৱেষকৰ ১৮খন গৱেষণা পত্ৰ আলোচনা হয়।

অসমীয়া বিভাগৰ ৩ নং শ্ৰেণীকোঠাত অনুষ্ঠিত কাৰ্যকৰী সত্ৰত সমল ব্যক্তি হিচাপে উপস্থিত থাকে লখিমপুৰ বালিকা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক স্বপ্নালী বৰগোহাঁই। নাহৰকটীয়া মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ডক্টৰ পৰেশ খনিকৰে আঁত ধৰা সত্ৰত মুঠ ২৯গৰাকী গৱেষকে গৱেষণাপত্ৰ উপস্থাপন কৰে।

অসমৰ ভিন্ন স্থানৰপৰা অহা গৱেষকসকলৰ সক্ৰিয় অংশগ্ৰহণে 'অসমীয়া কিতাপৰ ইতিহাস' শীৰ্ষক আলোচনা চক্ৰক অনন্য মাত্ৰা প্ৰদান কৰে। উল্লেখযোগ্য যে অনলাইন মাধ্যমৰ যোগেদিও বহু গৱেষকে গৱেষণা পত্ৰ পাঠ কৰে। নৰ্থ লখিমপুৰ কলেজৰ সহকাৰী অধ্যাপক, লোক সংস্কৃতিৰ গৱেষক ডক্টৰ ধীৰাজ পাটৰ আৰু তেজপুৰ বিশ্ববিদ্যালয়ৰ অতিথি অধ্যাপক ভাস্কৰ ভূঞা সমল ব্যক্তি হিচাপে উপস্থিত থকা অনলাইন কাৰ্যকৰী সত্ৰত ২৫খন গৱেষণা পত্ৰ উপস্থাপন হয়।






# কবীন ফুকন সোঁৱৰণী সদৌ অসম ভিত্তিত কুইজ প্ৰতিযোগিতা

## 'স্মৃতিধাৰা অসম'ৰ পৃষ্ঠপোষকতা

**কেম্পাছ প্ৰতিনিধি ঃ** স্মৃতিধাৰা অসম আৰু নৰ্থ লখিমপুৰ কলেজ প্ৰকাশনৰ যৌথ উদ্যোগত সপ্তম নৰ্থ লখিমপুৰ গ্ৰন্থমেলাৰ সৈতে সংগতি ৰাখি ইংৰাজী ২৩ মাৰ্চ ২০২৫ তাৰিখে অধ্যাপক কবীন ফুকন সোঁৱৰণী সদৌ অসম ভিত্তিক এখন কুইজ প্ৰতিযোগিতা সম্পন্ন হয়। অসমীয়া গ্ৰন্থ-আলোচনী বিষয়ক মুকলি কুইজখনত ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ ত্ৰিশটাৰো অধিক দলে অংশগ্ৰহণ কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ডক্টৰ বিমান চন্দ্ৰ চেতিয়াই উদ্বোধন কৰা প্ৰতিযোগিতাখনিৰ আৰম্ভণি অনুষ্ঠানত লখিমপুৰ কেন্দ্ৰীয় মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহযোগী অধ্যাপক ডক্টৰ কমলেশ্বৰ হাজৰিকাই



অধ্যাপক কবীন ফুকনৰ জীৱন আৰু কৃতিৰ বিষয়ে আলোকপাত কৰে। সাহিত্য অকাডেমী বঁটাপ্ৰাপক কবি, অনুবাদক, সমালোচক ফুকনৰ সৃষ্টিৰাজিৰ বিষয়ে তেওঁ বিশদ ব্যাখ্যা আগবঢ়ায়। নৰ্থ লখিমপুৰ কলেজৰ অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপক ডক্টৰ ৰাতুল কুমাৰ লাহনে পৰিচালনা কৰা কুইজ প্ৰতিযোগিতাখনত মুঠ সাতটা ৰাউণ্ডৰ প্ৰতিযোগিতাৰ শেষত নগাঁৱৰ অনুজ শংকৰ দেৱনাথ আৰু তেজপুৰৰ বিক্ৰমদ্বীপ ডেকাৰ দলে প্ৰথম স্থান, ধেমাজীৰ চিৰঞ্জীৱ শইকীয়া আৰু বিশ্বজ্যোতি দাসৰ দলে দ্বিতীয় স্থান আৰু শিৱসাগৰৰ সাগৰ শৰ্মা আৰু নাহৰকটীয়াৰ মনোজ বৰুৱাৰ দলে তৃতীয় স্থান লাভ কৰে। স্থানপ্ৰাপ্ত দলসমূহক নগদ ধন আৰু প্ৰমাণপত্ৰৰে পুৰস্কৃত কৰাৰ লগতে চূড়ান্ত পৰ্যায়লৈ উন্নীত আন তিনিটা দলকো নগদ ধনৰে পুৰস্কৃত কৰা হয়। একমাত্ৰ অসমীয়া গ্ৰন্থ আৰু আলোচনীকে বিষয় হিচাপে লৈ আয়োজন কৰা অসমৰ প্ৰথমখন মুকলি কুইজ হিচাপে পৰিগণিত হোৱা কুইজখনলৈ ৰাজ্যখনৰ বিভিন্ন স্তৰৰ লোকৰ মাজত উৎসাহ দেখিবলৈ পোৱা গৈছিল বুলি প্ৰতিযোগিতাখনৰ সমন্বয়কে জানিবলৈ দিয়াৰ লগতে প্ৰতিযোগিতাখনৰ পৃষ্ঠপোষকতা কৰা স্মৃতিধাৰা অসমলৈ কৃতজ্ঞতা জ্ঞাপন কৰে।




এইবাৰৰ গ্ৰন্থমেলাত বিশিষ্ট প্ৰকাশক তথা যদুমণি ছপাখানা আৰু পুথিতীৰ্থ প্ৰকাশনৰ স্বত্বাধিকাৰী ক্ষীৰোদ কুমাৰ গোস্বামীয়ে বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে। তেওঁ নিজৰ সংগ্ৰহত থকা ছপাশালৰ ভালেমান পুৰণি সামগ্ৰী আনি প্ৰদৰ্শনৰ ব্যৱস্থা কৰে।

# এগৰাকী কুইজ প্ৰতিযোগীৰ অনুভৱ

### অব্যক্ত নিৰ্বাণ ৰাজখোৱা

নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাৰ বাবে প্ৰতি বছৰেই আগ্ৰহেৰে বাট চাই থকা হয়। তাতোকৈ বেছি আগ্ৰহ থাকে গ্ৰন্থমেলাত পৰম্পৰাগতভাৱে অনুষ্ঠিত হৈ অহা কুইজ প্ৰতিযোগিতাখনৰ বাবে। এই বছৰ সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাত অনুষ্ঠিত কবীন ফুকন সোঁৱৰণী কুইজ প্ৰতিযোগিতাখন যোৱা কেইবাবছৰৰ সকলোবোৰ কুইজ প্ৰতিযোগিতাতকৈ ডাঙৰ আৰু উচ্চ মানদণ্ডৰ আছিল। সমগ্ৰ অসমৰপৰা প্ৰতিযোগিতাখনত অংশ লবলৈ অহা ৩১টা দলৰ পৰা প্ৰাৰম্ভিক পৰ্যায়ত উত্তীৰ্ণ হৈ মই আৰু মোৰ সংগী বিবেকানন্দ দাদাই পঞ্চম স্থান লাভ কৰিবলৈ সক্ষম হৈছিলোঁ।

অসমৰ কেইবাগৰাকীও বিখ্যাত কুইজ মাষ্টাৰৰ লগতে বহুতো বিজ্ঞ-অভিজ্ঞ লোকে কুইজত অংশ লবৰ বাবে দূৰ-দূৰণিৰ পৰা আহি গ্ৰন্থমেলাত উপস্থিত হৈছিল। কুইজখনত শেষৰ ফালে এক প্ৰচুৰ প্ৰতিদ্বন্দ্বিতামূলক পৰিৱেশ সৃষ্টি হৈছিল যাক আমি ক'বলৈ গ'লে উপভোগ কৰিছিলোঁ। কুইজখন যিহেতু গ্ৰন্থমেলাৰ বাকৰিত অনুষ্ঠিত হৈছিল, ইয়াত সাধাৰণ জ্ঞানতকৈ অসমীয়া গ্ৰন্থ বিষয়ক প্ৰশ্নক অগ্ৰাধিকাৰ দিয়া হৈছিল, যি কিছু সময়ত মোৰ বাবে প্ৰত্যাহ্বান হৈ পৰিছিল। কিন্তু এইটো স্বীকাৰ কৰিবই লাগিব যে সঞ্চালক ৰাতুল কুমাৰ লাহন ছাৰে অত্যন্ত গুৰুত্বপূৰ্ণ আৰু আকৰ্ষণীয় প্ৰশ্ন বাছি উলিয়াইছিল আৰু সেইদিনা এক অনন্য অভিজ্ঞতা লাভ কৰাৰ লগতে বহুতো নজনা কথা জানিবলৈ পালোঁ।

# গ্ৰন্থমেলাৰ বাকৰিত যোগেন টাইড সোঁৱৰণী কবি সন্মিলন

**কেম্পাছ প্ৰতিনিধি ঃ** সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাৰ ষষ্ঠ দিনাৰ সন্ধিয়া গ্ৰন্থমেলাৰ মুকলি মঞ্চত অসমৰ খ্যাত প্ৰখ্যাত বিভিন্ন কবিৰ উপস্থিতিৰে অনুষ্ঠিত হয় যোগেন টাইড সোঁৱৰণী এখনি কবি সন্মিলন। ঘুণাসুঁতি যোগেন টাইড অনুৰাগী সমাজৰ সহযোগত অনুষ্ঠিত এই কবি সন্মিলনখনিৰ আঁত ধৰে নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত)ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ডক্টৰ ধীৰাজ পাটৰ আৰু অৰ্থনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ডক্টৰ ৰাতুল কুমাৰ লাহনে। এই কবি সন্মিলনখন সঞ্চালনা কৰে নৰ্থ লখিমপুৰ কলেজৰ অধ্যক্ষ ডক্টৰ বিমান চন্দ্ৰ চেতিয়াই। বিশিষ্ট বাঁহীবাদক ডক্টৰ তিলেশ্বৰ কামানৰ বাঁহী পৰিৱেশনৰে কবি




সন্মিলনখনিৰ উদ্বোধন কৰা হয়। এই অনুষ্ঠানতে নৰ্থ লখিমপুৰ কলেজৰ অধ্যক্ষ তথা কবি ডক্টৰ বিমান চন্দ্ৰ চেতিয়াৰ 'সোণাৰি ঘাটত নদী' নামৰ এখনি কবিতাৰ সংকলন উন্মোচন কৰা হয়। গ্ৰন্থখন উন্মোচন কৰে অসমৰ অন্যতম প্ৰতিষ্ঠিত কবি তথা আবৃত্তি বিষয়া প্ৰশান্ত সাগৰ চাংমায়ে। ইয়াৰ পৰৱৰ্তী কাৰ্যসূচী হিচাপে অনুষ্ঠিত হয় কবিতা পাঠৰ অনুষ্ঠান। উপস্থিত কবিসকলৰ কবিতা পাঠেৰে অনুষ্ঠানটো জীপাল হৈ পৰে। অনুষ্ঠানটোত উপস্থিত থাকি কৌশিক কিশলয়, লুইত কিৰণ দাস, দেৱৰাজ মিলি, জিতেন নৰহ, প্ৰজ্ঞা পাৰ্মিতা বৰুৱা, কবিশ্মা হাজৰিকা, বৈদ্যব্ৰাইট বুঢ়াগোহাঁই, হেমচন্দ্ৰ কছাৰী, মুকুট গগৈ, ত্ৰিবঞ্জন টাইড, কল্যাণী চক্ৰৱৰ্তী গগৈ, পংকজ সভাপণ্ডিত, হাফিজা বেগম, বিপুল জ্যোতি শইকীয়া, শ্যামন্ত পায়েং, নিৰ্মল কোঁৱৰ আদিকে ধৰি মুঠ ৩৬জন কবিয়ে কবিতা পাঠ কৰে। অনুষ্ঠানটোৰ শেষত আত ধৰোঁতা ৰাতুল কুমাৰ লাহনে শলাগৰ শৰাই আগবঢ়ায় আৰু লগতে এটি স্বৰচিত কবিতা পাঠ কৰে। ইয়াৰ পিছতে সঞ্চালক বিমান চন্দ্ৰ চেতিয়াই অনুষ্ঠানটিত উপস্থিত সকলোলৈকে কৃতজ্ঞতা জনাই কবি সন্মিলনখনিৰ সামৰণি ঘোষণা কৰে।

# সৃষ্টিশীল সাহিত্যৰ কৰ্মশালা

**কেম্পাছ প্ৰতিনিধি ঃ** সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাৰ লগত সংগতি ৰাখি নৰ্থ লখিমপুৰ কলেজ ছাত্ৰ একতা সভাৰ সাহিত্য আৰু আলোচনী শাখাৰ উদ্যোগত এখনি সৃষ্টিশীল সাহিত্যৰ কৰ্মশালা ২৪ মাৰ্চ ২০২৫ ৰ পৰা ২৫ মাৰ্চ ২০২৫লৈ অনুষ্ঠিত হয়। কৰ্মশালাখনিত সমল ব্যক্তি হিচাপে উপস্থিত থাকে প্ৰসিদ্ধ ঔপন্যাসিক তথা গল্পকাৰ, আধুনিক অসমীয়া সাহিত্যৰ ধাৰাটোক অন্যতম ৰূপত গঢ়ি তোলা সাহিত্যিক অনুবাদক, শিশু সাহিত্যিক তথা চিত্ৰ নাট্যকাৰ হিচাপে খ্যাতি অৰ্জন কৰা জয়ন্ত মাধৱ বৰা। কৰ্মশালাখনিৰ আঁত ধৰে সাহিত্য আৰু আলোচনী সম্পাদক শৰৎ শইকীয়াই। উদ্বোধক হিচাপে উপস্থিত থাকে মহাবিদ্যালয়ৰ শৈক্ষিক সমন্বয়ক বাণীকান্ত কোঁৱৰ। কৰ্মশালাখনিৰ সঞ্চালকৰ দায়িত্ব ভাৰ পালন কৰে মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ সহকাৰী অধ্যাপক তথা সাহিত্য আৰু আলোচনী শাখাৰ তত্বাবধায়ক ডক্টৰ বৰ্ণালী বৰাই। সৃষ্টিশীল সাহিত্যৰ সমল ব্যক্তি জয়ন্ত মাধৱ বৰাই অতি সাৱলীলভাৱে সাহিত্য সৃষ্টিৰ অনুকৰণীয় দিশবোৰ উপস্থাপন কৰাৰ লগতে পাঠক সৃষ্টিৰ প্ৰয়োজনীয়তাৰ সম্পৰ্কে মন্তব্য আগবঢ়ায়। তেওঁ কয়, 'এটা গল্পৰ মাজত বাৰ্তা থাকিব লাগিব, বক্তব্য থাকিব লাগিব, যাতে সেই গল্পই পাঠকক চুই যাব পাৰে।' চুটিগল্পত পাঠকক মোহাচ্ছন্ন কৰিব পৰা নাটকীয়তা থাকিব লাগিব। আৰম্ভণিৰপৰা শেষলৈকে পাঠকক গল্পটোৱে ধৰি ৰাখিব পাৰিব লাগিব। সাহিত্যৰ নিৰ্মাণ কৰা হয়, এটি সন্তানৰ দৰে লালন পালন কৰি সৃষ্টি কৰা হয় ভাল সাহিত্য। তেওঁ কয় জ্ঞানপীঠ বঁটাৰে সন্মানিত হোৱা বিশিষ্ট কবি নীলমণি ফুকনে এটা কবিতা সম্পূৰ্ণ কৰিবলৈ এটা উপযুক্ত শব্দৰ অন্বেষণত এবছৰ কাল ৰৈছিল। ২৪ মাৰ্চ ২০২৫ দিনৰ ১১ বজাৰ পৰা মহাবিদ্যালয়ৰ কনফাৰেন্স হলত অনুষ্ঠিত হোৱা এই কৰ্মশালাখনিৰ মাজতে মহাবিদ্যালয়ৰ অধ্যক্ষ ডক্টৰ বিমান চন্দ্ৰ চেতিয়া, অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ডক্টৰ অৰবিন্দ ৰাজখোৱা, অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপক ডক্টৰ ৰাতুল কুমাৰ লাহনৰ উপস্থিতিত মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ যোগানন্দ বৰগোহাঁই স্মাৰক সদৌ অসম ভিত্তিক আন্তঃ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় চুটিগল্প আৰু কবিতা প্ৰতিযোগিতাৰ বঁটা সমূহ প্ৰদান কৰা হয়। এই প্ৰতিযোগিতা কবিতাৰ শাখাত প্ৰথম স্থান লাভ কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ দেৱাশিস বৰা, দ্বিতীয় স্থান লাভ কৰে জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ দিম্পীমনি বৰুৱা আৰু তৃতীয় স্থান লাভ কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ চিৰঞ্জীৱ সন্দিকৈয়ে। এই শিতানত বিচাৰকৰ বিশেষ বঁটা লাভ কৰে নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত)ৰ দেৱকান্তবৰুৱা আৰু হেমপ্ৰভা বৰবৰা ছোৱালী মহাবিদ্যালয়ৰ নিহাৰিকা নাথে। চুটি গল্পৰ শিতানত প্ৰথম স্থান লাভ কৰে কটন বিশ্ববিদ্যালয়ৰ মৃদুস্মিতা ভট্টাচাৰ্য, দ্বিতীয় স্থান লাভ কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ চিৰঞ্জীৱ সন্দিকৈ আৰু তৃতীয় স্থান লাভ কৰে দেৱৰাজ বয় মহাবিদ্যালয়ৰ সঞ্জয় কুৰ্মীয়ে। এই শিতানত বিচাৰকৰ বিশেষ বঁটা লাভ কৰে ক্ৰমে নৰ্থ লখিমপুৰ কলেজৰ ৰাহিদুল ইছলাম আৰু আকাংক্ষা তামুলী, খেৰাজখাত মহাবিদ্যালয়ৰ প্ৰকাশ দত্ত, দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ কল্পনা বৰা আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শচীন বৰুৱাই।



দ্বিতীয় দিনা দিনৰ ১১ বজাৰ পৰা পুনৰ কৰ্মশালাখনি আৰম্ভ হয়। প্ৰায় ৫০জন মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী, অধ্যাপক-অধ্যাপিকাৰ লগতে লখিমপুৰৰ আন বহু কেইজন সাহিত্যানুৰাগীয়ে এই কৰ্মশালাখনিত অংশগ্ৰহণ কৰে। দ্বিতীয় দিনা অংশগ্ৰহণ কৰা বহু কেইজন ছাত্ৰ ছাত্ৰী আৰু অধ্যাপক অধ্যাপিকাই এটিকৈ চুটি গল্প প্ৰস্তুত কৰি আনি সমল ব্যক্তি জয়ন্ত মাধৱ বৰা দেৱক চাবলৈ দিয়ে আৰু তেওঁ প্ৰতিটো গল্পৰ বৈ যোৱা ভুলবোৰ আঙুলিয়াই দিয়ে। বহু কেইজন অংশগ্ৰহণ কৰা ছাত্ৰ ছাত্ৰী আৰু অধ্যাপক অধ্যাপিকাই এনে অনুষ্ঠান অনুষ্ঠিত কৰি সাহিত্যানুৰাগীসকলক এই সুবিধা দিয়াৰ বাবে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ লগতে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাহিত্য আৰু আলোচনী শাখাক ধন্যবাদ জ্ঞাপন কৰে। শেষত নৰ্থ লখিমপুৰ কলেজ ছাত্ৰ একতা সভাৰ সাহিত্য আৰু আলোচনী শাখাৰ তৰফৰ পৰা সকলো অংশগ্ৰহণকাৰীক অংশগ্ৰহণৰ প্ৰমাণ পত্ৰ সমল ব্যক্তি জয়ন্ত মাধৱ বৰাৰ হাততৰে প্ৰদান কৰা হয়। কৰ্মশালাখনিৰ শেষত সাহিত্য আৰু আলোচনী সম্পাদক শৰৎ শইকীয়াই শলাগৰ শৰাই আগবঢ়ায়। শেষত কৰ্মশালা খনিৰ সঞ্চালক ডক্টৰ বৰ্ণালী বৰাৰ মন্তব্যৰে কৰ্মশালাখনিৰ অন্ত পৰে।

# সৃষ্টিশীল সাহিত্যৰ কৰ্মশালাই মনৰ দুৱাৰ খুলি দিলে

## শিল্পী চুতীয়া

সাহিত্যই মোৰ জীৱনত এক গভীৰ প্ৰভাৱ পেলাইছে। জীৱনৰ বিভিন্ন অভিজ্ঞতা আৰু মানসিক অৱস্থাৰ প্ৰতিফলন সাহিত্যৰ মাজেৰে অনুভৱ কৰোঁ। উজনি অসমৰ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ বৃহত্তৰ অঞ্চলৰ সকলোতকৈ পুৰণি আৰু অগ্ৰণী উচ্চ শিক্ষা অনুষ্ঠান হৈছে নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত)। অসমৰ প্ৰথমখন স্বায়ত্তশাসিত মৰ্যাদাৰ অধিকাৰী নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগ অন্যান্য মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ৰ তুলনাত গতিশীল আৰু কিছু ব্যতিক্ৰম। ২০২০ চনত মই অসমীয়া বিভাগৰ স্নাতক প্ৰথম ষান্মাসিকত নামভৰ্তি কৰাৰে পৰা নৰ্থ লখিমপুৰ কলেজৰ গ্ৰন্থমেলা অনুষ্ঠিত কৰি অহা দেখিবলৈ পাইছোঁ। বিগত বৰ্ষৰ দৰে ২০২৫ চনৰ সপ্তম নৰ্থ লখিমপুৰ কলেজৰ গ্ৰন্থমেলা মাৰ্চৰ ১৮ তাৰিখৰপৰা ২৫ তাৰিখলৈকে অনুষ্ঠিত হয়। গ্ৰন্থমেলাৰ প্ৰথমদিনা অসমীয়া সাহিত্য জগতৰ এগৰাকী বিশিষ্ট লেখক য়েছে দৰজে ঠৈছিয়ে অনুষ্ঠানৰ শুভ উদ্বোধন কৰে। নৰ্থ লখিমপুৰ কলেজৰ গ্ৰন্থমেলা উপলক্ষে বিভিন্ন অনুষ্ঠান অনুষ্ঠিত কৰা হয়। সেইসমূহ হৈছে— বৌদ্ধিক উত্তৰণত অনুবাদৰ ভূমিকা, নেচাৰ্চ বেকন আৰু অসমীয়া বিভাগৰ উদ্যোগত আলোচনা-চক্ৰ আৰু কৰ্মশালা, প্ৰাক্তন আলোচনী সম্পাদকৰ সন্মিলন, যুৱ লেখক সমাৰোহ, চলচ্চিত্ৰ প্ৰদৰ্শন, সাংস্কৃতিক অনুষ্ঠান, নাট প্ৰদৰ্শন, অসমীয়া গ্ৰামোফোন ৰেকৰ্ডৰ ইতিহাস, ৰাষ্ট্ৰীয় আলোচনা-চক্ৰৰ অনুষ্ঠান, সৃষ্টিশীল সাহিত্য লিখনৰ কৰ্মশালা ইত্যাদি।

২৪ মাৰ্চ, সোমবাৰে নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাৰ সপ্তম দিনাৰ প্ৰথম কাৰ্যসূচী হিচাপে দিনৰ ১০ বজাৰপৰা মহাবিদ্যালয়ৰ কনফাৰেন্স হলত সাহিত্য আৰু আলোচনা শাখা, নৰ্থ লখিমপুৰ কলেজ ছাত্ৰ একতা সভাৰ আয়োজনত সৃষ্টিশীল সাহিত্যৰ এখন কৰ্মশালা অনুষ্ঠিত হয়। এই কৰ্মশালাখনি দুদিনীয়াকৈ আয়োজন কৰা হৈছিল। কৰ্মশালাখনৰ আঁত ধৰে ছাত্ৰ একতা সভাৰ সাহিত্য আৰু আলোচনী সম্পাদক শৰৎ শইকীয়াই। এই অনুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকে অসমৰ বিশিষ্ট ঔপন্যাসিক, গল্পকাৰ জয়ন্ত মাধৱ বৰা। বৰ্ণালী বৰাই সঞ্চালনা কৰা এই কৰ্মশালাখনৰ উদ্বোধনী ভাষণ প্ৰদান কৰে নৰ্থ লখিমপুৰ কলেজৰ শৈক্ষিক সমন্বয়ক বাণীকান্ত কোঁৱৰে। সমল ব্যক্তি জয়ন্ত মাধৱ বৰাই মূল ভাষণত সৃষ্টিশীল সাহিত্যৰ লিখন সম্পৰ্কীয় বহুকেইটা গুৰুত্বপূৰ্ণ দিশ উপস্থাপন কৰে। তেওঁ সৃজনীমূলক সাহিত্য সম্পৰ্কে মত প্ৰকাশ কৰে যে— 'সাহিত্য বা শিল্প যি স্ৰষ্টাজনৰ নিজৰ সৃষ্টি, সিয়েই সৃজনীমূলক সাহিত্য।' সৃজনীমূলক সাহিত্য নিৰ্মাণৰ বাবে কেতবোৰ গুৰুত্বপূৰ্ণ কাৰণ তেওঁ প্ৰকাশ কৰে। তদুপৰি জয়ন্ত মাধৱ বৰাই এনে কৰ্মশালা অনুষ্ঠিত কৰাৰ দুটা কাৰণ নিৰ্দেশ কৰে এনেদৰে— ৰুচিশীল পৰিৱেশ গঢ় দিয়া আৰু পাঠকৰ সৃষ্টি আৰু মাতৃভাষাৰ শুদ্ধ ব্যৱহাৰৰ প্ৰতি মন কৰা। ইয়াৰোপৰি অসমীয়া ভাষাত বানান ভুল হোৱাৰ কাৰণ সম্পৰ্কেও তেওঁ বহুকেইটা প্ৰসংগ উল্লেখ কৰে। সেই কাৰণসমূহৰ ভিতৰত তেওঁ শুদ্ধকৈ উচ্চাৰণ নকৰা, ব্যাকৰণ নপঢ়া আৰু অভিধান নপঢ়াৰ কথা বিশেষভাৱে প্ৰকাশ কৰিছে। সৃজনীমূলক সাহিত্যৰ বিভিন্ন প্ৰকাৰ যেনে ঃ গল্প, উপন্যাস আৰু কবিতা সম্পৰ্কে তেওঁ সুন্দৰভাৱে বৰ্ণনা কৰিছিল। তেওঁৰ বক্তব্যৰ জৰিয়তে আমি প্ৰকৃততে গল্প নিৰ্মাণ কৰোঁ নে লিখোঁ এই সম্পৰ্কে জানিবলৈ সক্ষম হ'লো। গল্প আৰু উপন্যাসৰ মাজত থকা মিল আৰু অমিলসমূহ তেওঁ উদাহৰণসহকাৰে দেখুওৱাই দিয়ে। তেওঁ কয় যে গল্প এটা নিৰ্মাণ কৰিবৰ বাবে আৰম্ভণি নাটকীয় হ'ব লাগে আৰু পাঠকক আকৰ্ষণ কৰিব পৰা বাক্য থাকিব লাগে। লগতে কাহিনীটো নাটকীয় হ'ব লাগে আৰু ভাষাৰ ক্ষেত্ৰত কাব্যিকতা থাকিব লাগে এনেধৰণে তেওঁ আমাক গল্প আৰু উপন্যাস লিখিবলৈ পৰামৰ্শ দিয়ে। একেদৰে নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাৰ শেষবটো দিন ২৫ তাৰিখে পুনৰ জয়ন্ত মাধৱ বৰা ছাৰৰ লগত আমি কৰ্মশালাত লগ হওঁ। পুৱা ১১ বজাৰপৰা ছাৰে গল্প আৰু উপন্যাস সম্পৰ্কে বহুলাই আলোচনা আগবঢ়ায়। তেওঁ আমাৰ সকলো ছাত্ৰ ছাত্ৰীয়ে নিৰ্মাণ কৰা গল্প আৰু উপন্যাস নিৰীক্ষণ কৰে। গল্প আৰু উপন্যাস নিৰ্মাণ কৰিলে হোৱা ভুলসমূহ দেখুৱাই দিয়ে। জয়ন্ত মাধৱ বৰা ছাৰ যেন আমাৰ লগত বহুদিনৰে চিনাকি তেনেদৰে ছাৰে আমাৰ লগত হাঁহি ধেমালিৰে কৰ্মশালাৰ অনুষ্ঠানটো আগবঢ়াই লৈ গৈছিল। এই কৰ্মশালাৰপৰা বহু কথা জানিবলৈ সক্ষম হ'লো। সৃষ্টিশীল সাহিত্য কৰ্মশালাখনৰ আগতে যদি হাতত কলম তুলি লৈ থমকি ৰৈ থাকিব লগা হৈছিল কিন্তু সেইদিনাৰপৰা বৰা ছাৰৰ উপদেশসমূহৰপৰা আমি থমকি ৰ'ব লগা হোৱা নাই। বৰা ছাৰৰ এই কৰ্মশালাৰপৰা ন লেখকৰ সৃষ্টি হ'ব আৰু নতুন পাঠকৰ সংখ্যা বাঢ়িব। তেওঁৰ সহায় আৰু উৎসাহৰ বাবে মই আন্তৰিকভাৱে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। কৰ্মশালাখনৰ পৰা বহুতো নজনা কথা শিকিব পাৰিলোঁ। বৰা ছাৰৰ অনুপ্ৰেৰণাই আমাৰ জীৱনত গভীৰ প্ৰভাৱ পেলাইছে।



# নৰ্থ লখিমপুৰ কলেজ সাহিত্য উৎসৱ ঃ গতানুগতিকতাৰ বিপৰীতে এক ব্যতিক্ৰমী অনুশীলন

ড° বৰ্ণালী বৰা, সহযোগী অধ্যাপক, দৰ্শন বিভাগ

সাহিত্যিক নহওঁ যদিও নিজকে অসাহিত্যিক বুলিও গণ্য কৰিব নোখোজোঁ। কাৰণ সাহিত্যৰ বাবে ৰুচিশীল লেখকৰ যিদৰে প্ৰয়োজন, ৰুচিসম্পন্ন পাঠকৰো প্ৰয়োজন আছে বুলি ভাবো। নিজকে সাহিত্যৰ এগৰাকী অনুৰাগী ব্যক্তি বুলি ভাবো আৰু কম সংখ্যক গ্ৰন্থ অধ্যয়ন কৰিও এগৰাকী ৰুচিশীল পাঠকৰ শাৰীত নিজকে বহুৱাব খোজো। কিবা সৌভাগ্যৰ বলত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাহিত্য আৰু আলোচনী শাখাৰ তত্বাৱধায়ক হিচাপে দায়িত্ব গ্ৰহণ কৰিবলগীয়া হোৱাত সাহিত্য বিষয়ক কেতবোৰ অনুষ্ঠানৰ




প্ৰত্যক্ষ অংশীদাৰ হৈছিলোঁ আৰু তেনে এক অনুষ্ঠান আছিল সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলা। বিগত বৰ্ষসমূহত মহাবিদ্যালয়ত অনুষ্ঠিত কেইবাখনো গ্ৰন্থমেলাৰ বিবিধ আয়োজনৰ দৰ্শক, শ্ৰোতা, ক্ৰেতা আৰু কোনো কোনো ক্ষেত্ৰত দুই এটা অনুষ্ঠানৰ পৰিচালনাৰ লগত সক্ৰিয়ভাৱে জড়িত হৈ আছিলোঁ যদিও এইবাৰৰ আয়োজন আছিল সম্পূৰ্ণ সুকীয়া। ১৮ মাৰ্চৰ পৰা ২৫ মাৰ্চলৈকে অনুষ্ঠিত হোৱা এই গ্ৰন্থমেলাত শ্ৰোতা-দৰ্শকক আকৰ্ষণ কৰিব পৰাকৈ বিভিন্ন মননশীল আৰু অনুপ্ৰেৰণামূলক অনুষ্ঠান অনুষ্ঠিত কৰা হৈছিল। ইয়াৰ ভিতৰত মহাবিদ্যালয়ৰ প্ৰাক্তন আলোচনী সম্পাদকৰ সন্মিলন আৰু সৃষ্টিশীল সাহিত্যৰ দুদিনীয়া কৰ্মশালাখনৰ লগত প্ৰত্যক্ষভাৱে জড়িত হ'বলগীয়া হৈছিল সাহিত্য আৰু আলোচনী শাখাৰ তত্বাৱধায়ক হিচাপে। সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাৰ আয়োজক সমিতিয়ে সাহিত্য আৰু আলোচনী শাখাক দায়িত্ব প্ৰদান কৰা সুবাদতে সাহিত্য আৰু আলোচনী সম্পাদক শৰৎ শইকীয়াৰ সৈতে আমি এই দুটা অনুষ্ঠান পৰিচালনা কৰিবলৈ সুবিধা পাওঁ। সেয়া আছিল অনন্য আৰু ব্যতিক্ৰমী অনুভৱ। মহাবিদ্যালয়ৰ ইতিহাসত পোন প্ৰথমবাৰৰ বাবে আয়োজন কৰা হৈছিল 'প্ৰাক্তন আলোচনী সম্পাদকৰ সন্মিলন'; য'ত অসমৰ বিভিন্ন প্ৰান্তত নিজকে প্ৰতিষ্ঠিত কৰা ১৩ জন আলোচনী সম্পাদক আৰু সাহিত্য আৰু আলোচনী শাখাৰ তত্বাৱধায়কে অংশগ্ৰহণ কৰি মনৰ ভাব প্ৰকাশ কৰে। তেওঁলোকৰ মনত নৰ্থ লখিমপুৰ কলেজ আজিও একক আৰু অনন্য। জীৱন গঢ়াৰ কমাৰশাল। অনুষ্ঠানটিয়ে ছাত্ৰ-ছাত্ৰীসকলক প্ৰভাৱিত কৰাৰ লগতে আমাকো অনুপ্ৰাণিত কৰিলে। জীৱনত কিবা এটা কৰাৰ প্ৰয়াসত মহাবিদ্যালয় আৰু শিক্ষাগুৰুৰ ভূমিকা যে অনন্য সেই কথা পৰিস্ফুট হ'ল তেওঁলোকৰ বক্তব্যত। তদুপৰি দুদিনীয়া সৃষ্টিশীল সাহিত্যৰ কৰ্মশালাখনৰ পৰিচালনা আৰু এই কৰ্মশালাত অংশগ্ৰহণ কৰাটো মোৰ জীৱনৰ অবিস্মৰণীয় মুহূৰ্ত হৈ ৰ'ব। সাহিত্যৰ ৰস আচ্ছাদন কৰিব পাৰিম জানো বুলি সন্দেহ থকা আমাৰ দৰে ব্যক্তিসকলৰ বাবে সাহিত্য সম্পৰ্কীয় কৰ্মশালাবোৰ কেনেধৰণৰ হ'ব সেই সম্পৰ্কে সম্যক জ্ঞান নথকাটো স্বাভাৱিক। গ্ৰন্থমেলাৰ আয়োজক সমিতিৰ সমন্বয়ক ভাতৃ প্ৰতীম ড° অৰবিন্দ ৰাজখোৱাই আমাৰ ওপৰত বিশ্বাস ৰাখি আমাক দিয়া দায়িত্ব পালনৰ ফলশ্ৰুতিত আমি সমৃদ্ধ হ'লো। সৃষ্টিশীল সাহিত্য ৰচনাত অৱদান আগবঢ়াব নোৱাৰিলেও ৰুচিশীল পাঠক হোৱাৰ আখৰা নিশ্চিতভাৱে আমাৰ জীৱনৰ পাথেয় হৈ ৰ'ব। সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰা ঔপন্যাসিক জয়ন্ত মাধৱ বৰাৰ কথাই সকলোকে চুই গ'ল। সৰল ভাষাৰে সৃষ্টিশীল সাহিত্যৰ তাত্বিক আৰু ব্যৱহাৰিক উভয় দিশ সম্পৰ্কে অংশগ্ৰহণকাৰী কলক অৱগত কৰি জয়ন্ত মাধৱ বৰাই কৰ্মশালাখনিক অন্য এক মাত্ৰা প্ৰদান কৰিছিল। অলপো বিৰক্তি অনুভৱ নকৰাকৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু বাহিৰৰ অংশগ্ৰহণকাৰীসকল দুদিনীয়া কৰ্মশালাখনিৰ শেষলৈকে উপস্থিত থকা কথাটোৱে কৰ্মশালাখনৰ সফলতাকে প্ৰতিপন্ন কৰে। জয়ন্ত মাধৱ বৰাই শিকাই থৈ গ'ল যে জীৱনক বুজি পাবলৈ হ'লে জীৱনৰ কাষলৈ যাব লাগিব। তেওঁ বুজালে যন্ত্ৰণা, দ্বন্দ্ব, সংঘাত আদিৰ উপলব্ধিয়ে সাহিত্য সৃষ্টিত সহায় কৰে। কেতিয়াবা সাধাৰণ কথায়ো জীৱনক বেলেগ মাত্ৰা প্ৰদান কৰিব পাৰে। সঁচাই সমৃদ্ধ সময় আছিল সেয়া। সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলা সম্ভৱতঃ অসমৰ ভিতৰতে এক ব্যতিক্ৰমী আয়োজন। কেইবাটাও নিমন্ত্ৰিত বক্তৃতা, অসমীয়া কিতাপৰ ইতিহাস সম্পৰ্কে ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ, সাংবাদিক সন্মিলন, ৰাজ্যিক যুৱ সমাৰোহ, যুৱ সংসদৰ কৰ্মশালা, যুৱ লেখক সমাৰোহ, অধ্যাপক কবীন ফুকন সোঁৱৰণী অসম ভিত্তিক মুকলি কুইজ প্ৰতিযোগিতা, যোগেন টাইদ সোঁৱৰণী কবি সন্মিলন, পুৰণি অসমীয়া গ্ৰন্থৰ প্ৰদৰ্শনী, উমানন্দ দুৱৰাৰ



গ্ৰামোফোন ৰেকৰ্ডৰ প্ৰদৰ্শনী, কেউটা দিনৰ সাংস্কৃতিক সন্ধিয়া ইত্যাদি বৰ্ণাঢ্য কাৰ্যসূচীৰে গ্ৰন্থমেলাখনিয়ে লাভ কৰে এক অনন্য মাত্ৰা। এয়া কেৱল গ্ৰন্থমেলাই নাছিল; সঁচা অৰ্থত এয়া আছিল বাৰেৰহনীয়া সাহিত্য উৎসৱ। ছাত্ৰ-ছাত্ৰী আৰু অন্যান্য লোকসকলে প্ৰিয় কিতাপখন চুই চাইছিল, কিনিছিল আৰু অৰ্জন কৰিছিল বিচিত্ৰ আৰু মনোৰম অভিজ্ঞতা। কেইবাটাও প্ৰকাশন গোষ্ঠীৰ কিতাপসমূহ চুই চোৱা আৰু কিনাৰ লগতে বিক্ৰী কৰাৰ অভিজ্ঞতাও লাভ কৰিছিল ছাত্ৰ-ছাত্ৰীসকলে। কম খৰছতে থলুৱা খাদ্য সম্ভাৰৰ বিক্ৰেতাও আছিল ছাত্ৰ-ছাত্ৰী সকল। সেয়াও অন্য এক অভিজ্ঞতা জীৱনক বুজি পোৱাৰ, জীৱনৰ কাষলৈ যোৱাৰ। মুঠৰ ওপৰত সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলা আৰু সাহিত্য উৎসৱে যেন দি গ'ল জীৱন উদ্‌যাপনৰ মন্ত্ৰ। য়েছে দৰজে ঠংচি, সৌম্যদ্বীপ দত্ত, ড° ৰঞ্জিত কুমাৰ দেৱ গোস্বামী, ইছমাইল হোছেইন, জয়ন্ত মাধৱ বৰা, ড° অঞ্জন কুমাৰ ওজা আৰু অন্যান্য সকলৰ সান্নিধ্যত জীপাল হৈ পৰিল গ্ৰন্থমেলাৰ বাকৰি। জয়ন্ত মাধৱ বৰাই কোৱাৰ নিচিনাকৈ নৰ্থ লখিমপুৰ কলেজে গ্ৰন্থমেলাৰ ৰূপেই সলনি কৰি পেলালে আৰু লগতে নৰ্থ লখিমপুৰ কলেজৰ ছাত্ৰ-ছাত্ৰী সকল গুৰুৰ সান্নিধ্যৰে সৌভাগ্যশালী। প্ৰকৃততে আমিও এনে ছাত্ৰ-ছাত্ৰীৰ শিক্ষক হোৱাৰ গৌৰৱেৰে সৌভাগ্যবান যিসকলে নিৰ্ধাৰিত বিষয়ৰ অধ্যয়নৰ লগতে মহাবিদ্যালয়খনক গ্ৰন্থৰ সুবাসেৰে সুবাসিত কৰি তোলে। বৰ্ণময় কৰি তোলে চৌহদ, কিতাপ আৰু আলাপেৰে।

এয়া সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলা আৰু সাহিত্য উৎসৱৰ অনুভৱ যি দি গ'ল জীৱনৰ অৰ্থ, অনন্য। কলেজীয়া জীৱন সমৃদ্ধ কৰাৰ বিভিন্ন কাৰকৰ অন্যতম এই সাহিত্য উৎসৱ। নিশ্চিতভাৱে আয়োজক সমিতি ধন্যবাদৰ পাত্ৰ। অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়া ছাৰ, গ্ৰন্থমেলা আয়োজক সমিতিৰ সমন্বয়ক ড° অৰবিন্দ ৰাজখোৱাৰ সবল নেতৃত্ব আৰু অন্যান্য সকলৰ সহযোগত সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলা আৰু সাহিত্য উৎসৱে পালে প্ৰায় পূৰ্ণাংগ আৰু ব্যতিক্ৰমী ৰূপ। অসমৰ বৌদ্ধিক মহলৰ মুখে মুখে চৰ্চা লাভ কৰিলে এই গ্ৰন্থমেলাই। সমৃদ্ধ হ'লো আমি, ছাত্ৰ-ছাত্ৰী আৰু অন্যান্য গ্ৰন্থপ্ৰেমী আৰু সাহিত্যনুৰাগীসকল। আমি আশাবাদী, নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলা আৰু সাহিত্য উৎসৱ অসমৰ অন্যান্য শিক্ষানুষ্ঠানৰ বাবে আদৰ্শ আৰু পাথেয় হৈ পৰক আৰু সকলোৱে গাঁওক জীৱনৰ গান।

## কৰ্মশালাত অংশগ্ৰহণৰ অভিজ্ঞতা

### কংকনা চুতীয়া

সৃষ্টিশীলতাই বা সৃজনীশীলতাই পৃথিৱীখন ধুনীয়া কৰি ৰাখে। আমি সকলোৱে বিচাৰোঁ এখন ধুনীয়া পৃথিৱীৰ, ভাল মনৰ অংশীদাৰী হোৱাটো। দৰাচলতে সৃষ্টিশীলতাৰ লগত মানুহৰ একোটি তাড়না জড়িত হৈ থাকে। যি তাড়নাই মানুহক সৃষ্টিশীল কৰ্ম একোটিত প্ৰবৃত্ত কৰায়। সৃষ্টিশীল কৰ্ম একোটা যিকোনো বিষয়ৰ হ'ব পাৰে। সমাজৰ দাপোণস্বৰূপ হোৱাৰ বাবে সাহিত্যও সৃষ্টিশীল। এটা উন্নত পৰ্যায়ৰ বৌদ্ধিক পৰিৱেশৰ জন্ম দিবলৈ সক্ষম হোৱা সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাই গ্ৰন্থমেলাখনৰ লগত ৰজিতা খোৱাকৈ বিভিন্ন ধৰণৰ অনুষ্ঠানৰ আয়োজন কৰিছিল। তাৰ ভিতৰত অন্যতম আছিল 'সৃষ্টিশীল সাহিত্যৰ কৰ্মশালা'। আধুনিক অসমীয়া সাহিত্যৰ ধাৰাটোক অনন্যতম ৰূপত গঢ়ি তোলা সাহিত্যিক ঔপন্যাসিক, গল্পকাৰ, অনুবাদক, শিশু সাহিত্যিক জয়ন্ত মাধৱ বৰা ছাৰৰ সমল ব্যক্তি হিচাপে কৰ্মশালা খনত উপস্থিত থাকে। সাহিত্যৰ এগৰাকী ছাত্ৰী হোৱাৰ লগতে সৰুৰে পৰাই পঢ়ি ভালপাওঁ, কেতিয়াবা কিবা এটা লিখিবলৈ যত্ন কৰোঁ। কিন্তু সেই লেখাবোৰ যে গল্প নাইবা কবিতাৰ ৰূপ ল'বলৈ সক্ষম হোৱা নাই




সেইয়া মই নিশ্চিত। সেয়েহে মোৰ অনিশ্চয়তাক কিছু পৰিমাণে হ'লেও নিশ্চয়তাৰ ৰূপ দিবলৈ কৰ্মশালাখনিত যোগদান কৰিছিলোঁ। মোৰ লগতে সাহিত্যক ভালপোৱা, বাস্তৱক কল্পনাৰ উম দিবলৈ সক্ষম হোৱা সৃজনী প্ৰতিভা থকা নৰ্থ লখিমপুৰ কলেজৰ বিভিন্ন বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ লগতে অধ্যাপক-অধ্যাপিকা আৰু জিলাখনৰ বহুকেইজন সাহিত্যনুৰাগী ব্যক্তি উপস্থিত



থাকে। 'কোনো সাহিত্য বা শিল্প, যি স্ৰষ্টাজনৰ নিজৰ সৃষ্টি সিয়েই সৃজনীমূলক সাহিত্য' বুলি সৃষ্টিশীল সাহিত্যৰ সংজ্ঞা দাঙি ধৰা জয়ন্ত মাধৱ বৰা ছাৰৰ সান্নিধ্যত দুটা দিন কৰ্মশালাখনিত উপস্থিত থাকি উপকৃত হ'লোঁ বুলি কোৱাতকৈ সমৃদ্ধ হ'লো বুলি কৈ মই বেছি ভাল পাম। কৰ্মশালাখনিত ছাৰে সৃজনীমূলক সাহিত্যৰ বিধাসমূহৰ বিষয়ে নিজৰ অনুভৱ ব্যক্ত কৰাৰ লগতে সৃজনীমূলক সাহিত্যৰ অন্যতম বিধা গল্পৰ বিষয়ে বিশেষভাৱে উনুকিয়াই। সৃষ্টিশীল সাহিত্য ৰচনাৰ বাবে যে মনৰ দুৰন্ত তাড়না, সাধনা আৰু চৰ্চা লাগিব সেই কথা তেওঁ গল্পৰ উদাহৰণৰ সৈতে সদৰী কৰে। চুটিগল্প একোটি ৰচনাৰ লগত জড়িত আংগিক, বিষয়বস্তু আৰু কলা-কৌশলগত সকলো দিশ তেওঁ গল্পৰ উদাহৰণৰ সৈতে সাৱলীলভাৱে আমাক অৱগত কৰে। দ্বিতীয়দিনা তেওঁ আমাৰদ্বাৰা ৰচিত গল্পসমূহ পঢ়ি আমাৰ আসোঁৱাহসমূহ আঁতৰাই দিবলৈ চেষ্টা কৰাৰ লগতে সেই নিৰ্দিষ্ট গল্পটোৰ মাজেৰে গল্পৰ সকলো বৈশিষ্ট আলোকপাত কৰে। মাজে সময়ে তেওঁ নিজৰ গল্পৰ উদাহৰণৰে আমাক সহজে বুজি উঠিবলৈ অৱকাশ দিছিল। তেওঁ কৈছিল 'কলা জীৱনৰ কাষলৈ যদি নাযায়, জীৱনক উপলব্ধি কৰিব নোৱাৰি। এটা গল্পৰ মাজত বাৰ্তা থাকিব লাগিব, বক্তব্য থাকিব লাগিব, যাতে সেই গল্পই পাঠকক চুই যাব পাৰে।' এনেদৰে ঘণ্টাৰ পাছত ঘণ্টা ধৰি তেওঁৰ গল্পৰ কথাই আমাক মোহাচ্ছন্ন কৰি ৰাখিছিল। গল্প একোটি লিখাৰ লগত ইয়াৰ আংগিক আৰু কলা-কৌশলগত অভিজ্ঞতাৰ লগতে জীৱনটোক চোৱাৰ ধৰণ, দৃষ্টিভংগী, আৰু একোগৰাকী খুব ভাল পাঠক হোৱাৰ দৰকাৰ সেইয়া ছাৰৰ কথাই প্ৰতিপন্ন কৰে। ভৱিষ্যতে এগৰাকী গল্পকাৰ হোৱাৰ লক্ষ্যৰে নহয় কিবা এটা জনাৰ, নিজক সমৃদ্ধ কৰাৰ লক্ষ্যৰে কৰ্মশালাখনিত অংশগ্ৰহণ কৰিছিলোঁ। মোৰ জীৱনৰ বাবে কৰ্মশালাখনিয়ে এক অনন্য অনুভৱ কৰাই থৈ গ'ল। সমাজে ডাঙৰ মানুহ বুলি ভবা একোজন সাহিত্যিকৰ মাজতো যে ইমান সৰলতা, আনৰ কথা শুনাৰ আগ্ৰহ থাকিব পাৰে। সেয়া ছাৰে প্ৰতিপন্ন কৰি থৈ গ'ল। এনে একোখন মনোগ্ৰাহী কৰ্মশালাই নিশ্চয়কৈ মনৰ পৰিধি সংকীৰ্ণ কৰি নাৰাখে। শেষত কৰ্মশালাখনি আয়োজনৰ লগত জড়িত থকা শ্ৰদ্ধাৰ ৰাজখোৱা ছাৰ, অধ্যক্ষ মহোদয় আৰু সাহিত্য আৰু আলোচনী শাখাৰ সম্পাদক শৰৎ শইকীয়া দাদা আৰু তত্বাৱধায়ক বৰ্ণালী বৰা বাইদেউক আন্তৰিক ধন্যবাদ জনাইছোঁ আমাক এনে মহৎ অনুষ্ঠান এটাৰ অংশ হ'বলৈ সুযোগ প্ৰদান কৰাৰ বাবে।

নৰ্থ লখিমপুৰ প্ৰেছ ক্লাবৰ উদ্যোগ

## ‘পৰিৱৰ্তিত সামাজিক প্ৰেক্ষাপটত সাংবাদিকতা’ শীৰ্ষক আলোচনা চক্ৰ

**কেম্পাছ প্ৰতিনিধি ঃ** সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাৰ লগত সংগতি ৰাখি ২৪ মাৰ্চ, ২০২৫ তাৰিখে দিনৰ ১০বজাৰ পৰা মহাবিদ্যালয়ৰ হেমেন্দ্ৰ কুমাৰ গগৈ প্ৰেক্ষাগৃহত ‘পৰিৱৰ্তিত সামাজিক প্ৰেক্ষাপটত সাংবাদিকতা’ শীৰ্ষক এখন আলোচনা চক্ৰ অনুষ্ঠিত হয়। আলোচনা চক্ৰখন নৰ্থ লখিমপুৰ প্ৰেছক্লাবে আয়োজন কৰে। নৰ্থ লখিমপুৰ প্ৰেছক্লাবৰ সভাপতি কুমুদ বৰুৱাই সঞ্চালনা কৰা এই আলোচনা-চক্ৰখন উদ্বোধন কৰে অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াই। প্ৰেছ ক্লাবৰ সম্পাদক শ্ৰীকৰুণাকৃষ্ণ নাথে অনুষ্ঠানটোৰ আঁত ধৰে। এই অনুষ্ঠানতে নৰ্থ লখিমপুৰ কলেজৰ তৰফৰ পৰা অসমীয়া বিভাগৰ মুৰব্বী ড° অৰবিন্দ ৰাজখোৱাই নৰ্থ লখিমপুৰ প্ৰেছ ক্লাবৰ পুথিভঁৰাললৈ ‘নৰ্থ লখিমপুৰ কলেজৰ ইতিহাস’ শীৰ্ষক গ্ৰন্থখন




আগবঢ়ায়। গ্ৰন্থমেলা আয়োজক সমিতিৰ তৰফৰ পৰা সাংবাদিকসকলক একোখন চৰাইৰ আলোকচিত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। আলোচনা চক্ৰৰ সঞ্চালক কুমুদ বৰুৱাই মুখ্য উদ্দেশ্যৰ বিষয়ে ক’বলৈ গৈ যুৱপ্ৰজন্মই সাংবাদিকতাক কিদৰে গ্ৰহণ কৰিব বিচাৰে সেই বিষয়ে শিকনীয় কেইবাটাও প্ৰসংগ উল্লেখ কৰে। অসমীয়া বিভাগৰ মুৰব্বী ড° অৰবিন্দ ৰাজখোৱাই নিৰ্ধাৰিত বিষয়টোৰ গুৰুত্ব সম্পৰ্কে ব্যাখ্যা কৰি যুৱপ্ৰজন্মৰ বিশ্লেষণৰ মাজলৈ আলোচনা-চক্ৰ আগবঢ়াই দিয়ে। অনুষ্ঠানত উপস্থিত থকা যুৱ প্ৰজন্মৰ প্ৰতিনিধি হিচাপে দিব্যলক্ষী সেনাপতি, নিলোৎপল কলিতা, নিতাঞ্জলি দাস, দিপাঞ্জলী নাথ, জিতু দাস, যাত্ৰিক ভূঞা, সমীৰ বৰাই বিশ্লেষণাত্মক দৃষ্টিভংগীৰে সংবাদ মাধ্যম আৰু ইয়াৰ সাম্প্ৰতিক ধাৰা সম্পৰ্কত বিভিন্ন প্ৰশ্ন উত্থাপন কৰি আলোচনা চক্ৰখনি গতিশীল কৰি তোলে। তেওঁলোকৰ বিশ্লেষণ আৰু উত্থাপন কৰা প্ৰশ্নসমূহত সংবাদ মাধ্যমৰ ওপৰত থকা তেওঁলোকৰ সূক্ষ্ম পৰ্যবেক্ষণ আৰু জনহিতৰ স্বাৰ্থত সাম্প্ৰতিক সংবাদ মাধ্যম কেনে হোৱাতো তেওঁলোকে বিচাৰে সেই দৃষ্টিভংগী আলোচনা চক্ৰখনিত প্ৰকাশ পায়। ইয়াৰ উত্তৰসমূহৰ বিশ্লেষণ আগবঢ়াই সভাখনত সমল ব্যক্তি হিচাপে উপস্থিত থকা সাংবাদিক ক্ৰমে— শৈলেন বৰুৱা, বুবুল হাজৰিকা, ৰঞ্জিৎ কাকতি, কৰুণাকৃষ্ণ নাথ, প্ৰশান্ত মোদক, ৰূপম গগৈয়ে। মহাবিদ্যালয়ৰ কেইবাটাও বিভাগৰ অধ্যাপক, গৱেষক আৰু লগতে লখিমপুৰ জিলাৰ কেইবাজনো অতিথিয়ে অনুষ্ঠানটোত অংশ লয়।

### নৰ্থ লখিমপুৰ প্ৰেছ ক্লাবৰ

## সভাপতিৰ অনুভৱ

### কুমুদ বৰুৱা

সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাৰ ২৪ মাৰ্চ দিনটো আঠদিনীয়া কাৰ্যসূচীৰ ভিতৰত কিছু ব্যতিক্ৰম আৰু যোগাত্মক চিন্তা-চৰ্চাৰ অনুষ্ঠান বুলি অনুভৱ কৰিছোঁ। য’ত শ্ৰোতা অৰ্থাৎ ছাত্ৰ-ছাত্ৰীসকলে সক্ৰিয়ভাৱে অংশ লোৱাৰ লগতে সংবাদকৰ্মীসকলৰ লগত মুকলিকৈ মত বিনিময় কৰাৰ সুযোগ লাভ কৰিছে। অংশগ্ৰহণকাৰী শিক্ষাৰ্থীসকলে সাংবাদিকসকলৰ প্ৰতি থকা আস্থা আৰু বিশ্বাসৰ লগতে বৰ্তমান সংবাদক্ষেত্ৰ তথা একাংশ সাংবাদিকৰ ওপৰত জনসাধাৰণৰ অসন্তুষ্টি আৰু আস্থাহীনতা বিষয়ক কথাবোৰ মুকলিকৈ আলোচনা কৰাৰ সুযোগ লাভ কৰে। সমান্তৰালভাৱে সাংবাদিকসকলেও তেওঁলোকৰ বিৰুদ্ধে থকা অভিযোগ, ক্ষোভ অসন্তুষ্টিৰ বিষয়ে জানিবলৈ সক্ষম হয়। গ্ৰন্থমেলাখন অনুষ্ঠিত কৰাৰ লগতে আঠোটাকৈ দিনত ৰূপায়ণ কৰা কাৰ্যসূচীসমূহলৈ অকুণ্ঠ সমৰ্থন দিয়া অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়া আৰু গ্ৰন্থমেলাৰ ৰূপকাৰ ড° অৰবিন্দ ৰাজখোৱা কৃতজ্ঞতাৰ পাত্ৰ।

# প্ৰজ্ঞাৰ সাধনা, নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলা, সাংবাদিকতা সম্পৰ্কীয় আলোচনা চক্ৰ আৰু অন্যান্য ঃ কিছু অনুভৱ

**ৰঞ্জিত কাকতি**, সাংবাদিক, দ্য চেণ্টিনেল

“We are what we repeatedly do. Excellence is not an act but a habit”- Aristotle

‘সময়ে’ সকলোকে শিকাই, শিক্ষা দিয়ে। সেয়েহে সময়ক সকলোৱে ‘শিক্ষক’ বুলি কোৱা। সময়ে গতি কৰিবলৈ শিকাই, সময়ে সময়ৰ লগত খাপ খাবলৈ শিকায়। যদি কোনোবাই গতি নকৰে, খাপ নাখায়, তাক সময়ে এৰি থৈ যায়। সময়ৰ সৈতে প্ৰবাহিত হৈ থাকে ‘সাম্প্ৰতিক সময়’ৰ, ‘সাম্প্ৰতিক সমাজ’ৰ, ‘সাম্প্ৰতিক মানুহ’ৰ কল্যাণ মন্ত্ৰ। ইয়াক আওকাণ কৰি কোনোবাই যদি তথাকথিত ‘আজিকালি’ৰ প্ৰপঞ্চ ৰচি, উটপক্ষীৰ দৰে বালিত মূৰ গুজি দায়বদ্ধতা অস্বীকাৰ কৰে, তাক সময়ে সুদাই নেৰে। কিয়নো মানুহ হিচাপে মানুহৰ প্ৰতি, সমাজৰ প্ৰতি, প্ৰকৃতিৰ প্ৰতি আমাৰ দায়বদ্ধতা আছে, কৰিবলগীয়া বহু কাম আছে। কোনোবাই যদি কেৱল ব্যক্তিগত স্বাৰ্থ-পূজাৰ বেদীত জীৱন উৎসৰ্গা কৰিছে, তাকো সময়ে নিৰ্মম আঘাত কৰি ‘সময়ত’ কক্ষচ্যুত কৰে। কিয়নো Time is a mighty leveler. বিভিন্ন প্ৰত্যাহ্বান সত্বেও সাম্প্ৰতিক সময়তো সৰ্বসাধাৰণ মানুহৰ বৰ্তি থকা সহজাত সাৰল্যৰ বিপৰীতে ভোগবাদ, ক্ষমতালিপ্সাই সমাজক অস্থিৰ কৰি তোলা পৰিলক্ষিত হয়। এফালে যদি ৰাজনৈতিক তাৰল্যপ্ৰীতি, আনফালে আৰ্থিক বৈষম্য। এফালে যদি সামাজিক দৃষ্টিভংগীৰ বহুমাত্ৰিক চাতুৰ্য, আনফালে স্বাৰ্থজড়িত মহলৰ প্ৰমূল্যবোধৰ অবক্ষয়, বৌদ্ধিক চিন্তাৰ অনাকাংক্ষিত ক্ষয়িষ্ণুতা। সাম্প্ৰতিক সমাজত দেখা দিয়া এনেবোৰ বিক্ষিপ্ততায়ো ‘সময়ৰে ৰচনা’ বুলি আখ্যা পায়। পদবদ্ধ কৰা হয়— ‘সময়ৰ ধামখুমীয়া’ বুলি। এনে বিক্ষিপ্ততা, এনে ধামখুমীয়া, কোলাহলৰ বিপৰীতে সমাজত কিছুমান ভাল কাম নীৰৱে চলি থাকে, উজ্জীৱিত হৈ থাকে উত্তৰণৰ চেতনা, অব্যাহত থাকে একেলগে আগবাঢ়ি যোৱাৰ কল্যাণময়ী যাত্ৰা, নিৰ্মিত হৈ থাকে জ্ঞান-পূজাৰ বেদী, নিৰৱধি চলি থাকে প্ৰজ্ঞাৰ সাধনা।

কেৱল লখিমপুৰ জিলাৰে নহয়, সমগ্ৰ অসমৰে এখন উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান নৰ্থ লখিমপুৰ কলেজেও সমাজৰ উত্তৰণৰ চেতনাক ত্বৰান্বিত কৰাৰ বাবে নীৰৱে বহু ভাল কাম কৰি আছে। ইয়াৰেই অংশস্বৰূপে প্ৰতিবছৰে অনুষ্ঠিত কৰি অহা গ্ৰন্থমেলাখন জ্ঞান আহৰণ আৰু প্ৰজ্ঞা সাধনাৰ বাবে এক উত্তম মঞ্চ। প্ৰজ্ঞাৰ সাধনাৰ বাবে বাট বিচাৰি ল’বলৈ, আগবাঢ়ি যাবলৈ ছাত্ৰ-ছাত্ৰী, আগ্ৰহী-ইচ্ছুকজনৰ বাবে ই এক সুবিধাজনক মাধ্যম। য’ত চালিত হয়, প্ৰবাহিত হয় শব্দব্ৰহ্মৰ শক্তি— কিতাপ, সাহিত্য, সংস্কৃতি, বিজ্ঞান, ৰাজনীতি, অৰ্থনীতি, সমাজ, পৰিৱেশ, পাৰিপাৰ্শ্বিকতা, দৰ্শন আদি বিষয়ৰ ওপৰত হোৱা আলোচনাৰ মাধ্যমেৰে, য’ত ‘শিক্ষক’ হয় সময়, য’ত জীৱনবোধ সম্পৰ্কীয় শিক্ষা আহৰণৰ বিষয় হয় অতীত, ভৱিষ্যত আৰু সাম্প্ৰতিক সময়, য’ত সমাহাৰ ঘটে সৃষ্টি আৰু স্ৰষ্টাৰ, মিলন হয় লেখক আৰু পাঠকৰ, য’ত অতিথি আপ্যায়নৰ বাবে চাহকাপ বনাই আনিবলৈ কুণ্ঠাবোধ নকৰে ছাত্ৰই, য’ত ‘কোমল-অংগী অবলা নাৰী’ৰ অভিধা মিছা প্ৰমাণিত কৰি ছাত্ৰীয়েও দেখুৱাই কঠিন কাম সম্পাদন কৰিবপৰা শাৰীৰিক ক্ষমতা। বিগত ছটা বছৰৰদৰে বৌদ্ধিক আন্দোলনৰ নিৰবচ্ছিন্ন ধাৰা অক্ষুন্ন ৰাখি শিক্ষানুষ্ঠানখনিয়ে এই বছৰো যোৱা ১৮ মাৰ্চৰ পৰা ২৫ মাৰ্চলৈ কলেজ প্ৰকাশনৰ উদ্যোগত অনুষ্ঠিত কৰিলে সপ্তম বাৰ্ষিক নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থ মেলা আৰু সাহিত্য উৎসৱ। একক প্ৰচেষ্টাৰে আকৌ এবাৰ গ্ৰন্থমেলা অনুষ্ঠিত কৰি, গ্ৰন্থমেলাৰ মঞ্চত ৰাজ্যখনৰ কেইবাজনো লেখক সাহিত্যিকৰ উপৰিও ৰাজ্যখনৰ বাহিৰৰো একাধিক লেখক-সাহিত্যিকক নিমন্ত্ৰণ কৰি আনি শিক্ষানুষ্ঠানখনিয়ে প্ৰতিষ্ঠা কৰিলে— ৰাজ্যখনত চলি থকা বৌদ্ধিক আন্দোলনৰ গুৰি ধৰাত আৰু তাক বিৰামহীনভাৱে আগবঢ়াই লৈ যোৱাত শিক্ষানুষ্ঠানখনৰ সবল ভূমিকা। উদ্যোক্তামণ্ডলী, বিভিন্ন কাৰ্যসূচীৰ সমন্বয়কসকল এই সফলতাৰ বাবে ধন্যবাদ আৰু প্ৰশংসাৰ অধিকাৰী। এইবাৰৰ গ্ৰন্থমেলাৰ বিশেষ বৈশিষ্ট্য তথা আকৰ্ষণ আছিল সাংবাদিকতা তথা সংবাদ মাধ্যম সম্পৰ্কে এখনি আলোচনাচক্ৰ সন্নিৱিষ্ট কৰাটো। সপ্তম দিনটোত অৰ্থাৎ ২৪ মাৰ্চত গ্ৰন্থমেলাৰ মূল মঞ্চত নৰ্থ লখিমপুৰ প্ৰেছ ক্লাবৰ উদ্যোগত ‘পৰিৱৰ্তিত সামাজিক প্ৰেক্ষাপটত সাংবাদিকতা’ শীৰ্ষক বিষয়ত এই আলোচনা চক্ৰ অনুষ্ঠিত হয়। প্ৰেছক্লাবৰ সভাপতি শ্ৰীকুমুদ বৰুৱাই সঞ্চালনা কৰা আৰু সম্পাদক শ্ৰীকৰুণাকৃষ্ণ নাথে আঁত ধৰা এই আলোচনা-চক্ৰখনি উদ্বোধন কৰে অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াই। অসমীয়া বিভাগৰ মুৰব্বী ড° অৰবিন্দ ৰাজখোৱাই নিৰ্ধাৰিত বিষয়টোৰ গুৰুত্ব সম্পৰ্কে ব্যাখ্যা কৰে। আলোচনা-চক্ৰখনিত সতীৰ্থ সাংবাদিক শৈলেন বৰুৱা, অনুজ বুবুল হাজৰিকাৰ সৈতে আমিও সমলব্যক্তি হিচাপে অংশগ্ৰহণ কৰিছিলোঁ। আলোচনা কালত সীমাবদ্ধ সময়ৰ ভিতৰত আমি নীতিগত সাংবাদিকতা, সংবাদ মাধ্যম আৰু সাংবাদিকৰ দায়বদ্ধতা, সংবাদ মাধ্যম-সাংবাদিকৰ সৈতে হোৱা প্ৰশাসন যন্ত্ৰৰ সংঘাত, সংবাদ মাধ্যমত শেহতীয়াকৈ সংযোজিত হোৱা কৃত্ৰিম বুদ্ধিমত্তা (Artificial Intelligence), সংবাদৰ বস্তুনিষ্ঠতা (Objectivity) আদি বিষয়ত আমি কিছু নিজস্ব অনুভৱ দাঙি ধৰিবলৈ প্ৰয়াস কৰিছিলোঁ। অনুষ্ঠানত উপস্থিত থকা যুৱ প্ৰজন্মৰ প্ৰতিনিধিসকলে বিশ্লেষণাত্মক দৃষ্টিভংগীৰে সংবাদ মাধ্যম আৰু ইয়াৰ সাম্প্ৰতিক ধাৰা সম্পৰ্কত বিভিন্ন প্ৰশ্ন উত্থাপন কৰি আলোচনা চক্ৰখনি গতিশীল কৰি তোলে। তেওঁলোকৰ বিশ্লেষণ আৰু উত্থাপন কৰা প্ৰশ্নসমূহত সংবাদ মাধ্যমৰ ওপৰত থকা তেওঁলোকৰ সূক্ষ্ম পৰ্যবেক্ষণ আৰু জনহিতৰ স্বাৰ্থত সাম্প্ৰতিক সংবাদ মাধ্যম কেনে হোৱাতো তেওঁলোকে বিচাৰে— সেই দৃষ্টিভংগী আলোচনা চক্ৰখনিত প্ৰকাশ পায়। সংবাদ মাধ্যমৰ বৰ্তমান কাৰ্যাৱলী আৰু ইয়াৰ পৰিণাম সম্পৰ্কত নৱপ্ৰজন্মৰ প্ৰতিনিধিসকল যে অতিশয় সজাগ সেই কথাও আলোচনা চক্ৰখনিয়ে প্ৰতিফলিত কৰে। সংবাদ মাধ্যমৰ স্বকীয়তা আৰু গুণগত মান অক্ষুন্ন ৰখাৰ ক্ষেত্ৰত তেওঁলোকে গ্ৰহণযোগ্য মতামত দাঙি ধৰে। এইয়া আছিল আলোচনা চক্ৰখনিৰ যোগাত্মক দিশ। কিন্তু একেখন আলোচনা চক্ৰই নৱ প্ৰজন্মৰ বহু সংখ্যকেই যে বৰ্তমান সংবাদ মাধ্যমৰ লগত জড়িত হৈ জনসেৱা আগবঢ়াবলৈ আগ্ৰহী নহয়— সেই দিশটোও প্ৰতিফলিত কৰে। ইয়াৰ কাৰণ উদ্ঘাটনৰ বাবে ব্যাপক পৰিসৰত আলোচনা চক্ৰ অনুষ্ঠিত হোৱা আৰু অধ্যয়ন কৰাৰ সময় আহি পৰিছে বুলি অনুভৱ কৰিছোঁ। সি যি কি নহওঁক, আলোচনা চক্ৰখনিত অংশগ্ৰহণ কৰা নৱপ্ৰজন্মৰ প্ৰতিনিধিসকলে দেখুওৱা উৎসাহ, সক্ৰিয়তা আৰু বিশ্লেষণাত্মক দৃষ্টিভংগী আছিল আশাবাদৰ প্ৰতীক। যি উদ্দেশ্য আগত ৰাখি উদ্যোক্তাসকলে এই আলোচনা চক্ৰখনি আয়োজন কৰিছিল— সেই উদ্দেশ্য সফল হৈছে বুলি আমি অনুভৱ কৰিছোঁ। জনকল্যাণ, ব্যক্তি আৰু সমাজৰ উত্তৰ দুৰ্নীতি নিৰ্মূল আদিৰ ক্ষেত্ৰত দীৰ্ঘ সময়জুৰি নৰ্থ লখিমপুৰ প্ৰেছক্লাবে আগবঢ়াই নিয়া নীতিগত-দায়বদ্ধ সাংবাদিকতা, এইসমূহ দিশত গ্ৰহণ কৰি অহা সবল আৰু শক্তিশালী ভূমিকাকো আলোচনা চক্ৰখনিয়ে প্ৰতিফলিত কৰে। এখন ফলপ্ৰসু আলোচনা-চক্ৰ আয়োজন কৰাৰ বাবে নৰ্থ লখিমপুৰ প্ৰেছক্লাবক কলেজ পৰিয়ালে আগবঢ়োৱা ধন্যবাদৰ বাবে আমিও ব্যক্তিগতভাৱে কৃতজ্ঞতা আগবঢ়াইছোঁ।

নৰ্থ লখিমপুৰ কলেজে গ্ৰন্থমেলা আৰু সাহিত্য উৎসৱ আয়োজন আৰু সেই গ্ৰন্থমেলাত ভিন ভিন ব্যতিক্ৰমী কাৰ্যসূচী অনুষ্ঠিত কৰি ৰাজ্যখনৰ বৌদ্ধিক বিপ্লৱক গতিশীলতা প্ৰদান কৰাৰ ক্ষেত্ৰত আৰু মানৱ সম্পদ গঢ়াৰ ক্ষেত্ৰত যি প্ৰচেষ্টা অব্যাহত ৰাখিছে— সেই প্ৰচেষ্টা দীৰ্ঘস্থায়ী আৰু যুগমীয়া হওক। সেই আশা পোষণ কৰি কলেজ কৰ্তৃপক্ষ, পৰিয়ালবৰ্গলৈ আমি আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ। “We need that EDUCATION by which character is formed, intellect is expanded, strength of mind is increased and by which one can stand on one’s own feet”– Swami Vivekananda.”




গ্ৰন্থমেলাৰ বাকৰিত গীতৰ আড্ডা



## ৰাজ্যিক যুৱ সমাৰোহ

**কেম্পাছ প্ৰতিনিধি ঃ** ২৪ মাৰ্চ তাৰিখে দিনৰ ১২ বজাত সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাৰ লগত সংগতি ৰাখি নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত)ৰ ২০২৪-২৫ বৰ্ষৰ ছাত্ৰ একতা সভাৰ উদ্যোগত ৰাজ্যিক যুৱ সমাৰোহৰ এটি অনুষ্ঠান সম্পন্ন হয়। অনুষ্ঠানটোৰ আঁত ধৰে শিক্ষা বিভাগৰ মুৰব্বী অধ্যাপিকা ড° ইচ্‌মিৰেখা সন্দিকৈ কোঁৱৰে আৰু সভাখনৰ উদ্বোধন কৰে নৰ্থ লখিমপুৰ কলেজৰ অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াই। সভাখনৰ সঞ্চালকৰ দায়িত্বপালন কৰে কলেজৰ শৈক্ষিক সমন্বয়ক বাণীকান্ত কোঁৱৰে। অতিথিসকলৰ সম্বৰ্ধনাৰ পিছতেই সভাৰ উদ্দেশ্য ব্যাখ্য কৰে ছাত্ৰ একতা সভাৰ সভাপতি শ্যামল প্ৰতীম শইকীয়াই। ইয়াৰ পিছতেই গীতৰ শৰাই আগবঢ়াই নৰ্থ লখিমপুৰ কলেজৰ ছাত্ৰ - অনুজ নাথ, সুৰুজ গগৈ আৰু পৰাগ নেওঁগে। সভাখনত মহাবিদ্যালয়ৰ কেইবাজনো অধ্যাপক-অধ্যাপিকা উপস্থিত থাকে। তেওঁলোক হ'ল— ড° স্বপ্নালী গগৈ, ড° অৰবিন্দ ৰাজখোৱা, ড° বৰ্ণালী বৰা, ড° মেৰী চৌধুৰী আৰু কবিতা বৰা। ইয়াৰ পিছতেই সভাখনৰ আলোচ্য বিষয় 'অসম আৰু অসমীয়াৰ ভৱিষ্যৎ ঃ সম্ভাৱনা আৰু প্ৰত্যাহবান'সম্পৰ্কে আলোচনা আৰম্ভ হয়। এই আলোচনাখনিত অসমৰ বিভিন্ন মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ নিমন্ত্ৰিত ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। তেওঁলোক হ'ল— অবিনাশ বৰা (জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়), সমীৰ ৰুমাল, বিতোপন সোণোৱাল (এল.টি.কে. কলেজ), অলি চাবুকধৰা (লখিমপুৰ বালিকা মহাবিদ্যালয়) আৰু বিবেকানন্দ গগৈ (নৰ্থ লখিমপুৰ বিশ্ববিদ্যালয়)। সভাখনত অসমীয়াৰ সংজ্ঞাৰ পৰা আৰম্ভ কৰি অসমৰ বিভিন্ন সংস্কৃতিৰ লগতে অসমৰ সীমা বিবাদ আৰু বিভিন্ন ভাষিক আৰু সাংস্কৃতিক ভিন্নতাৰ লগতে ইয়াৰ সম্ভাৱনা সম্পৰ্কে বিশদ আলোচনা কৰা হয়। প্ৰতিজন বক্তাৰ চিন্তা-চেতনাই সকলোকে আপ্লুত কৰে। সভাখনত ভূগোল বিভাগৰ মুৰব্বী অধ্যাপিকা ড° স্বপ্নালী গগৈয়ে মূল বিষয়ৰ লগত সংগতি ৰাখি অসমৰ সীমা বিবাদ আৰু অসমৰ বিভিন্ন সমস্যাৰ বিষয়ে এক চমু আলোকপাত কৰাৰ লগতে তাৰ সম্ভাৱনাসমূহৰ বিষয়ে কিছু কথা ব্যক্ত কৰে। সঞ্চালকৰ মন্তব্যত বাণীকান্ত কোঁৱৰে কয় যে অসম আৰু অসমীয়াৰ ভৱিষ্যতৰ বিষয়ে আলোচনা কৰোতে আমি আমাৰ অতীত আৰু বৰ্তমান সময়ত অসমীয়া ভাষাৰ স্থিতিৰ বিষয়েও আলোচনা কৰাৰ প্ৰয়োজন। তদুপৰি এনে অনুষ্ঠানে নৱপ্ৰজন্মক বিষয়টোৰ প্ৰতি সজাগ কৰিব বুলি তেওঁ মত প্ৰকাশ কৰে। শেষত ড° ইচমি ৰেখা সন্দিকৈ কোঁৱৰে শলাগৰ শৰাই আগবঢ়াই সকলোলৈ কৃতজ্ঞতা প্ৰকাশ কৰি সভাৰ সামৰণি ঘোষণা কৰে।




## আছু গোটৰ 'সন্ধ্যাৰাগ'

**কেম্পাছ প্ৰতিনিধি ঃ** ২৪ মাৰ্চ, ২০২৫ তাৰিখে গ্ৰন্থমেলাৰ বাকৰিত নৰ্থ লখিমপুৰ কলেজ আছু গোটৰ উদ্যোগত 'সন্ধ্যাৰাগ' শীৰ্ষক এটি সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানটো আঁত ধৰে পৰিস্মিতা বৰুৱা আৰু ৰহানন্দ দাসে। অনুষ্ঠানটোত কেইবাগৰাকী ছাত্ৰ-ছাত্ৰীয়ে গীত, নৃত্য, কবিতা আবৃত্তি, অভিনয় আদিৰে দৰ্শকসকলক আমোদ প্ৰদান কৰে। এককভাৱে গীত পৰিৱেশন কৰা ছাত্ৰ-ছাত্ৰীসকল হ'ল য়াছিকা বৰগোঁহাই, আলোক নাথ, অনামিকা বৰুৱা, ৰাজশ্ৰী বৰা, লাটুমনি চাংমাই আৰু ডালিমী শইকীয়া। উল্লেখ্য যে অনুষ্ঠানটোত মহাবিদ্যালয়ৰ শৈক্ষিক সমন্বয়ক বাণীকান্ত কোঁৱৰে এটি গীত পৰিৱেশন কৰে। অসমীয়া বিভাগৰ ছাত্ৰ অনুজ নাথে অনুষ্ঠনটোত গুৰু ভটিমা পৰিৱেশন কৰে। মহাবিদ্যালয়ৰ ছাত্ৰ পৰাগ নেওগ, ৰূপক নাথ, লাটুমনি চাংমাই, সুৰুজ গোঁহাই, প্ৰাচুৰ্য গগৈ আৰু ৰিকুমণি গগৈয়ে অনুষ্ঠানটোত দলীয়ভাৱে এটি গীত পৰিৱেশন কৰে। মহাবিদ্যালয়ৰ ইন্দিৰা মিৰি ছাত্ৰী নিৱাসৰ আৱাসীসকলৰদ্বাৰা 'সন্ধ্যাৰাগ' অনুষ্ঠানটোত এটি আকৰ্ষণীয় দলীয় নৃত্য আৰু এটি দলীয় গীত পৰিৱেশন কৰা হয়। শ্যামলীমা দত্তই অনুষ্ঠানটোত এটি বিহু নৃত্য প্ৰদৰ্শন কৰে। 'সন্ধ্যাৰাগ'ত প্ৰিয়াংকু দত্ত, ৰাজদ্বীপ বৰা আৰু ৰাজশ্ৰী ফুকনে এটি অভিনয় পৰিবেশন কৰে। মহাবিদ্যালয়ৰ ছাত্ৰ চিণ্টু মণি হাজৰিকাই অনুষ্ঠানটোত ঢোলবাদন প্ৰদৰ্শন কৰে। লগতে দেৱকান্ত বৰুৱা আৰু টুৰিজিম দত্তই একোটাকৈ কবিতা আবৃত্তি কৰে। অনুষ্ঠানটোত মহাবিদ্যালয়ৰ কেইবাগৰাকী শিক্ষক আৰু অতিথি উপস্থিত থাকে। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা সদৌ লখিমপুৰ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক পুনম জ্যোতি বুঢ়াগোঁহাই। উপস্থিত শিক্ষক আৰু অতিথিসকলক মহাবিদ্যালয়ৰ আছু গোটৰ তৰফৰপৰা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। উল্লেখযোগ্য যে 'সন্ধ্যাৰাগ' অনুষ্ঠানটোৰ শেষৰফালে এখনি অন্তাক্ষৰী প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাখনিত মহাবিদ্যালয়ৰ শিক্ষক, ছাত্ৰ-ছাত্ৰী, গৱেষক, অতিথি সকলোৱে অংশগ্ৰহণ কৰে। এই আকৰ্ষণীয় প্ৰতিযোগিতাখনিৰ প্ৰতিটো দলতে তিনিগৰাকীকৈ সদস্য থাকে। প্ৰতিযোগিতাখনিৰ ফলাফল আছিল এনেধৰণৰ— প্ৰথম স্থান ঃ ড° অৰবিন্দ ৰাজখোৱা, ড° বৰ্ণালী বৰা আৰু মুন্‌মী দত্তৰ দল, দ্বিতীয় স্থান ঃ লাটুমনি চাংমাই, পৰাগ নেওগ আৰু ৰিকুমণি গগৈৰ দল আৰু তৃতীয় স্থান ঃ ড° মনোৰঞ্জন দত্ত, বিদ্যা দত্ত আৰু শোভাকৃষ্ণা ফুকনৰ দল। অন্তাক্ষৰীৰ আমেজৰদ্বাৰাই নৰ্থ লখিমপুৰ কলেজৰ আছু গোটৰদ্বাৰা আয়োজিত 'সন্ধ্যাৰাগ' অনুষ্ঠানটিৰ সামৰণি পৰে।

## পুৰণি ছপাশালৰ সামগ্ৰীৰ প্ৰদৰ্শনী

**কেম্পাছপ্ৰতিনিধি ঃ** সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাৰ পঞ্চমদিনা অৰ্থাৎ ২২ মাৰ্চ ২০২৫ তাৰিখে নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত)ৰ হেমেন্দ্ৰ কুমাৰ প্ৰেক্ষাগৃহ (ৰংঘৰ)ত অসমৰ পুৰণি ছপাশালৰ সামগ্ৰী প্ৰদৰ্শন শীৰ্ষক এটি অনুষ্ঠান অনুষ্ঠিত হয়। এই অনুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত আছিল অসমৰ বিশিষ্ট পুথি প্ৰকাশক, সম্পাদক ক্ষীৰোদ কুমাৰ গোস্বামী। উল্লেখযোগ্য যে গোলাঘাট জিলাত অৱস্থিত যদুমণি ছপাশাল ক্ষীৰোদ কুমাৰ গোস্বামীৰ ককাদেউতাক তীৰ্থনাথ গোস্বামীয়ে প্ৰতিষ্ঠা কৰে; আৰু ক্ষীৰোদ কুমাৰ গোস্বামী বৰ্তমান এই ছপাশালৰ প্ৰধান সঞ্চালক। ১৯২২ চনত প্ৰতিষ্ঠা হোৱা যদুমণি ছপাশাল অসমৰ অন্যতম পুৰণি ছপাশাল। এই ছপাশালটো বৰ্তমানেও কাৰ্যক্ষম। এই ছপাশালৰ পুৰণি সামগ্ৰী আৰু কিছু পুৰণি ছপাপুথিৰ প্ৰদৰ্শনী গ্ৰন্থমেলাৰ লগত সংগতি ৰাখি প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছিল। প্ৰদৰ্শনীখনত পুৰণি পুথিৰ বেটুপাত, আখৰ আদি ছপা কৰা বিভিন্ন ফ্ৰেম, বেটুপাতৰ নক্সা, অসমীয়া আৰু ইংৰাজী আখৰৰ বিভিন্ন টাইপ সন্নিৱিষ্ট সা-সৰঞ্জাম, যদুমণি ছপাশালৰ পৰা প্ৰকাশিত পুৰণি পুথিৰ প্ৰথম প্ৰকাশৰ নমুনা আৰু অন্যান্য দুষ্প্ৰাপ্য পুথিৰ বিভিন্ন সংৰক্ষিত সংস্কৰণ প্ৰদৰ্শন কৰা হয়। ক্ষীৰোদ কুমাৰ গোস্বামীয়ে ব্যক্তিগত প্ৰচেষ্টাৰে ভালেমান অসমীয়া পুৰণি পুথিৰ প্ৰথম সংস্কৰণ নিজা সংগ্ৰহত ৰাখিছে। নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাৰ তৎপৰতা তথা প্ৰচেষ্টাত তাৰে কেতবোৰ পুথি তেওঁ গ্ৰন্থমেলাত প্ৰদৰ্শনৰ ব্যৱস্থা কৰে। গ্ৰন্থমেলাত প্ৰদৰ্শিত কিছু পুথি হৈছে— ১৯৫৫ চনত প্ৰকাশিত 'ভাষা আৰু সাহিত্য', ১৯৫৪ চনত প্ৰকাশিত হেম বৰুৱাৰ 'সাগৰ দেখিছা', ১৯৫৬ চনত প্ৰকাশিত দীননাথ শৰ্মাৰ 'নদাই', ১৯৫৬ চনত প্ৰকাশিত 'প্ৰণয়ৰ সূতি', ১৯৫৮ চনত প্ৰকাশিত 'আন্ধাৰৰ আৰে আৰে', 'নৱ মল্লিকা', 'অসমীয়া গীতি সাহিত্য', 'সমালোচনা সাহিত্য', ১৯৫৫ চনত প্ৰকাশিত 'নিয়তিৰ নিৰ্মালী', 'তপোবন', ১৯৫৪ চনত প্ৰকাশিত 'সেউজী পাতৰ কাহিনী', 'উষা', 'আহুতি', 'কালিদাস' ইত্যাদি। ইয়াৰ উপৰি পুৰণি অসমৰ ছপাশালৰ বিভিন্ন কাৰিকৰী দিশৰ লগত জড়িত কিছুসংখ্যক বিশিষ্ট ব্যক্তিৰ ছবিৰ প্ৰদৰ্শনে অনুষ্ঠানটোক অধিক আকৰ্ষণীয় কৰি তোলে। ক্ষীৰোদ কুমাৰ গোস্বামীয়ে পুৰণি ছপাশালৰ সা-সৰঞ্জামসমূহৰ ব্যৱহাৰিক তথা প্ৰায়োগিক দিশ সম্পৰ্কে কিছু পৰিচয়মূলক কথা অৱতাৰণা কৰে। তেওঁ প্ৰদৰ্শিত সামগ্ৰীসমূহৰ সম্পৰ্কে দৰ্শকসকলক বিতংকৈ বুজাই দিয়ে। গোস্বামীয়ে ছাত্ৰ-ছাত্ৰীসকলক যদুমণি ছপাশালৰ ইতিহাস সম্পৰ্কে চমুকৈ কয়। প্ৰসংগতে তেওঁ 'যদুমণি ছপাশাল'ৰ নামকৰণৰ ক্ষেত্ৰত 'ছপাশাল' শব্দটো বাংলা ভাষাৰ পৰা ধাৰে লোৱাৰ কথাও উনুকিয়ায়। এই অনুষ্ঠানত নৰ্থ লখিমপুৰ কলেজৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ লগতে অসমৰ কেইবাখনো উচ্চ শিক্ষা প্ৰতিষ্ঠানৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীয়ে অংশ লয়।



'বুৰঞ্জীসমূহ অবিকৃত তথ্যৰ ভাণ্ডাৰ' - নবীন বুঢ়াগোহাঁই

# 'অসমত বুৰঞ্জী চৰ্চা'

## শীৰ্ষক বক্তৃতানুষ্ঠান সম্পন্ন

**কেম্পাছ প্ৰতিনিধি ঃ** ২৫ মাৰ্চ ২০২৫ তাৰিখে সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাৰ শেষৰটো বৌদ্ধিক কাৰ্যসূচী হিচাপে অসম বুৰঞ্জী সম্পৰ্কীয় এখনি আলোচনা-চক্ৰ অনুষ্ঠিত কৰা হয়। নৰ্থ লখিমপুৰ বিশ্ববিদ্যালয় টাই আহোম ছাত্ৰ-সমাজে অনুষ্ঠিত কৰা আলোচনা-চক্ৰখনিৰ বিষয় হ'ল 'অসমত বুৰঞ্জী চৰ্চা'। নৰ্থ লখিমপুৰ বিশ্ববিদ্যালয় টাই আহোম ছাত্ৰ সমাজৰ সভাপতি উদ্ধৱ তামুলী ফুকন আৰু সাধাৰণ সম্পাদক কৃষ্ণকান্ত সন্দিকৈ সমন্বয়ক হিচাপে থকা এই আলোচনা চক্ৰত সমল ব্যক্তি হিচাপে উপস্থিত থাকে বুৰঞ্জীবিদ তথা লেখক নবীন বুঢ়াগোহাঁই। অনুষ্ঠানটি সঞ্চালনা কৰে নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত)ৰ ভূগোল বিভাগৰ মুৰব্বী অধ্যাপিকা ড° স্বপ্নালী গগৈয়ে। মহাবিদ্যালয়ৰ ছাত্ৰী য়াছিকা বৰগোঁহাইৰ নেতৃত্বত মহাবিদ্যালয়ৰ প্ৰায় ১০ গৰাকী ছাত্ৰীয়ে এটি টাই কোৰাছ পৰিৱেশনেৰে অনুষ্ঠানটো আৰম্ভ কৰে। সঞ্চালক ড° স্বপ্নালী গগৈয়ে বুৰঞ্জীৰ সৃষ্টি আৰু ক্ৰমবিকাশ আৰু মানৰ আক্ৰমণৰ ফলত অসমত হোৱা পৰিৱৰ্তন তথা বুৰঞ্জী অধ্যয়নৰ প্ৰাসংগিকতা আদি বিভিন্ন গুৰুত্বপূৰ্ণ প্ৰসংগ ব্যক্ত কৰে। তেওঁৰ বক্তব্যৰ পিছতেই অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাই নবীন বুঢ়াগোঁহাইৰ বিষয়ে পৰিচয়সূচক বক্তব্য আগবঢ়ায়। তেওঁ কয় যে অসমত বুৰঞ্জী চৰ্চাৰ লগতে বুৰঞ্জীৰ সমলসমূহক সমাজৰ আগত উপস্থাপন কৰাটো এক জাতীয় দায়িত্ববোধসম্পন্ন কাম আৰু এই ক্ষেত্ৰত অসমৰ প্ৰেক্ষাপটত নবীন বুঢ়াগোহাঁই এজন আগৰণুৱা ব্যক্তি।

ড° ৰাজখোৱাৰ বক্তব্যৰ পিছত সমল ব্যক্তি নবীন বুঢ়াগোহাঁয়ে *অসমত বুৰঞ্জী চৰ্চা*সম্পৰ্কে মনোগ্ৰাহী বক্তৃতা আগবঢ়ায়। চাওলুং চুকাফাই অসমলৈ কৰা যাত্ৰাৰ সময়ৰ পৰা আৰম্ভ কৰি সাম্প্ৰতিক সময়লৈকে বুৰঞ্জী চৰ্চাৰ বিষয়টোক সামৰি লৈ আগবঢ়োৱা বক্তৃতাটোত কেইবাটাও গুৰুত্বপূৰ্ণ বিষয় অন্তৰ্ভুক্ত কৰে। বুঢ়াগোহাঁয়ে কয় যে বুৰঞ্জী লিখা প্ৰথা প্ৰথম চীন দেশত আৰম্ভ হৈছিল আৰু বুৰঞ্জীত যে কেৱল সত্য আৰু প্ৰকৃত কথাসমূহ লিপিবদ্ধ কৰা হয় তাৰে বাখ্যা চীন দেশৰ এটা কাহিনীৰ আধাৰত আগবঢ়ায়। আহোমসকল অসমলৈ আহোঁতে বৰ্তমানৰ ম্যানমাৰৰ নাউং ইয়াং হ্ৰদ (Leak of no return)ৰ পাৰতেই প্ৰথম বুৰঞ্জী লিখা হৈছিল বুলি তেওঁ কয়। বুৰঞ্জীক কেন্দ্ৰ কৰি সৃষ্টি হোৱা পুৰাকথা আৰু জনশ্ৰুতিৰ মাজৰ পাৰ্থক্যও তেওঁ উল্লেখ কৰে। তেওঁৰ বক্তব্যৰ পাছতেই কেইবাজনো ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপকে অসম বুৰঞ্জী সম্পৰ্কত নিজৰ প্ৰশ্নসমূহ উত্থাপন কৰি সমল ব্যক্তিৰ পৰা তথ্যসমূহ আহৰণ কৰে। এই অনুষ্ঠানতে ৰাজনীতি বিভাগৰ মুৰব্বী অধ্যাপক ড° দিগন্ত হাতীবৰুৱাই নিজৰ বক্তব্যৰ ৰখাৰ লগতে প্ৰশ্নও উত্থাপন কৰে। আলোচনাৰ চক্ৰখনত লখিমপুৰ কমাৰ্চ কলেজৰ প্ৰাক্তন অধ্যক্ষ তথা নৰ্থ লখিমপুৰ কলেজৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি ড° হেমন্ত কুমাৰ বৰুৱা উপস্থিত থাকে। শতাধিক অধ্যাপক-অধ্যাপিকা, গৱেষক আৰু ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিয়ে অনুষ্ঠানটো সাফল্যমণ্ডিত কৰি তোলে।




# 'অসমত বুৰঞ্জী চৰ্চা' শীৰ্ষক বক্তৃতানুষ্ঠানত উপস্থিত থকা ছাত্ৰ-ছাত্ৰীৰ মত

**উদ্ধৱ তামুলী ফুকন ঃ** নৰ্থ লখিমপুৰ বিশ্ববিদ্যালয় টাই আহোম ছাত্ৰ-সমাজৰ তৰফৰ পৰা আমি সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলা উপলক্ষ্যে '*অসমত বুৰঞ্জী চৰ্চা*' বিষয়ত এখন আলোচনা চক্ৰ অনুষ্ঠিত কৰোঁ। সমল ব্যক্তি নবীন বুঢ়াগোহাঁইৰ পৰা এই বিষয়টো সম্পৰ্কে বিভিন্ন কথা জানিবলৈ পাৰিলোঁ। তেওঁৰ বক্তৃতাটোত আলোকপাত কৰা কেইটামান মূল বিষয় যথেষ্ট চিন্তা উদ্ৰেককাৰী। সেয়া হ'ল এনেধৰণৰ— (ক) বুৰঞ্জীৰ বিকৃতকৰণ আৰু শুধৰণিৰ উপায় (খ) সাম্প্ৰতিক সময়ত অসমৰ প্ৰাচীন ইতিহাস বিচাৰি উলিওৱা নিজৰ স্বকীয়তা প্ৰতিপন্ন কৰা (এই ক্ষেত্ৰত তেওঁ অসমৰ ডিব্ৰুগড় জিলাৰ ৰৌমৰিয়া, কাৰ্বি আংলং, গোৱালপাৰা আদি জিলাত উদ্ধাৰ হোৱা প্ৰত্ন-প্ৰস্তৰ শিল, পেট্ৰ'গ্লিফ আৰু সমলসমূহৰ বিষয়ে কয়) (গ) অসমৰ নদ-নদীসমূহৰ ভূগোলৰ বিষয়ে তেওঁ বিশদ বিৱৰণ দিয়ে। বুৰঞ্জীৰ অধ্যয়নত নদীসমূহৰ প্ৰাচীন ভূগোলৰ অধ্যয়নৰ যে প্ৰাসংগিকতা আছে তাক বৰ্তমান আৰু অতীতৰ দিখৌমুখীয়া নদীক উদাহৰণ হিচাপে লৈ তেওঁ ব্যাখ্যা আগবঢ়ায়। এনেদৰে তেওঁ বুৰঞ্জী অধ্যয়ন আৰু চৰ্চাৰ সৈতে জড়িত হোৱা ব্যক্তিগত জীৱনৰ অভিজ্ঞতা মনকৰিবলগীয়া। তেওঁৰ বক্তব্যৰ শেষত কয় যে বুৰঞ্জী চৰ্চা এক সাধনাৰ বিষয়। ছাত্ৰ-ছাত্ৰীক বুৰঞ্জী অধ্যয়নৰ লগত জড়িত হ'বলৈ তেওঁ আহ্বান জনায়। এই সুযোগতে ব্যস্ততাপূৰ্ণ জীৱনৰ মাজতো আমাৰ আমন্ত্ৰণক্ৰমে অনুষ্ঠানটোৰ সমল ব্যক্তি হিচাপে উপস্থিত থকা নবীন বুঢ়াগোহাঁই মহোদয়লৈ নৰ্থ লখিমপুৰ বিশ্ববিদ্যালয় টাই আহোম ছাত্ৰ সমাজৰ তৰফৰ পৰা আগবঢ়ালোঁ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতাৰ শৰাই।

# শেষনিশাৰ বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠান

**কেম্পাছ প্ৰতিনিধি ঃ** ২৫ মাৰ্চ, ২০২৫ তাৰিখে গ্ৰন্থমেলাৰ বাকৰিত মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ এটি বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠান সম্পন্ন হয়। অনুষ্ঠানটোৰ সমন্বয়কৰ দায়িত্বত থাকে মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক মুন্‌মী দত্ত। অনুষ্ঠানটোৰ আঁত ধৰে অসমীয়া বিভাগৰ ছাত্ৰী দিব্যলক্ষী সেনাপতিয়ে। এটি সত্ৰীয়া নৃত্যৰে অনুষ্ঠানটোৰ শুভাৰম্ভ কৰা হয়। নৃত্যটি পৰিবেশন কৰে মহাবিদ্যালয়ৰ ছাত্ৰী অংকুৰাণী দত্ত, অনন্যা চুতীয়া, চুমী শইকীয়া আৰু অৰ্চনা বৰাই। আৰম্ভণিতে গ্ৰন্থমেলা আয়োজক সমিতিৰ সম্পাদক তথা অসমীয়া বিভাগৰ মুৰব্বী ড° অৰবিন্দ ৰাজখোৱাই ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি শুভেচ্ছামূলক বক্তব্য প্ৰদান কৰে। অনুষ্ঠানটোত কেইবাগৰাকী ছাত্ৰ-ছাত্ৰীয়ে গীত, নৃত্য আদি পৰিৱেশন কৰি দৰ্শকসকলক আমোদ প্ৰদান কৰে। এককভাৱে আধুনিক গীত পৰিৱেশন কৰা ছাত্ৰ-ছাত্ৰীসকল ক্ৰমে বৈষ্ণৱী বৰুৱা, গৰিয়সী বৰুৱা আৰু সুদৰ্শনা তামুলী আৰু গৱেষক শোভাকৃষ্ণ ফুকন। অনামিকা বৰুৱাই অনুষ্ঠানটোত এটি বিহুগীত পৰিৱেশন কৰে। অৰুণিমা হাজৰিকা, গৰিমা হাজৰিকা আৰু বৰষা গগৈ, বৰষাজ্যোতি শইয়াই অনুষ্ঠানটোত দ্বৈতভাৱে গীত পৰিৱেশন কৰে। তদুপৰি অসমীয়া বিভাগৰ ছাত্ৰ ৰাজদ্বীপ পাংগিং, দেৱজ্যোতি মৰাং, থমাচ পেগু আৰু লক্ষ্যজ্যোতি টাইদে অনুষ্ঠানটোত দলীয়ভাৱে এটি ঐনিতম পৰিৱেশন কৰে। উল্লেখ্য যে মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক মুন্‌মী দত্তই অনুষ্ঠানটোত এটি গীত পৰিৱেশন কৰে। লগতে পদাৰ্থ বিজ্ঞান বিভাগৰ সহকাৰা অধ্যাপক ড° মনোৰঞ্জন দত্তই অনুষ্ঠানটোত এটি গীত পৰিৱেশন কৰে আৰু গ্ৰন্থমেলাৰ পৰিৱেশটোৰ লগত জড়িত হোৱাৰ অনুভৱ ব্যক্ত কৰে। অসমীয়া বিভাগৰ ছাত্ৰ দেৱজিৎ গগৈয়ে অনুষ্ঠানটোত এককভাৱে এটি সৃষ্টিশীল নৃত্য পৰিৱেশন কৰে। স্নাতক দ্বিতীয় ষান্মাসিক, স্নাতক ষষ্ঠ ষান্মাসিক আৰু স্নাতকোত্তৰ চতুৰ্থ ষান্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলৰদ্বাৰা আকৰ্ষণীয়ভাৱে একোটিকৈ দলীয় নৃত্য পৰিৱেশিত হয়। তদুপৰি অসমীয়া বিভাগৰ ছাত্ৰী হৰিমা পামেগাম, পৰিস্মৃতা চুতীয়া, শান্তিপ্ৰিয়া মেদক, পুষ্পাঞ্জলি পেগু, ডিম্পী চেতিয়া আৰু দত্তই এটি গুমৰাগ নৃত্য পৰিৱেশন কৰে। অনুষ্ঠানটোত প্ৰাণীবিজ্ঞান বিভাগ কেইগৰাকীমান ছাত্ৰ-ছাত্ৰীয়ে এটি সুৰ সমলয় অনুষ্ঠান পৰিৱেশন কৰে। অনুষ্ঠানটোৰ শেষৰফালে কেইবাগৰাকী ছাত্ৰ-ছাত্ৰীৰদ্বাৰা বিহু প্ৰদৰ্শন কৰা হয়। পৰৱৰ্তী সময়ত শিক্ষক, গৱেষক, ছাত্ৰ-ছাত্ৰী আৰু অতিথিসকলে এই বিহুত সহযোগিতা কৰে। অসমীয়া বিভাগৰদ্বাৰা আয়োজিত সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাৰ শেষৰটো সাংস্কৃতিক অনুষ্ঠান মহাবিদ্যালয়ৰ কেইবাগৰাকী শিক্ষক, ছাত্ৰ-ছাত্ৰীৰ লগতে কেইবাগৰাকী অতিথিয়ে উপভোগ কৰে।

সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাৰ লগত সংগতি ৰাখি প্ৰতিদিনাই আয়োজন কৰা এই সাংস্কৃতিক অনুষ্ঠানসমূহে গ্ৰন্থমেলাৰ জৰিয়তে মহাবিদ্যালয়ত সৃষ্টি হোৱা পৰিৱেশটোক অধিক জীপাল কৰি তোলে।




## এখন বৃহৎ কলেৱৰৰ গ্ৰন্থ 'নৰ্থ লখিমপুৰ কলেজৰ ইতিহাস'

**নবীন বুঢ়াগোহাঁই**

নৰ্থ লখিমপুৰ কলেজ যে অসমৰ কলেজসমূহৰ ভিতৰত এখন আদৰ্শ কলেজ তাত কোনো সন্দেহ নাই। যোৱা ২৫ মাৰ্চ তাৰিখে এই কলেজখনত বুৰঞ্জী সম্পৰ্কীয় এটা বক্তৃতা প্ৰদান কৰিবলৈ আমন্ত্ৰিত হৈছিলোঁ। বক্তৃতা দিয়াৰ আগমুহূৰ্তত কলেজৰ তৰফৰপৰা সম্বৰ্ধনা স্বৰূপে আমাক কিতাপ আৰু কলেজ আলোচনী উপহাৰস্বৰূপে দিছিল। তাৰ ভিতৰত 'নৰ্থ লখিমপুৰ কলেজৰ ইতিহাস' নামৰ এখন বৃহৎ কলেৱৰৰ গ্ৰন্থও প্ৰদান কৰিছিল। এই ইতিহাসখন কলেজখনৰ অসমীয়া বিভাগৰ মূৰব্বী অধ্যাপক ডক্টৰ অৰবিন্দ ৰাজখোৱাই প্ৰণয়ন কৰি উলিয়াইছে। এতিয়ালৈকে এনেধৰণে অসমৰ কোনো কলেজৰ ইতিহাস প্ৰণয়ন হোৱাৰ কথা জ্ঞাত নহয়। সম্ভৱতঃ এইখন গ্ৰন্থ কলেজৰ ইতিহাস প্ৰণয়নৰ বাটকটীয়া। এই গ্ৰন্থখনৰ বিষয়ে থোৰতে ক'বপৰা কথাটো এয়ে যে গ্ৰন্থখনে কলেজখনৰ প্ৰায় সকলোবোৰ দিশ সামৰি লৈছে। তদুপৰি এই কলেজখনে প্ৰতিটো তথ্য-পাতি গুৰুত্বসহকাৰে সংৰক্ষণ কৰি ৰাখে বুলি ইতিহাস গ্ৰন্থখনৰপৰা প্ৰমাণিত হয়। অন্যথা এনে এখন ভৰপূৰ, প্ৰণালীবদ্ধ আৰু কালানুক্ৰমিক ইতিহাস প্ৰণয়ন কৰাটো অসম্ভৱ। এই ইতিহাস গ্ৰন্থখনে ছাত্ৰ-ছাত্ৰী আৰু সমাজৰ প্ৰতি নৰ্থ লখিমপুৰ কলেজৰ গভীৰ দায়বদ্ধতা প্ৰতিফলিত কৰিছে।

# গ্ৰন্থমেলাৰ সৈতে সংগতি ৰাখি অনুষ্ঠিত কৰা বিভিন্ন প্ৰতিযোগিতা

বিগত বৰ্ষৰ দৰেই এই বৰ্ষটো সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলা আৰু সাহিত্য উৎসৱ অনুষ্ঠিত কৰা হয়। চলিত বৰ্ষৰ ১৮ মাৰ্চৰ পৰা ২৫ মাৰ্চ তাৰিখলৈ আঠদিনীয়া কাৰ্যসূচীৰে আড়ম্বৰপূৰ্ণভাৱে এই গ্ৰন্থমেলাখন অনুষ্ঠিত হয়। গ্ৰন্থমেলাখনৰ সৈতে সংগতি ৰাখি আয়োজন কৰা অনুষ্ঠানসমূহে গ্ৰন্থমেলাখনৰ সৌষ্ঠৱ দুগুণে বৃদ্ধি কৰিলে। গ্ৰামোফোন ৰেকৰ্ডৰ প্ৰদৰ্শনী, আলোচনা সত্ৰ, অসম ভিত্তিক মুকলি কুইজ প্ৰতিযোগিতা, কবি সন্মিলন, সৃষ্টিশীল সাহিত্য লিখনৰ কৰ্মশালা, যুৱ সমাৰোহ আদিৰ লগতে প্ৰত্যেক দিনাৰ সাংস্কৃতিক অনুষ্ঠানে গ্ৰন্থমেলাখনক কেৱল গ্ৰন্থৰ মাজতে সীমাবদ্ধ নাৰাখি সাহিত্যৰ বৰ্ণিল ক্ষেত্ৰখনলৈ বাট মুকলি কৰে। গ্ৰন্থ বিক্ৰীৰ সমান্তৰালভাৱে ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশৰ বাবে এইবাৰ গ্ৰন্থমেলা আৰু সাহিত্য উৎসৱ উপলক্ষে বহুকেইটা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা বিভিন্ন প্ৰতিযোগিতা আৰু এই প্ৰতিযোগিতাসমূহৰ ফলাফল এনেধৰণৰ —

**১. গ্ৰন্থ সমালোচনা প্ৰতিযোগিতা ঃ** সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাৰ লগত সংগতি ৰাখি আয়োজিত এইবৰ্ষৰ উল্লেখনীয় এক প্ৰতিযোগিতা হ'ল 'গ্ৰন্থ সমালোচনা'। পূৰ্বে প্ৰস্তুত গ্ৰন্থ সমালোচনাৰ মূল বিষয় আছিল —'২০২৪ চনত প্ৰকাশিত যিকোনো এখন ইংৰাজী বা অসমীয়া গ্ৰন্থৰ আলোচনা'। সমন্বয়ক শৰৎ শইকীয়াৰ দ্বাৰা প্ৰতিযোগিতাখনি সুকলমে সম্পন্ন হয়। প্ৰতিযোগিতাখনিত নিম্নোক্ত প্ৰতিযোগীসকলে স্থান পাবলৈ সক্ষম হয়।

প্ৰথম স্থান ঃ ধীৰাজ দত্ত (আলোচিত গ্ৰন্থ ঃ 'নেত্ৰী'— জুৰি বৰা বৰগোহাঞি)

দ্বিতীয় স্থান ঃ সংগীতা বৰা (আলোচিত গ্ৰন্থ ঃ 'ঐতিহ্য-অনুষংগ'— ডক্টৰ অৰবিন্দ ৰাজখোৱা)

তৃতীয় স্থান ঃ প্ৰজ্ঞান জ্যোতি ভূঞা (আলোচিত গ্ৰন্থ ঃ 'ঐতিহ্য-অনুষংগ'— ডক্টৰ অৰবিন্দ ৰাজখোৱা)

**২. প্ৰবন্ধ প্ৰতিযোগিতা ঃ** সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাৰ লগত সংগতি ৰাখি এখনি পূৰ্বে প্ৰস্তুত প্ৰবন্ধ প্ৰতিযোগিতাৰ আয়োজন হয়। প্ৰতিযোগিতাখনৰ মূল বিষয় আছিল — 'নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলা আৰু ছাত্ৰ সমাজ'। প্ৰতিযোগিতাখনৰ সমন্বয়কৰ দায়িত্বত আছিল শৰৎ শইকীয়া। প্ৰতিযোগিতাখনত বহুতো ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ আছিল কেৱল এজন প্ৰতিযোগীয়ে বিচাৰকৰ বিশেষ বটা লাভ কৰিবলৈ সক্ষম হৈছে—

বিচাৰকৰ বিশেষ বঁটা— ধীৰাজ দত্ত, বুৰঞ্জী বিভাগ

**'কিতাপ আৰু আলাপ' প্ৰতিযোগিতা ঃ** সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাৰ লগত সংগতি ৰাখি আয়োজিক এক বিশেষ প্ৰতিযোগিতা হ'ল 'কিতাপ আৰু আলাপ'। এই বৰ্ষৰ 'কিতাপ আৰু আলাপ' প্ৰতিযোগিতাৰ মূল বিষয় আছিল— নিজে পঢ়া যিকোনো এখন কিতাপৰ বিষয়ে বক্তৃতা। প্ৰতিযোগিতাখন গ্ৰন্থমেলাৰ বাকৰিতে অনুষ্ঠিত হয়। ডক্টৰ ধনৰঞ্জন কলিতাৰ সমন্বয়ত প্ৰতিযোগিতাখনি সুন্দৰ ৰূপত সম্পন্ন হয়। প্ৰতিযোগিতাখনৰ স্থান প্ৰাপ্তসকল হৈছে—

প্ৰথম স্থান ঃ দিব্যজ্যোতি শইকীয়া, অসমীয়া বিভাগ

দ্বিতীয় ঃ হীৰকজ্যোতি বৰা, শিক্ষাতত্ত্ব বিভাগ

তৃতীয় ঃ ময়ূৰী বৰা, ৰসায়ন বিজ্ঞান বিভাগ

**৩. ঠাইতে লিখা প্ৰবন্ধ প্ৰতিযোগিতা ঃ** সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাত ছাত্ৰ-ছাত্ৰীসকলৰদ্বাৰা পৰিচালিত গ্ৰন্থৰ বিপণিসমূহৰ লগতে দুই-এখন বাণিজ্যিক বিপণিও সংযুক্ত কৰা হয়। গ্ৰন্থমেলাৰ উল্লেখনীয় বিপণি হৈছে পূৰবী ডেইৰী গোষ্ঠী। এই পূৰবী ডেইৰী গোষ্ঠীটোৱে নান দুগ্ধজাত খাদ্য বিক্ৰীৰ লগতে তেওঁলোকৰদ্বাৰা এখনি ৰচনা প্ৰতিযোগিতাৰো আয়োজন কৰে। প্ৰতিযোগিতাখনৰ মূল বিষয়বস্তু আছিল — *দুগ্ধ উদ্যোগৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত পূৰবী ডেইৰীৰ ভূমিকা তথা অসম চৰকাৰৰ সহযোগিতা*। প্ৰতিযোগিতাখনি পৰিচালনা কৰে শোভাকৃষ্ণ ফুকনে। প্ৰতিযোগিতাখনিত নিম্নোক্ত ব্যক্তিসকলে স্থান পাবলৈ সক্ষম হয় —

প্ৰথম স্থান ঃ ধীৰাজ দত্ত, বুৰঞ্জী বিভাগ

দ্বিতীয় স্থান ঃ গায়ত্ৰী বৰুৱা, সংহত শিক্ষক শিক্ষণ পাঠ্যক্ৰম

তৃতীয় স্থান ঃ দিব্যজ্যোতি শইকীয়া, অসমীয়া বিভাগ






গ্ৰন্থমেলাৰ শেষৰ দিনা পৰম আগ্ৰহেৰে আহিছিল ডক্টৰ হেমন্ত কুমাৰ বৰুৱা। তেওঁ কলেজ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি তথা অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি

**৪. ফটোগ্ৰাফী প্ৰতিযোগিতা ঃ** সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাৰ সামগ্ৰিক পৰিৱেশ সামৰি বিগত বৰ্ষৰ দৰেই এইবৰ্ষটো ফটোগ্ৰাফী প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাখনৰ মূল বিষয় আছিল— 'সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলা'। প্ৰতিযোগিতাখনত যিকোনো তিনিখন ফটো (নিজে তোলা) ৰ জৰিয়তে যোগ্যতা বিবেচনা কৰা হয়। প্ৰতিযোগিখনৰ স্থানপ্ৰাপ্তসকলৰ নাম তালিকা নিম্নোক্ত ধৰণৰ—

প্ৰথম স্থান ঃ মিগাংকু নৰহ, অণুবিদ্যুৎ বিভাগ

দ্বিতীয় স্থান ঃ ৰূপল দত্ত, উদ্ভিদ বিজ্ঞান বিভাগ

তৃতীয় স্থান ঃ বিবেকানন্দ গগৈ, অসমীয়া বিভাগ

**৫. ভিডিঅ'গ্ৰাফী প্ৰতিযোগিতা ঃ** গ্ৰন্থমেলাৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আমোদ প্ৰদান আৰু গ্ৰন্থমেলাৰ প্ৰতিটো মুহূৰ্তকে সজীৱতা প্ৰদানৰ উদ্দেশ্যে ছুটি ভিডিঅ' নিৰ্মাণ প্ৰতিযোগিতাও অনুষ্ঠিত হয়। এই প্ৰতিযোগিতাৰ সৰ্বাধিক সময়সীমা দুই মিনিটকৈ নিৰ্ধাৰণ কৰা হয়। অসমীয়া বিভাগৰ গৱেষক প্ৰাৰ্থনা দত্তৰ দ্বাৰা পৰিচালিত ভিডিঅ' প্ৰতিযোগিতাখনৰ মূল বিষয় আছিল— 'সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলা'। প্ৰায় অৰ্ধশতাধিক প্ৰতিযোগীৰ মাজৰপৰা তিনিজনক প্ৰথম তিনিটা স্থানৰ বাবে নিৰ্বাচন কৰা হয়। এই প্ৰতিযোগিতাখনৰ স্থান প্ৰাপ্তসকলৰ নাম তলত উল্লেখ কৰা হ'ল—

প্ৰথম স্থান ঃ মিগাংকু নৰহ, অণুবিদ্যুৎ বিজ্ঞান বিভাগ

দ্বিতীয় স্থান ঃ আকাশ শৰ্মা, উদ্ভিদ বিজ্ঞান বিভাগ

তৃতীয় স্থান ঃ ৰূপল দত্ত, উদ্ভিদ বিজ্ঞান বিভাগ

**৬. ফেচবুক পোষ্ট প্ৰতিযোগিতা ঃ** সাম্প্ৰতিক সময়ত যিকোনো বিষয় উপস্থাপন, প্ৰচাৰ-প্ৰসাৰৰ ক্ষেত্ৰত ছচিয়েল মেডিয়াৰ ভূমিকা উল্লেখনীয়। এই গুৰুত্ব উপলব্ধি কৰি সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাত ফেচবুক পোষ্টৰ এক প্ৰতিযোগিতাও অনুষ্ঠিত হয়। এইপ্ৰতিযোগিতাখনিৰ সমন্বয়কৰ দায়িত্বত আছিল দেবাশিস বুঢ়াগোহাঁই। বহুতো ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণেৰে সম্পন্ন প্ৰতিযোগিতাখনিত নিম্নোক্ত ব্যক্তি দুজনে স্থান পাবলৈ সক্ষম হয়।

প্ৰথম স্থান ঃ দেৱজিৎ মণ্ডল, পৰিসংখ্যা বিজ্ঞান

দ্বিতীয় স্থান ঃ পৰিস্মিতা দাস, সংহত শিক্ষক শিক্ষণ পাঠ্যক্ৰম

এনে প্ৰতিযোগিতাই ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য প্ৰতিভাক অধিক বিকশিত কৰাৰ পৰিৱেশ প্ৰদান কৰে। প্ৰতিযোগিতাত স্থান প্ৰাপ্তসকলক অনুষ্ঠানৰ শেষৰ দিনা গ্ৰন্থ আৰু মানপত্ৰসহ বঁটা প্ৰদান কৰা হয়।



# গ্ৰন্থমেলাৰ বিপণিসমূহৰ চমু অৱলোকন

## অসমীয়া বিভাগৰ স্নাতকোত্তৰ দ্বিতীয় যান্মাসিকৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতিবেদন

১৮ মাৰ্চৰ পৰা ২৫ মাৰ্চ ২০২৫ৰ লৈকে মুঠ আঠদিনীয়া কাৰ্যসূচীৰে সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলা অনুষ্ঠিত কৰা হয়। বিভিন্ন বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজিত এই গ্ৰন্থমেলাখনৰ এক উল্লেখযোগ্য দিশ তথা পদক্ষেপ হ'ল ছাত্ৰ-ছাত্ৰীসকলে বিক্ৰেতা হিচাপে পালন কৰা ভূমিকা। অসমৰ বিভিন্ন গ্ৰন্থ প্ৰকাশন গোষ্ঠীৰ গ্ৰন্থৰে এই বিপণীসমূহ সজোৱা হয়। এই বিপণীত বিক্ৰেতা হিচাপে থাকে অসমীয়া বিভাগৰ স্নাতকোত্তৰ দ্বিতীয় যান্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকল। মুঠ এঘাৰখন গ্ৰন্থ বিপণীৰ প্ৰকাশনসমূহ হৈছে— বনলতা, জ্যোতি প্ৰকাশন, ষ্টুডেণ্ট ষ্ট'ৰচ, বান্ধৱ, আঁকবাঁক, অসম প্ৰকাশন পৰিষদ, আসাম পাবলিচিং কোম্পানী, শৰাইঘাট প্ৰকাশন, অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, নৰ্থ লখিমপুৰ কলেজ প্ৰকাশন আৰু নেশ্যনেল বুক ট্ৰাষ্ট। শিশু আৰু কিশোৰৰ বাবেও আচুতীয়াকৈ অনুষ্ঠিত কৰা গ্ৰন্থমেলাখনে সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাক এক বিশেষ মৰ্যদা প্ৰদান কৰে। এই গ্ৰন্থমেলাৰ বিপণীসমূহত নিজৰ প্ৰকাশনৰ গ্ৰন্থসমূহৰ উপৰিও অন্য প্ৰকাশনৰ গ্ৰন্থও বিক্ৰীৰ বাবে ৰখা হৈছিল। সাহিত্যৰ বিভিন্ন বিধাসমূহ যেনে— গল্প, উপন্যাস, কবিতা, প্ৰবন্ধ আদিৰ লগতে আলোচনী, অভিধান, বুৰঞ্জী, সমাজ, ৰাজনীতি, অৰ্থনীতি আদি বিষয়ক গ্ৰন্থৰ সমাহাৰেৰে অসমীয়া বিভাগৰ স্নাতকোত্তৰ দ্বিতীয় যান্মাসিক ছাত্ৰ-ছাত্ৰীসকলে এই গ্ৰন্থৰ বিপণীসমূহ আটকধুনীয়াকৈ সজ্জিত কৰিছিল।

অসমৰ এক আগশাৰীৰ প্ৰকাশন গোষ্ঠী হৈছে 'বনলতা প্ৰকাশন'। অসমৰ প্ৰকাশন গোষ্ঠীসমূহৰ ভিতৰত বনলতাৰ এক বিশেষ স্থান আছে। বনলতা প্ৰকাশনৰ প্ৰতিষ্ঠাপক হৈছে মাখন হাজৰিকা আৰু বৰ্তমানৰ স্বত্বাধিকাৰী হৈছে অনন্ত হাজৰিকা। বনলতা প্ৰকাশনৰ বিপণীৰ বিক্ৰেতাসকল হৈছে ক্ৰমে— সংগীতা বৰা, লয়ালী হাজৰিকা আৰু দিপাংকৰ গোহাঁই। বনলতা প্ৰকাশনৰ বিপণীৰ পৰা যথেষ্ট সংখ্যক গ্ৰন্থ বিক্ৰী হয়। এই প্ৰকাশনৰ



পৰা সৰ্বাধিক বিক্ৰী হোৱা গ্ৰন্থসমূহ হৈছে— খলীল জিব্ৰানৰ 'প্ৰফেট', অনুৰাধা শৰ্মা পুজাৰীৰ 'কাঞ্চন', 'ইয়াত এখন অৰণ্য আছিল',নাহৰৰ নিৰিবিলি ছাঁ, য়েছে দৰজে ঠংচিৰ 'শৰ কটা মানুহ', 'মৌন ওঁঠ মুখৰ হৃদয়', দেৱকান্ত সন্দিকৈৰ 'জীৱনটো আমি মাথোঁ এবাৰেই পাওঁ' আদি।

সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাত 'জ্যোতি প্ৰকাশন'ৰ এখনি বিপণী আছিল। অসমৰ এক লেখত ল'বলগীয়া প্ৰকাশন হৈছে জ্যোতি প্ৰকাশন। অসমীয়া সাহিত্যৰ স্বনামধন্য সাহিত্যিকসকলৰ বহুতো গ্ৰন্থ উক্ত প্ৰকাশনে পাঠকৰ হাতত তুলি দিছে। জ্যোতি প্ৰকাশনৰ বৰ্তমানৰ স্বত্বাধিকাৰী হৈছে নগেন শৰ্মা। জ্যোতি প্ৰকাশনৰ বিপণীত বিক্ৰেতা হিচাপে থকা শিক্ষাৰ্থীসকল হৈছে ক্ৰমে— পৰিস্মিতা ওজা, বিস্মিতা শইকীয়া আৰু তৃষ্ণা চুতীয়া। জ্যোতি প্ৰকাশনৰ বিপণীৰপৰা সৰ্বাধিক বিক্ৰী হোৱা গ্ৰন্থসমূহ হৈছে- কাঞ্চন বৰুৱাৰ আলোড়নকাৰী উপন্যাস 'অসীমত যাৰ হেৰাল সীমা', 'পুৱতী তৰা', 'অশান্ত প্ৰহৰ', ভবেন্দ্ৰনাথ শইকীয়াৰ উপন্যাস 'অন্তৰীপ' আৰু গল্প সংকলন 'সেন্দুৰ', অৰূপা পটংগীয়া কলিতাৰ উপন্যাস 'ফেলানী', ৰীতা চৌধুৰীৰ 'মাকাম', আঁদ্ৰে মৰোৱাৰ গ্ৰন্থ 'প্ৰেম নিবেদন' আদি।

নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাৰ লগত সংগতি ৰাখি অসমীয়া বিভাগৰ স্নাতকোত্তৰ দ্বিতীয় যান্মাসিকৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা যিসমূহ বিপণী দিয়া হৈছিল সেইসমূহৰ ভিতৰত অন্যতম হ'ল 'ষ্টুডেন্টচ্ ষ্ট'ৰচ'। এই বিপণীত আছিল ক্ৰমে কৰবী দত্ত, চুমকি গগৈ আৰু দিব্যজ্যোতি খনিকৰ। ষ্টুডেন্টচ্ ষ্টৰচত হোমেন বৰগোহাঞিৰ কিতাপ অধিক পোৱা যায়। কম মূল্যৰ কিন্তু অতি প্ৰয়োজনীয় এই গ্ৰন্থসমূহ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে বিভিন্ন বয়সৰ ব্যক্তিসকলে ক্ৰয় কৰে। এই প্ৰকাশনৰ পৰা সৰ্বাধিক বিক্ৰী হোৱা গ্ৰন্থসমূহ হৈছে— হোমেন বৰগোহাঞিৰ 'নিঃসংগতা', 'মৎস্যগন্ধা', 'সুবালা', 'উচ্চাকাংক্ষা', 'কাম কৰাৰ আনন্দ','কিতাপ পঢ়াৰ আনন্দ',মামণি ৰয়চম গোস্বামীৰ 'আধা লেখা দস্তাবেজ', দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা, হোমেন বৰগোহাঞিৰ ধুমুহা আৰু ৰামধেনু, হালধীয়া চৰায়ে বাওধান খায়, সাউদৰ পুতেকে নাও মেলি যায় ইত্যাদি।

এই গ্ৰন্থমেলাৰ আন এখন বিপণী আছিল 'বান্ধৱ' প্ৰকাশনৰ। এই প্ৰকাশনৰ বিপণীৰ তত্বাবধায়ক হ'ল ড' ধীৰাজ পাটৰ। উক্ত বিপণীৰপৰা সৰ্বাধিক বিক্ৰী হোৱা গ্ৰন্থকেইখন হ'ল— মৃণাল কলিতাৰ 'অভিমন্যু', প্ৰণৱজ্যোতি ডেকাৰ 'সোণৰ চামুচ মুখত লৈ', তুলিকা শইকীয়াৰ 'চাৰিশাল গোসাঁনীৰ তেজ', হোমেন বৰগোহাঞিৰ 'কাম কৰাৰ আনন্দ', 'মানুহ হোৱাৰ গৌৰৱ', অনুৰাধা শৰ্মা পুজাৰীৰ 'নাহৰৰ নিৰিবিলিৰ ছাঁ', ৰুবুল মাউতৰ 'মোৰো এটা সপোন আছে', খলিল জিব্ৰানৰ 'প্ৰফেট' আদি।

উক্ত গ্ৰন্থমেলাৰ আন এখন বিপণী হৈছে— 'আঁকবাঁক প্ৰকাশন'। এই বিপণীৰ বিক্ৰেতাসকল হৈছে ক্ৰমে- নিৰঞ্জনা চুতীয়া, মাম্পি ৰাম আৰু পংকজ পেগু। উক্ত প্ৰকাশনৰপৰা সৰ্বাধিক বিক্ৰী হোৱা গ্ৰন্থসমূহ হৈছে- মনোজ কুমাৰ নাথৰ 'অসম আন্দোলন', মৃদুল হালৈৰ 'অকলে আছোঁ কুশলে আছোঁ, অৰবিন্দ ৰাজখোৱাৰ 'ঐতিহ্য অনুষংগ', সমীৰ তাঁতীৰ 'ফৰিংবোৰে বাটৰ কথা জানে', ভৃগুেশ্বৰ শৰ্মাৰ দৈনন্দিন ১,২,৩ আদি।



'শৰাইঘাট প্ৰকাশন'ৰ বিপণীৰ দায়িত্বত থকা শিক্ষাৰ্থীসকল ক্ৰমে— উদ্ধৱ তামুলী ফুকন, মালবিকা বৰা আৰু পঞ্চী গোস্বামী। শৰাইঘাট অভিধান আৰু কালজয়ী সাহিত্যৰে এই বিপণীখন ভৰি আছিল। জৰ্জ বাৰ্ণাড শ্ব, জুল ভাৰ্ণ, টমাচ হাৰ্ডি, হেনৰী গিলবাৰ্ড আদি বিশ্বৰ প্ৰসিদ্ধ সাহিত্যিকসকলৰ দ্বাৰা ৰচিত বিভিন্ন অনুবাদ গ্ৰন্থসমূহ এই প্ৰকাশনৰ বিপণীত উপলব্ধ আছিল। কালজয়ী সাহিত্যৰ গ্ৰন্থসমূহৰ দাম কম হোৱাৰ বাবে এই গ্ৰন্থসমূহৰ প্ৰতি গ্ৰাহক সহজে আকৰ্ষিত হৈছিল। শৰাইঘাট প্ৰকাশনৰ বিপণীৰপৰা সৰ্বাধিক বিক্ৰী হোৱা গ্ৰন্থসমূহ হৈছে- শ্বাৰলক হ'মচৰ ৰহস্য কাহিনী 'আৰ্থাৰ কনান ডয়ল', ডেভিদ কপাৰফিল্ড, ফ্ৰেংকেনষ্টাইন, জুল ভাৰ্নৰ 'সাগৰৰ তলিয়েদি কুৰি হাজাৰ লিগ', আশীদিনত পৃথিৱী পৰিভ্ৰমণ, চন্দ্ৰৰ কাষেদি , ৰ'হানা স্পাইৰিৰ 'হাইডি' আৰু ভেলেণ্টিনা ঝুৰাভলিঅ'ভাৰ 'মহাকাশচাৰী' আদি উল্লেখযোগ্য।

'অসম প্ৰকাশন পৰিষদ'ৰ বিপণীৰ বিক্ৰেতাসকল হৈছে ক্ৰমে কিৰণজিৎ হাজৰিকা, নিশিতা কোঁৱৰ আৰু বিশ্ৰুভা মজিন্দাৰ। এই বিপণীত আৱাহনৰ আঠটা খণ্ড পোৱাৰ লগতে জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৰচনাৱলী, আধুনিক অসমীয়া অভিধান আৰু বিভিন্ন গ্ৰন্থ এই বিপণীত উপলব্ধ আছিল।

'নৰ্থ লখিমপুৰ কলেজ প্ৰকাশন'ৰ বিপণীৰ দায়িত্বত থকা শিক্ষাৰ্থীসকল ক্ৰমে— ৰীমা দত্ত, ভূমিকা মিৰি আৰু ৰিম্মা কুটুম। ইয়াত উক্ত প্ৰকাশনৰ গ্ৰন্থসমূহৰ উপৰিও অন্যান্য গ্ৰন্থসমূহো বিক্ৰীৰ বাবে ৰখা হৈছিল। অসম বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ বিপণীৰ বিক্ৰেতাসকল হৈছে ক্ৰমে - ডিম্পী হাজৰিকা, কৰিণা তাও, লিপিকা দত্ত, অংকিতা নেওগ আৰু আফ্ৰিন চুলতানা। এই বিপণীত অতি কম মূল্যতে বুৰঞ্জী পুথি সমূহ ক্ৰয় কৰাৰ সুবিধা প্ৰদান কৰা হৈছিল।

সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাৰ আটাইতকৈ আৰ্কষণীয় বিপণীখন হ'ল নেচনেল বুকট্ৰাষ্টৰ। ইয়াত শিশু আৰু কিশোৰ-কিশোৰীসকলৰ উপযোগী গ্ৰন্থসমূহ উপলব্ধ আছিল। এই প্ৰকাশনৰ গ্ৰন্থসমূহৰ প্ৰতি শিশুৰ পৰা আৰম্ভ কৰি কিশোৰ-কিশোৰীসকল অতি আগ্ৰহী হোৱা দেখা যায়। তদুপৰি অভিভাৱকসকলেও কিতাপসমূহ তেওঁলোকৰ সন্তানৰ বাবে ক্ৰয় কৰা দেখা গৈছিল। বিশেষকৈ 'বন বন নামৰ গড় পোৱালীটো', 'দেউতা', 'পাঁচ পোৱা ঘেঁহু', 'প্ৰেমচন্দৰ তেৰটি শিশু গল্প' আদি কিতাপসমূহ সৰ্বাধিক বিক্ৰী হৈছিল। তদুপৰি ছাত্ৰ-ছাত্ৰীসকলৰ বাবে উপলব্ধ উপযোগী গ্ৰন্থসমূহ হ'ল— 'অসমীয়া গল্পচয়ন', 'আমাৰ সংবিধান', 'সৌৰভ কুমাৰ চলিহাৰ স্বনিৰ্বাচিত গল্প' আদি। এই বিপণীৰ বিক্ৰেতাসকল হৈছে- সীমাৰেখা দাস, ৰিতুপৰ্ণা ফুকন আৰু জয়শ্ৰী শইকীয়া।




সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাত মূল গ্ৰন্থমেলাখনৰ উপৰিও উক্ত বিপণীসমূহত পাঠকৰ যথেষ্ট সমাগম দেখা গৈছিল। এই গ্ৰন্থমেলাখনে ছাত্ৰ-ছাত্ৰীৰ লগতে অন্য ব্যক্তিসকলকো গ্ৰন্থ অধ্যয়নৰ প্ৰতি উদ্বুদ্ধ কৰা দেখা যায়। আঠোটা দিনেই বিক্ৰেতা হিচাপে থকা শিক্ষাৰ্থীসকলে পাঠকৰ ৰুচিবোধ, গ্ৰাহকৰ লগত কথাবাৰ্তাৰ শৈলী, ব্যৱসায় তথা দোকান এখন পৰিচালনা কৰাৰ কৌশল আদি আয়ত্ত কৰিবলৈ সক্ষম হয়। কিতাপ সজোৱাৰ পৰা আৰম্ভ কৰি গ্ৰাহকৰ হাতত কিতাপখন তুলি দিয়াবলৈকে বিভিন্ন অভিজ্ঞতাই ছাত্ৰ-ছাত্ৰীসকলক পুষ্ট কৰিলে। মুঠৰ ওপৰত সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাই বিক্ৰেতা হিচাপে থকা ছাত্ৰ-ছাত্ৰীসকলক বিশেষভাৱে সমৃদ্ধ কৰিলে। বিভিন্ন ব্যক্তিৰ সান্নিধ্য, গ্ৰন্থ বিক্ৰীৰ বিভিন্ন প্ৰক্ৰিয়া, নানান অনুষ্ঠান, প্ৰদৰ্শনী আদি চিৰস্মৰণীয় হৈ ৰ'ব।





সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাৰ শেষৰ নিশা ছাত্ৰ-ছাত্ৰীসকলে হুঁচৰি আৰু মুকলি বিহু পৰিৱেশন কৰে। বিহুৰ শেষত গৃহস্থ হিচাপে অসমীয়া বিভাগৰ মুৰব্বী ডক্টৰ অৰবিন্দ ৰাজখোৱাই শৰাই দিয়ে। সহযোগ কৰে ডক্টৰ ধীৰাজ পাটৰ, ডক্টৰ মনোৰঞ্জন দত্ত, মুনমী দত্ত, অসমীয়া বিভাগৰ প্ৰাক্তন ছাত্ৰ কানন বৰগোহাঁই আৰু কুসুম্বৰ চেতিয়াই।

# বিক্ৰেতাসকলৰ অনুভৱ

### প্ৰাণজিৎ কোঁচ

অসমৰ উত্তৰ পাৰৰ এখন অগ্ৰণী শিক্ষানুষ্ঠান নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত)। বিগত বৰ্ষৰ দৰে চলিত বৰ্ষৰ ১৮-২৫ মাৰ্চ পৰ্যন্ত নৰ্থ লখিমপুৰ কলেজত এখন অগতানুগতিক গ্ৰন্থমেলা অনুষ্ঠিত হৈ যায়। ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশ সাধন কৰাত মুখ্য ভূমিকা পালন কৰা এই গ্ৰন্থমেলাখনৰ সৈতে ওতপ্ৰোতভাৱে জড়িত হ'বলৈ পাই মই অত্যন্ত সুখী। গ্ৰন্থমেলাৰ আয়োজক সমিতিয়ে বিগত বৰ্ষৰ দৰে এইবাৰো গ্ৰন্থমেলাখনৰ লগত সংগতি ৰাখি বিভিন্ন কাৰ্যসূচী সম্পন্ন কৰে। শৈক্ষিক-বৌদ্ধিক চৰ্চাৰ এক সুস্থিৰ পৰিৱেশ বৰ্তি থকা এই গ্ৰন্থমেলাখনে অধ্যয়নমুখী তথা গ্ৰন্থপ্ৰেমী গ্ৰাহকৰ যথেষ্ট সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। গ্ৰন্থমেলাখনত অসমৰ কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকাশন গোষ্ঠীৰ গ্ৰন্থই গ্ৰাহকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ উঠে। বনলতা, ৰাষ্ট্ৰীয় গ্ৰন্থ ন্যাস, বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ আৰু শৰাইঘাট প্ৰকাশনৰ গ্ৰন্থই সৰ্বাধিক মনোযোগ লাভ কৰে। দেখা যায় যে গ্ৰন্থমেলাখনত বহু কেইখন গুৰুত্বপূৰ্ণ গ্ৰন্থৰ সৰ্বাধিক বিক্ৰী হৈছে। ইয়াৰ ভিতৰত হোমেন বৰগোহাঞিৰ 'কিতাপ পঢ়াৰ আনন্দ', 'কাম কৰাৰ আনন্দ', মৃণাল কলিতাৰ 'বকুল ফুলৰ দৰে', ৰুবুল মাউতৰ 'মোৰো এটা সপোন আছে' ইত্যাদি গ্ৰন্থৰ সৰ্বাধিক বিক্ৰীয়ে পঢ়ুৱৈৰ ৰুচি সম্পৰ্কীয় আভাস দাঙি ধৰে। আঠচা দিনত প্ৰায় ১২ লাখ টকাৰ গ্ৰন্থৰ বিক্ৰীয়ে সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাৰ সাফল্যৰে ইংগিত বহন কৰে।




### দিব্যজ্যোতি খনিকৰ

সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলা ২০২৫ বৰ্ষৰ ১৮ মাৰ্চ তাৰিখৰপৰা প্ৰায় আঠদিনীয়া কাৰ্যসূচীৰে পালন কৰা হয়। পূৰ্বৰ কেইবাবছৰো গ্ৰন্থমেলাৰ সৈতে জড়িত হৈ আছোঁ যদিও এইবৰ্ষৰ গ্ৰন্থমেলাখনত ব্যতিক্ৰম অভিজ্ঞতা লাভ কৰিলোঁ। এই গ্ৰন্থমেলাখনত ডক্টৰ অৰবিন্দ ৰাজখোৱা ছাৰৰ পৰিকল্পনাত স্নাতকোত্তৰ দ্বিতীয় যান্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন প্ৰকাশন গোষ্ঠীৰ গ্ৰন্থ বিপণি খোলাৰ ব্যৱস্থা কৰা হ'ল। কথামতেই কাম, আমিও উদ্যমেৰে ছাৰৰ দিহা-পৰামৰ্শ লৈ গ্ৰন্থ বিপণিসমূহত বিক্ৰেতা হিচাপে অংশগ্ৰহণ কৰিলোঁ। এই অভিজ্ঞতা আছিল অনন্য। শ্ৰেণীকোঠাৰ বাহিৰৰ এই ব্যৱহাৰিক কাৰ্যক্ৰমে আমাক বাৰুকৈয়ে অনুপ্ৰাণিত কৰিলে। তদুপৰি ৰাতিপুৱা আহি কিতাপসমূহ ক্ৰেতাৰ মাজলৈ উলিয়াই দিয়াৰপৰা আৰম্ভ কৰি ৰাতি সকলো নিয়াৰিকৈ সামৰি থৈ যোৱালৈকে প্ৰতিটো কাম নিজে কৰি দায়িত্ববোধ সম্পৰ্কে ভালকৈয়ে অনুভৱ হ'ল। ব্যক্তিগতভাৱে মই ষ্টুডেন্টছ ষ্টৰচৰ গ্ৰন্থসমূহ বিক্ৰীৰ দায়িত্বত আছিলোঁ। বিক্ৰেতা হিচাপে প্ৰতিদিনে নতুন নতুন গ্ৰাহকৰ সান্নিধ্য লাভ কৰি সমৃদ্ধ হোৱাৰ লগতে কিতাপৰ প্ৰতি থকা হাবিয়াস আৰু আগ্ৰহক অতি ওচৰৰপৰা উপলব্ধি কৰিবলৈ পাই আনন্দিত হৈছোঁ।

### কৰবী দত্ত

নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাৰ সৈতে সংগতি ৰাখি অসমীয়া বিভাগৰ স্নাতকোত্তৰ দ্বিতীয় যান্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলৰদ্বাৰা যিসমূহ বিপণি খোলা হৈছিল সেইসমূহৰ ভিতৰত ষ্টুডেন্টছ্ ষ্টৰচ প্ৰকাশনৰ হৈ কাম কৰাৰ এক নতুন অভিজ্ঞতা লাভ কৰিলোঁ। বিশেষভাৱে ক'বলৈ গ'লে গ্ৰন্থমেলাৰ সৈতে জড়িত হ'বলৈ পূৰ্বতে কেতিয়াও সুযোগ পোৱা নাছিলোঁ। নৰ্থ লখিমপুৰ কলেজৰ স্নাতকোত্তৰ শাখাত নামভৰ্তি কৰি প্ৰথমেই ইমান এখন বিশাল আয়োজনৰ গ্ৰন্থমেলাৰ সৈতে সংপৃক্ত হ'বলৈ পাই বহু বেছি আনন্দ অনুভৱ কৰিছোঁ। তদুপৰি বিক্ৰেতা হিচাপে গ্ৰন্থমেলাখনত অংশগ্ৰহণ কৰি এক নতুন অভিজ্ঞতাৰো সন্মুখীন হ'লোঁ। এই অভিজ্ঞতাই অনাগত জীৱনত বাৰুকৈয়ে প্ৰভাৱ পেলাব। গ্ৰন্থ বিপণিখনত কিতাপসমূহ সজোৱাৰপৰা আৰম্ভ কৰি প্ৰতিজন গ্ৰাহকক সমান সন্মান আৰু আগ্ৰহ প্ৰদৰ্শন কৰা, তেওঁলোকে বিচৰা কিতাপসমূহ কম সময়তে হাতত গুজি দিয়া, কিতাপসমূহত ৰেহাই প্ৰদান কৰা, বিল বনোৱা আৰু কিতাপৰ ৰিছিপ্টটো ভৰাই গ্ৰাহকগৰাকীৰ হাতত দি বিদাই দিয়ালৈকে বিভিন্ন নতুন কথা শিকিলোঁ। এই ছেগতে লেখক সহিতে বহু কিতাপৰ নাম জানিবলৈও সক্ষম হ'লো। তদুপৰি কলেজ গ্ৰন্থমেলাৰ বিভিন্ন অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ অহা অসমৰ কেইবাজনো বিশিষ্ট ব্যক্তিৰ সান্নিধ্য লাভ কৰি ধন্য হ'লো। এই সুযোগ প্ৰদান কৰাৰ বাবে নৰ্থ লখিমপুৰ কলেজৰ অধ্যক্ষ ডক্টৰ বিমান চন্দ্ৰ চেতিয়া ছাৰৰ লগতে অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ডক্টৰ অৰবিন্দ ৰাজখোৱা ছাৰক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

## গ্ৰন্থমেলাত বিশ্বৰ নিৰ্বাচিত চলচ্চিত্ৰ প্ৰদৰ্শন

নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত)ৰ সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাৰ লগত সংগতি ৰাখি চলচ্চিত্ৰ প্ৰদৰ্শনৰ এক কাৰ্যসূচী গ্ৰহণ কৰা হয়। যাতে গ্ৰন্থ জগতৰ মাজতে ছাত্ৰ-ছাত্ৰীসকলে বিশ্বৰ বচা বচা চলচ্চিত্ৰৰ লগতো পৰিচিত হ'ব পাৰে। তদুপৰি চলচ্চিত্ৰ প্ৰদৰ্শনে ছাত্ৰ-ছাত্ৰীসকলক এক আমোদ প্ৰদান কৰাৰ লগতে বিশ্বৰ বিভিন্ন প্ৰান্তৰ সমাজ-সংস্কৃতিৰ লগতো পৰিচয় কৰাই দিয়ে। ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক উৎকৰ্ষৰ প্ৰতি লক্ষ্য ৰাখি গ্ৰন্থমেলাৰ আয়োজক সমিতিৰ প্ৰচেষ্টাত মহাবিদ্যালয়ৰ হেমেন্দ্ৰ কুমাৰ গগৈ প্ৰেক্ষাগৃহত Narnia আৰু Ford V Ferrari ছবি দুখন প্ৰদৰ্শন কৰা হয়।




## নৰ্থ লখিমপুৰ কলেজৰ সংগ্ৰহালয় দৰ্শনৰ সুবিধা

নৰ্থ লখিমপুৰ কলেজৰ সপ্তম গ্ৰন্থমেলাৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ সংগ্ৰহালয়টো অতিথি আৰু ছাত্ৰ-ছাত্ৰীসকলক পৰিদৰ্শনৰ বাবে মুকলি কৰি দিয়া হয়। ১৮ মাৰ্চৰপৰা ২৫ মাৰ্চ তাৰিখলৈ সংগ্ৰহালয়টো সকলোৰে বাবে মুকলি ৰখা হয়। মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ ছাত্ৰী প্ৰিয়ংকা বৰা এই সংগ্ৰহালয় প্ৰদৰ্শনীৰ সমন্বয়কৰ দায়িত্বত থাকে। সংগ্ৰহালয়টোত অসমৰ জনজীৱনত ব্যৱহৃত বিভিন্ন সা-সামগ্ৰীৰ লগতে আন বহুতো মূল্যবান চিত্ৰ সযতনে সাঁচি ৰখা হৈছে। এই সংগ্ৰহালয় পৰিদৰ্শনৰ যোগেদি নৱপ্ৰজন্মই বহুতো নতুন সম্ভাৱনা তথা সংস্কৃতিৰ সৈতে পৰিচয় হোৱাৰ সুবিধা লাভ কৰে। গ্ৰন্থমেলাৰ আঠোটা দিনত যথেষ্ট শিক্ষক, অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয়ৰ সংগ্ৰহালয় পৰিদৰ্শন কৰে। গ্ৰন্থমেলাখনৰ সমান্তৰালভাৱে চলি থকা সংগ্ৰহালয় পৰিদৰ্শনৰ এনে সুযোগ তথা ব্যৱস্থা কৰি দিয়াৰ বাবে অতিথিসকলে মহাবিদ্যালয় কৰ্তৃপক্ষ আৰু গ্ৰন্থমেলা আয়োজক সমিতিৰ শলাগ লয়।

# সপ্তম গ্ৰন্থমেলা সম্পৰ্কত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ অনুভৱ

## পৰিৱেশটোৱেই স্বয়ংক্ৰিয় এক যাদু

### দেৱাশিস বুঢ়াগোহাঁই

সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাত ২২ আৰু ২৩মাৰ্চ তাৰিখে উপস্থিত থাকিলোঁ। মোৰ একালৰ শিক্ষা প্ৰতিষ্ঠানখনলৈ গৈ য'ত এৰি আহিছিলোঁ, তাৰপৰাই আৰম্ভ কৰা যেন ভাব হ'ল। শিক্ষাগুৰুসকল আৰু বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীসকলৰ আগ্ৰহে মোক ব্যক্তিগতভাৱে আৱৰি ৰাখিলে।




অসম চৰকাৰে প্ৰস্তাৱ কৰা কিতাপৰ বৰ্ষ, ২০২৫ৰ লগত সংগতি ৰাখি ৭ বছৰত ভৰি দিয়া গ্ৰন্থমেলাখন অধিক প্ৰসাৰিত ৰূপত আয়োজন কৰিছে। ২২ মাৰ্চৰ দিনা ৰাতিপুৱা 'অসমীয়া কাহিনী বিযুক্ত গদ্যঃ ঐতিহ্য আৰু ঐশ্বৰ্য' সম্পৰ্কীয় আলোচনা চক্ৰত সমল ব্যক্তিৰূপে অংশ ল'লোঁ। তাৰপৰা ওলায়েই নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ প্ৰাক্তন শিক্ষাৰ্থী সমাজে আয়োজন কৰা এক আলোচনাত ভাগ ল'লোঁ। তাত ডক্টৰ শিৱনাথ বৰ্মন স্মাৰক বক্তৃতানুষ্ঠানৰ পৰিকল্পনা কৰা হ'ল। প্ৰত্যেক বছৰে সুকীয়া মহাবিদ্যালয়ত এই বক্তৃতা অনুষ্ঠিত হ'ব। সন্ধিয়ালৈ অসমীয়া বিভাগৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰদ্বাৰা আয়োজিত সাংস্কৃতিক সন্ধিয়াত ভাগ ল'লোঁ। ২৩ মাৰ্চৰ দিনা ৰাতিপুৱা 'অসমীয়া কিতাপৰ ইতিহাস' শীৰ্ষক আলোচনা সত্ৰত এখনি গৱেষণা পত্ৰ উপস্থাপন কৰিলোঁ। সেইদিনাই আকাশবাণী ডিব্ৰুগড়ৰ পৰশা কোঁৱৰ বাইদেউৰ নেতৃত্বত গ্ৰন্থমেলাৰ বাতৰি সম্প্ৰচাৰ কৰিবলৈ অহা দলটোক অভ্যৰ্থনা কৰাৰ দায়িত্ব পাইছিলোঁ। তাৰ লগতে আকাশবাণীত সাক্ষাৎকাৰৰূপে কিছু কথা কোৱাৰো সুযোগ পালোঁ। তাৰপাছতে আলোচনা সত্ৰখনিৰ এখনি কাৰিকৰী সত্ৰ পৰিচালনা কৰাৰ দায়িত্ব আহিল। সেই কাম সমাপন কৰিয়েই এখনি মনোজ্ঞ আলোচনা সভাত ভাগ ল'লোঁগৈ। সেই আলোচনা সভাত ৭খন মহাবিদ্যালয়ৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীয়ে ভাগ লৈছিল। নিকটৱৰ্তী লখিমপুৰ বালিকা মহাবিদ্যালয়, ঘৰুৱা ঠাই ঘিলামৰাৰ নৰ্থ বেংক মহাবিদ্যালয় আৰু নৰ্থ লখিমপুৰ কলেজৰ ছাত্ৰ-ছাত্ৰীসকলৰ আগ্ৰহ আৰু আলাপে আলোচনা সভাখন অতি ভাল লগা কৰি তুলিছিল।



গ্ৰন্থমেলাখনিত অসমৰ কেইবাটাও প্ৰকাশনৰ গ্ৰন্থৰে ভৰা বিপণী সজা হৈছিল। বিপণীবোৰ ছাত্ৰ-ছাত্ৰীসকলেই পৰিচালনা কৰি আছিল। তাৰ কাষতে এখনি মুকলি মঞ্চ, পিছফালে মহাবিদ্যালয়ৰ মূল প্ৰেক্ষাগৃহ, ওপৰৰ মহলাত ডিজিটেল সভাকক্ষ, মহাবিদ্যালয় সংগ্ৰহালয়, কাষতে কনফাৰেন্স হল। আটাইবোৰতে একে সময়তে বিবিধ অনুষ্ঠান হৈ আছিল। সেইসমূহ হৈছে গ্ৰামোফোন প্ৰদৰ্শনী, পুৰণি ছপা সামগ্ৰীৰ প্ৰদৰ্শনী, কুইজ প্ৰতিযোগিতা, বক্তৃতানুষ্ঠান ইত্যাদি। আটাইবোৰলৈ স্বতঃস্ফুৰ্তভাৱে ছাত্ৰ-ছাত্ৰীসকল গৈছিল, ভাগ লৈছিল, পৰিচালনা কৰিছিল, আয়োজন কৰিছিল। এক মায়াসনা পৰিৱেশ। এই পৰিৱেশটোৱেই স্বয়ংক্ৰিয় এক যাদু। নেদেখিলে বিশ্বাস কৰিবলৈ কঠিন। আৱেগৰ আতিশয্য যেন লাগিলেও এয়াই নৰ্থ লখিমপুৰ কলেজৰ যোৱা ছয়দিনৰ পৰিৱেশ। পক্ষপাতদুষ্টতাৰ দোষে চুলেও এই কথাখিনি মই লিখি থোৱাতো অৱশ্য পালনীয় কৰ্তব্য বুলিয়েই ধৰিছোঁ। কাৰণ, আয়োজকসকলে তাতকৈ বহুগুণে বেছি নিজৰ কামেৰে আৰ্জিবলৈ সক্ষম হৈছে বুলি পতিয়ন গৈছোঁ।

## সৃষ্টিশীলতাৰ এক যোগাত্মক নজিৰ

### তুলিকা তামুলী

সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাত তিনিদিনে উপস্থিত আছিলোঁ। নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ আনুষ্ঠানিক ছাত্ৰ হৈ থকা অৱস্থাত আমিও গ্ৰন্থমেলাৰে সৈতে জড়িত হৈ আছিলোঁ যদিও এইবাৰৰ অনুভৱ কিছু সুকীয়া। অসম চৰকাৰৰদ্বাৰা প্ৰস্তাৱিত কিতাপৰ বৰ্ষ, ২০২৫ৰে সংগত কৰি এইবাৰৰ গ্ৰন্থমেলাখনৰ আয়োজন আছিল প্ৰকৃতাৰ্থত এক বৃহৎ আয়োজন। কেৱল আয়োজনৰ দিশেৰেই নহয় জ্ঞান আৰু অভিজ্ঞতাৰ দিশেৰেও বিশাল। ২০ মাৰ্চত 'যুৱ লেখক সমাৰোহ'ৰ সঞ্চালক হিচাপে উপস্থিত আছিলোঁ। য'ত যুৱ লেখক হিচাপে অংশগ্ৰহণ কৰিছিল মাণিক পাল, অভিজিত গগৈ, কস্তুৰী চুতীয়া, মানস প্ৰতীম দত্ত আৰু আকাংক্ষা তামুলীয়ে। অনুবাদ সাহিত্য, প্ৰকৃতি সাহিত্য, সৃজনীশীল সাহিত্য আদি বিভিন্ন বিষয়ক সচেতনতাৰে সমাজত উপস্থাপন কৰি থকা আটাইকেইজন যুৱ লেখকৰ বক্তৃতাই সকলোকে সমৃদ্ধ কৰে। কলেজ প্ৰেক্ষাগৃহত লখিমপুৰ বালিকা মহাবিদ্যালয়ৰ ছাত্ৰীসকলে প্ৰদৰ্শন কৰা 'ভূমিকন্যা' শীৰ্ষক নাটকখন উপভোগ কৰি এক সুন্দৰ নাট্য সন্ধিয়াৰো অভিজ্ঞতা লওঁ। ২১ মাৰ্চত অসমীয়া বিভাগৰ প্ৰাক্তন শিক্ষাৰ্থীসকলৰদ্বাৰা আয়োজিত 'অসমীয়া কাহিনী বিযুক্ত গদ্য সাহিত্য ঐতিহ্য আৰু ঐশ্বৰ্য' বিষয়ক আলোচনা চক্ৰত অংশগ্ৰহণ কৰোঁ। অসমৰ বিভিন্ন জিলাৰ কেইবাখনো মহাবিদ্যালয়ত কৰ্মৰত অসমীয়া বিভাগৰ বহুকেইজন অধ্যয়নশীল অধ্যাপক তথা বিভাগৰ প্ৰাক্তন ছাত্ৰৰ মূল্যৱান আলোচনা বিষয়টো সম্পৰ্কে জনাৰ এক গুৰুত্বপূৰ্ণ আলোচনা চক্ৰ বুলি ক'ব পাৰি। বিয়লি উমানন্দ দুৱৰাৰদ্বাৰা পৰিচালিত 'অসমীয়া গ্ৰামোফোন ৰেকৰ্ডৰ ইতিহাস' অনুষ্ঠানত উপস্থিত থাকিবলৈ পোৱাটোও আছিল এক বিৰল অভিজ্ঞতা। সন্ধিয়ালৈ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰদ্বাৰা অনুষ্ঠিত সাংস্কৃতিক সন্ধিয়াতো অংশগ্ৰহণ কৰোঁ। ২২ মাৰ্চত 'অসমীয়া কিতাপৰ ইতিহাস' শীৰ্ষক ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ক্ষীৰোদ কুমাৰ গোস্বামী আৰু অনন্ত হাজৰিকা। বীজ ভাষণ প্ৰদান কৰে বিশিষ্ট অধ্যাপক ৰঞ্জিত কুমাৰ দেৱগোস্বামীয়ে। ঊনবিংশ আৰু বিংশ শতিকাৰ কিতাপ সম্পৰ্কে তেখেতে তথ্যসমৃদ্ধ বক্তৃতা প্ৰদান কৰে। তাৰপাছতে পাঁচটা স্থানত সমান্তৰালভাৱে অনুষ্ঠিত কাৰিকৰী সত্ৰসমূহৰ অসমীয়া বিভাগৰ ১নং শ্ৰেণীকোঠাত অনুষ্ঠিত সত্ৰখনৰ আঁত ধৰোঁ। উক্ত সত্ৰখনৰ সমল ব্যক্তি হিচাপে উপস্থিত থাকে নৰ্থ লখিমপুৰ মহাবিদ্যালয়ৰ হিন্দী বিভাগৰ সহকাৰী অধ্যাপক ডক্টৰ নন্দিতা দত্ত আৰু গোৱেশ্বৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ডক্টৰ দীপকজ্যোতি মহন্ত। এই সত্ৰত হিন্দী ভাষাৰ গৰিষ্ঠসংখ্যক গৱেষণা-পত্ৰ উপস্থাপন হয়। তিনিদিন ধৰি বিভিন্ন অনুষ্ঠানৰ অংশগ্ৰহণকাৰী হিচাপে উপস্থিত থাকোতে আটাইতকৈ আকৰ্ষণীয় আৰু যোগাত্মক অভিজ্ঞতা আছিল ছাত্ৰ-ছাত্ৰীসকলৰ শৃংখলাবদ্ধ কৰ্মশৈলী। বিভিন্ন প্ৰকাশৰ গ্ৰন্থৰ বিপণিসমূহ আকৰ্ষণীয় ৰূপত সজাই তুলি তেওঁলোকে তেওঁলোকৰ সৃষ্টিশীলতাৰ উদাহৰণ দাঙি ধৰিছে। শিক্ষাগুৰুসকলৰ নেতৃত্বত ছাত্ৰ-ছাত্ৰীসকলে প্ৰত্যেকটো অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ মনোগ্ৰাহী পৰিৱেশ অসমৰ শিক্ষানুষ্ঠান আৰু বিভিন্ন গ্ৰন্থমেলা সমূহৰ বাবে প্ৰকৃত গ্ৰন্থমেলাৰ পৰিৱেশ সম্পৰ্কে গুৰুত্বপূৰ্ণ উদাহৰণ হ'ব পাৰে।

## ঐতিহ্যমণ্ডিত কলেজখন

### নৰকান্ত বৰুৱা

নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত)ৰ প্ৰাক্তন ছাত্ৰ হিচাপে আমি সদায়েই গৌৰৱ অনুভৱ কৰোঁ। কলেজখনৰ কিছুমান বিশেষ দিশ তথা কামে এই গৌৰৱৰ ভাৰতো দুগুণে বঢ়াই তোলে। আনৰ আগত কৈ গৌৰৱবোধ কৰিবলৈ আমাক সুযোগ প্ৰদান কৰা আমাৰ আপোন কলেজখনৰ এটা একক আৰু অনন্য দিশ হ'ল নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলা। এইবাৰ সপ্তম সংস্কৰণত ভৰি দিয়া এই গ্ৰন্থমেলাখন কলেজত পঢ়ি থকা সময়ৰপৰা প্ৰত্যক্ষভাৱে পাই আহিছোঁ। ই কলেজখনত বৌদ্ধিক বাতাৱৰণ এটা সৃষ্টি কৰাত বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। লগে লগে সুস্থ সাংস্কৃতিক পৰিৱেশ এটা গঢ়াতো ইয়াৰ ভূমিকা মনকৰিবলগীয়া। এইবাৰ সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলালৈ গৈ যথেষ্ট সমৃদ্ধ হ'লোঁ। গ্ৰন্থমেলাখনত পূৰ্বৰ ভাল ভাল অনুষ্ঠানসমূহ ধৰি ৰখাৰ লগতে বিভিন্ন দিশত নতুনত্বৰো



সংযোজন ঘটোৱা হৈছে। এইবাৰ গ্ৰন্থমেলাৰ দুটা অনুষ্ঠানত পোনপটীয়াকৈ অংশগ্ৰহণৰ সুযোগ পাইছিলোঁ। তাৰে এটা হ'ল গ্ৰন্থমেলাৰ লগত সংগতি ৰাখি সৌৰভ কুমাৰ চলিহা ছাত্ৰ নিৱাসে অনুষ্ঠিত কৰি অহা 'ভ্ৰমণ বিৰতি' শীৰ্ষক অনুষ্ঠান আৰু আনটো হৈছে এইবাৰ নতুনকৈ সংযোজিত হোৱা নৰ্থ লখিমপুৰ কলেজ ছাত্ৰ একতা সভাৰ প্ৰাক্তন আলোচনী সম্পাদকৰ সন্মিলন। 'ভ্ৰমণ বিৰতি'ৰ উদ্বোধক হিচাপে থাকি অনুষ্ঠানটোক উপভোগ কৰিলোঁ। বিভিন্ন সুন্দৰ সুন্দৰ সাংস্কৃতিক অনুষ্ঠানৰ লগত যুৱচামে গভীৰ চিন্তা-চৰ্চাতো গুৰুত্ব দি আয়োজন কৰা অনুষ্ঠানটি তেনেই আটকধুনীয়া হৈছিল। যুৱবক্তা ত্ৰিদীৱ ভাগৱতীক আমন্ত্ৰণ জনাই বক্তৃতা শুনা আৰু অনুষ্ঠানৰ লগত সংগতি ৰাখি হাতে লিখা আলোচনী 'ব্যস্ত মগজু' (দ্বিতীয় সংখ্যা) প্ৰকাশ কৰা কথাটোৱে ছাত্ৰাৱাসটোৰ আৱাসীসকলৰ উচ্চ সাংস্কৃতিক মনৰ পৰিচয় দাঙি ধৰিলে। এনে সুন্দৰ অনুষ্ঠান ৰ আয়োজন কৰি আমাক তাৰ সৈতে জড়িত হ'বলৈ সুযোগ দিয়াৰ বাবে আৰু আৱাসখনৰ আৱাসীসকলৰ আন্তৰিকতাপূৰ্ণ আতিথ্যৰ বাবে আন্তৰিক ধন্যবাদ যাচিলোঁ।

আনহাতে, প্ৰাক্তন আলোচনী সম্পাদকসকলৰ সন্মিলনখনি আছিল গ্ৰন্থমেলাত আয়োজিত আন এটা অতি গুৰুত্বপূৰ্ণ কাৰ্যসূচী। নিজা ঐতিহ্য আৰু পৰিচয়েৰে অসমৰ বিদ্বৎ মহলৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হোৱা নৰ্থ লখিমপুৰ কলেজ আলোচনীৰ প্ৰাক্তন সম্পাদকসকলৰ সন্মিলনে মহাবিদ্যালয়খনৰ বৌদ্ধিক চিন্তা-চৰ্চাৰ ইতিহাস ৰোমন্থনৰ সুযোগ দিলে। উপস্থিত ১৩ জন প্ৰাক্তন আলোচনী সম্পাদকৰ মাজৰ এজন হিচাপে আনুষ্ঠানটিত থাকি অগ্ৰজ সম্পাদকসকলৰ আলোচনী প্ৰকাশৰ সৈতে থকা অভিজ্ঞতা তথা অন্যান্য স্মৃতি কথন শুনিবলৈ পাই যথেষ্ট সমৃদ্ধ আৰু সুখী হ'লোঁ। এনে সৰ্বাঙ্গসুন্দৰ অনুষ্ঠান এটা আয়োজন কৰাৰ বাবে এই বৰ্ষৰ আলোচনী সম্পাদক শৰৎ শইকীয়া ধন্যবাদৰ পাত্ৰ।



# খাদ্য বিপণিৰ কাউণ্টাৰৰ পৰা

## তুলতুল বাইলুং

প্ৰিয় কিতাপখন কিনা, চুই চোৱা, দেখাৰ হাবিয়াস প্ৰত্যেকজন গ্ৰন্থপ্ৰেমীৰে থাকে। প্ৰতি বছৰৰ দৰে নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত)ৰ বাকৰিত এইবাৰো আনবাৰতকৈ কিছু ব্যতিক্ৰম ধৰণে গ্ৰন্থমেলাখন অনুষ্ঠিত হয়। গ্ৰন্থমেলাখনে ছাত্ৰ-ছাত্ৰীসকলক প্ৰিয় কিতাপবোৰৰ লগত পৰিচিত কৰি দিয়াৰ লগতে প্ৰথিতযশা সাহিত্যিকসকলৰ সান্নিধ্য লাভ কৰাৰো সুযোগ প্ৰদান কৰে। য'ত অসমৰ বিভিন্ন ঠাইৰ বিভিন্ন ছাত্ৰ-ছাত্ৰী, শিক্ষক, অধ্যাপক আদিকে ধৰি বিভিন্ন লোকে অংশ গ্ৰহণ কৰে। এইবাৰ সপ্তম গ্ৰন্থমেলাৰ বিভিন্ন কামত মই সক্ৰিয় সহযোগ কৰাৰ লগতে এইবাৰ মই গ্ৰন্থমেলাৰ চৌহদত এখন সৰু চাহৰ দোকান দিওঁ। মোৰ দোকানখনৰ নাম 'M.A. CHAIWALA'। য'ত চাহৰ লগতে বিভিন্ন মুখৰোচক খাদ্য যেনে - পকৰি, ঘুগুনি, আলুচপ, ডিমচপ, ব্ৰেডচপ, পুৰি - ভাজি, কফি আদি খোৱাৰো ব্যৱস্থা কৰোঁ। আঠদিনীয়া এই দীঘলীয়া সময়ছোৱাত পুৱাৰপৰা ৰাতিলৈকে এই বস্তুবোৰ ৰন্ধাৰ ওপৰি যতনাই কিছু কষ্ট হৈছিল যদিও গ্ৰন্থ মেলালৈ অহা শিক্ষাৰ্থী, অতিথিসকলক আপ্যায়ন কৰিবলৈ পাই সুখী হ'লো। তদুপৰি বিশিষ্ট সাহিত্যিক জয়ন্ত মাধৱ বৰা ছাৰ আৰু সৌম্যদ্বীপ দত্ত ছাৰৰ দৰে ব্যক্তিসকলৰ প্ৰশংসা আৰু সহাঁৰিয়ে আমাক সাহস আৰু আত্মসন্তোষ্টি প্ৰদান কৰিলে। ইয়াৰ উপৰিও ছাৰ-বাইদেউ, দাদা- বা, কলেজখনৰ ছাত্ৰ ছাত্ৰী সকলোৰে সঁহাৰিও অনস্বীকাৰ্য। সি যি নহওঁক নৰ্থ লখিমপুৰ কলেজৰ সপ্তম গ্ৰন্থমেলাৰ 'M.A. CHAIWALA' হিচাপে মোৰ এই অভিজ্ঞতা স্মৃতিৰ সোণৰ টেমাত সযতনে ৰাখিলোঁ। প্ৰিয় কিতাপবোৰৰ সৈতে মনোৰম এই আঠ দিন দিয়াৰ বাবে নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাৰ তত্ত্বাৱধায়ক ড° অৰবিন্দ ৰাজখোৱা ছাৰৰ লগতে অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়া ছাৰক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। আদিপৰা অন্তলৈকে মোৰ ছাঁটোৰ দৰে লাগি থকা দীনেশ হাজৰিকাকো এই চেগতে ধন্যবাদ জনালোঁ। লগতে এই গ্ৰন্থমেলাৰ বৌদ্ধিক উত্তৰোত্তৰ কামনা কৰিলোঁ।

## মানস প্ৰতীম বৰা

অসমৰ আগশাৰীৰ মহাবিদ্যালয়সমূহৰ ভিতৰত অন্যতম শ্ৰেষ্ঠ মহাবিদ্যালয় নৰ্থ লখিমপুৰ কলেজ। এই মহাবিদ্যালয়ত যোৱা ১৮ৰ পৰা ২৫ মাৰ্চলৈ অনুষ্ঠিত হোৱা সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাত অংশ লোৱাৰ সুবিধা পাইছিলোঁ। বৰেণ্য সাহিত্যিক, সমালোচক আদিৰ উপস্থিতিৰে গ্ৰন্থমেলাখনত গ্ৰন্থৰ উপৰিও আলোচনা চক্ৰ, যুৱ সমাৰোহ, বিভিন্ন প্ৰতিযোগিতা, কবি সন্মিলন আদি প্ৰত্যক্ষ কৰাৰ সুযোগ পাইছিলোঁ। মই 'পুৰবী ডেইৰী'ত কৰ্মৰত যুৱক হিচাপে 'পুৰবী'ৰ ফালৰ পৰা গ্ৰন্থমেলাখনৰ চৌহদতে দুগ্ধজাত সামগ্ৰীৰ এখন সৰু দোকানৰ ব্যৱস্থা কৰিছিলোঁ। আয়োজক ড° অৰবিন্দ ৰাজখোৱা ছাৰৰ সন্মতিত গ্ৰন্থমেলাখনৰ লগত সংগতি ৰাখি এই ব্যৱস্থাটো কৰিছিলোঁ। যাতে অতিথি আৰু পাঠকসকলে ইচ্ছা অনুযায়ী স্বাস্থ্যকৰ খাদ্য সেৱন কৰিব পাৰে। ইয়াৰোপৰি গ্ৰন্থমেলাখনৰ লগত সংগতি ৰাখি 'পুৰবী'ৰ ফালৰ পৰা 'দুগ্ধ বিপ্লৱৰ প্ৰচাৰ আৰু প্ৰচাৰৰ ক্ষেত্ৰত পুৰবী ডেইৰীৰ ভূমিকা, চৰকাৰৰ সহযোগিতা' শীৰ্ষকেৰে এখন প্ৰবন্ধ প্ৰতিযোগিতাও অনুষ্ঠিত কৰোঁ। কাৰণ অসমৰ থলুৱা উদ্যোগসমূহক আজিৰ প্ৰজন্মই আকোঁৱালি ললেহে অসমো অৰ্থনৈতিক ক্ষেত্ৰত আগুৱাই যাব পাৰিব। গ্ৰন্থমেলাখনত পুৰবীৰ প্ৰতি ছাত্ৰ-ছাত্ৰী আৰু অতিথিৰ আগ্ৰহ আৰু হেঁপাহ দেখি সন্তোষিত হ'লোঁ।

ৰাষ্ট্ৰীয় আলোচনা-চক্ৰত অধ্যাপক ৰঞ্জিৎ কুমাৰ দেৱ গোস্বামীয়ে প্ৰদান কৰা ভাষণটো ওপৰৰ কিউ.আৰ. ক'ড স্কেন কৰি শুনিব পাৰিব।



বিহংগম দৃষ্টিত সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলা। ওপৰৰ কিউ.আৰ. ক'ড স্কেন কৰি শুনিব পাৰিব।

ৰাষ্ট্ৰীয় আলোচনা-চক্ৰত ইছমাইল হোছেইনে প্ৰদান কৰা ভাষণটো ওপৰৰ কিউ.আৰ. ক'ড স্কেন কৰি শুনিব পাৰিব।



বিহংগম দৃষ্টিত সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলা। ওপৰৰ কিউ.আৰ. ক'ড স্কেন কৰি শুনিব পাৰিব।

# সপ্তম গ্ৰন্থমেলাৰ জমা খৰছৰ খতিয়ান

NORTH LAKHIMPUR COLLEGE [AUTONOMOUS]
P. O. - Khelmati, Lakhimpur, Assam, PIN - 787031

STATEMENT OF INCOME & EXPENDITURE of
7th North Lakhimpur College Book Fair &

| Income | Amount |
|---|---|
| 1. Contribution of **Parag Jyoti Gogoi**, Ex Student, Dept. of Assamese, NLC, 13/3/2025 | 20,000 |
| 2. Contribution of **Migom Pegu**, Ex Student, Dept. of Assamese, NLC, 13/3/2025 | 5,000 |
| 3. Contribution of 'Smritidhara Assam' 1/3/2025 | 20,000 |
| 4. Profit from Book Fair | **72,344** |
| Deficit | 18,126 |
| | 1,35,470 |

| Expenditure | Amount |
|---|---|
| 1. TA & Remuneration of Resource Persons | 27,000 |
| 2. Felicitation & Prize | 4,560 |
| 3. Quiz Competition | 20,030 |
| 4. Printing | 12,770 |
| 5. Stall Preparation | 13,024 |
| 6. Refreshment | 5,646 |
| 7. Accessories | 5,100 |
| | 540 |
| 8. Transportation | 8,800 |
| 9. Tent House & Decoration | 38,000 |
| | 1,35,470 |

N.B. - The deficit amount will be adjusted from College Fund

[Dr. Arabinda Rajkhowa]
Coordinator
Publication Committee
NORTH LAKHIMPUR COLLEGE (Autonomous)

[Dr. Ratul Kumar Lahan]
Asstt. Coordinator
Publication Committee
NORTH LAKHIMPUR COLLEGE (Autonomous)

# এগৰাকী গ্ৰন্থ অনুৰাগী ছাত্ৰীৰ অনুভৱ ঃ নৰ্থ লখিমপুৰ কলেজৰ গ্ৰন্থমেলা

**দীক্ষা বৰা**, দশম শ্ৰেণী, হাৰমতী জাতীয় বিদ্যালয়

নৰ্থ লখিমপুৰ কলেজ - সাম্প্ৰতিক সময়ত অসমৰ বৌদ্ধিক সমাজৰ এটি পৰিচিত নাম। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত জ্ঞানতকৈ তথ্যই আৰু সহযোগিতাতকৈ প্ৰতিযোগিতাই অধিক প্ৰাথমিকতা লাভ কৰাৰ সময়তে নৰ্থ লখিমপুৰ কলেজৰ এচাম গ্ৰন্থানুৰাগী ব্যক্তিয়ে সমগ্ৰ লখিমপুৰ অঞ্চলতে নিৰৱচ্ছিন্নভাৱে গঢ়ি তুলিছে এক নিৰৱ বৌদ্ধিক আন্দোলন- কিতাপ পঢ়াৰ আন্দোলন। পাঠ্যক্ৰমৰ সীমাবদ্ধতা অতিক্ৰমী বিশ্বমুখী দৃষ্টিকোণৰ গৰাকী এদল বুদ্ধিদীপ্ত আৰু অধ্যয়ন পিপাসু নতুন পুৰুষ গঢ়াৰ স্বাৰ্থত মহাবিদ্যালয়খনে অহৰহ প্ৰয়াস কৰি আহিছে। যি প্ৰয়াসৰ ফলশ্ৰুতিত প্ৰাণ পাই উঠিছে একক বৈশিষ্ট্যৰ এখন গ্ৰন্থ বিপণি - 'গ্ৰন্থালয়'। অধ্যাপকৰ পৰা গুৰুলৈ ৰূপান্তৰিত হোৱা নমস্য শিক্ষকসকলৰ পদাংক অনুসৰণ কৰি য'ত পোহৰমুখী হৈছে অলেখ জোনাকী। ২০২৩ বৰ্ষৰ অক্টোবৰ মাহত আয়োজিত ষষ্ঠ নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাৰ সৈতে প্ৰথমবাৰৰ বাবে সংপৃক্ত হোৱাৰ সুযোগ পাইছিলোঁ। আৰু এইবেলি অসম চৰকাৰে ২০২৫ বৰ্ষক কিতাপৰ বৰ্ষ হিচাপে ঘোষণা কৰাৰ পাছতে সেই ঘোষণাৰ প্ৰতি প্ৰভাৱশালী সঁহাৰি হিচাপে পূৰ্বৰ তুলনাত বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজিত কলেজ গ্ৰন্থমেলাত প্ৰিয় গ্ৰন্থ আৰু প্ৰিয় মানুহৰ সান্নিধ্যত নিবিড়ভাৱে অতিবাহিত কৰিবলৈ পোৱা চাৰিটা দিনৰ অভিজ্ঞতা আমাৰ মানসপটত চিৰস্মৰণীয় হৈ ৰ'ব। সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাৰ প্ৰথম দিনা অৰ্থাৎ ২০২৫ বৰ্ষৰ ১৮ মাৰ্চ তাৰিখে গ্ৰন্থমেলাৰ উন্মোচক হিচাপে উপস্থিত আছিল সাহিত্য অকাডেমি বঁটাপ্ৰাপক বিশিষ্ট সাহিত্যিক য়েছে দৰজে ঠংচি ছাৰ। অসমীয়া সাহিত্য জগতৰ মহীৰূহস্বৰূপ ব্যক্তিসকলৰ অন্যতম ঠংচি ছাৰক স্বচক্ষে দেখাৰ লোভ সামৰিব নোৱাৰি কলেজলৈ ঢাপলি মেলিছিলোঁ। পিছে সেই সুবাদতে মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ দ্বাৰা ২০২৩ চনৰ অক্টোবৰ মাহত আয়োজিত 'Spark' শীৰ্ষক ৰাষ্ট্ৰীয় আলোচনা সত্ৰৰ নিৰ্বাচিত ঘোষণা পত্ৰসমূহৰ একত্ৰ সংকলন, 'Spark 2025'1 অফিচিয়েল ৱেবচাইটৰ শুভ উন্মোচন আৰু অসমীয়া বিভাগ আৰু 'Assamese Itanagar Society'ৰ মাজত সম্পাদন হোৱা বুজাবুজিৰ চুক্তিখনৰ সাক্ষী হ'বলৈ পাই প্ৰসন্নতাৰে মন ভৰি পৰিছিল।

তাৰ পৰৱৰ্তী সময়ত ২৩ মাৰ্চ তাৰিখে আয়োজিত অধ্যাপক কবীন ফুকন সোঁৱৰণী সদৌ অসমভিত্তিক মুকলি কুইজ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ যাওঁহক। সুদক্ষ কুইজ পৰিচালক ডক্টৰ ৰাতুল কুমাৰ লাহন চাৰৰ আকৰ্ষণীয় পৰিচালনাত সম্পন্ন হোৱা অসমীয়া গ্ৰন্থ- আলোচনী আৰু সাধাৰণ বিষয়ক কুইজখনত ভাগ লৈ মৰ্মে মৰ্মে উপলব্ধি কৰিলোঁ, কিতাপৰ মহাৰ্ণৱ সদৃশ জগতখনৰ ক্ষুদ্ৰাতিক্ষুদ্ৰ এটি অংশও আমি দৰাচলতে অধ্যয়ন কৰিব পৰা নাই। আমি কিমান কথা নাজানো সেই কথা সময়ে সময়ে সোঁৱৰাই থাকে বাবেই কুইজৰ প্ৰতি তীব্ৰ অনুৰাগ কঢ়িয়াই ফুৰোঁ। সেইদিনা মনে বিচৰাধৰণৰ কেইখনমান গ্ৰন্থ ক্ৰয় কৰাৰ লগতে গ্ৰন্থমেলাৰ বাকৰিত কিছু মননশীল সময় উপভোগ কৰিলোঁ।

তাৰ পাছৰ ক্ৰমাগত দুটা দিন অৰ্থাৎ ২৪ আৰু ২৫ মাৰ্চ তাৰিখে নৰ্থ লখিমপুৰ কলেজ ছাত্ৰ একতা সভাৰ সাহিত্য আৰু আলোচনী শাখাৰ বৰ্ণাঢ্য আয়োজন 'সৃষ্টিশীল সাহিত্য লেখনৰ দুদিনীয়া কৰ্মশালা'ত অংশগ্ৰহণ কৰি উপন্যাস, কবিতা বিশেষকৈ গল্পৰ এখন বহল পৰিসৰৰ অজানা জগতৰ সৈতে চিনাকি হোৱাৰ সুৱৰ্ণ সুযোগ পালোঁ। লেখক হ'ব নোৱাৰিলেও অন্ততঃ ৰুচিসম্পন্ন পাঠক হোৱাৰ আখৰা কৰিলোঁ। সমল ব্যক্তি হিচাপে উপস্থিত থকা সাহিত্য অকাডেমী বঁটাপ্ৰাপক বিশিষ্ট গল্পকাৰ, ঔপন্যাসিক জয়ন্ত মাধৱ বৰা ডাঙৰীয়াৰ উদাৰ মনোভাৱে উক্ত দুয়োটা দিনতেই আমাক মোহাচ্ছন্ন কৰি ৰাখিলে। অনুভৱ কৰিলোঁ যে—

'প্ৰকৃতি,জীৱন আৰু মানুহৰ উৰ্দ্ধত কোনো কবিতা নাই,
কোনো গল্প নাই,
কোনো উপন্যাস নাই।'

এনেদৰেই গ্ৰন্থমেলাৰ অন্তিম দিনা অনেক যোগাত্মক চিন্তা আৰু মধুৰ স্মৃতি বুকুত বান্ধি সেমেকা মনেৰে এইবাৰলৈ গ্ৰন্থমেলাক বিদায় দিলোঁ। গ্ৰন্থমেলাখনৰ আটাইতকৈ ভাল লগা দিশটো আছিল এফালে যদি মহাবিদ্যালয়ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলে অভিজ্ঞ বিক্ৰেতাৰ দৰে বিভিন্ন প্ৰকাশন গোষ্ঠীৰ হৈ অস্থায়ী গ্ৰন্থ বিপণিসমূহত স্বেচ্ছাই সেৱা আগবঢ়াইছিল, চাহ, কফি, আইচক্ৰীমৰ দোকান দিছিল; আনফালে আকৌ সময়মতে শ্ৰেণীকোঠাত পাঠগ্ৰহণো কৰিছিল। কৰ্মসংস্কৃতিৰ এই অসাধাৰণ নিদৰ্শনে আমাক বাৰুকৈয়ে প্ৰভাৱান্বিত কৰিলে। এনেদৰেই হয়তো এখন সমাজ, এটা জাতি উত্তৰণৰ দিশলৈ আগুৱায়।

গ্ৰন্থমেলাৰ প্ৰত্যেকটো দিনতেই মহাবিদ্যালয়ৰ চৌহদত স্বয়ংক্ৰিয়ভাৱে এক মায়াসনা পৰিৱেশ বিৰাজ কৰিছিল। কিবা যেন ৰাগি আছিল তাত। যাক কেৱল অনুভৱহে কৰিব পাৰি। এই আপাহতে সময়ে সময়ে এনেধৰণৰ ইতিবাচক পদক্ষেপ গ্ৰহণ কৰি পৰিৱৰ্তনৰ নৱ জোৱাৰ অনা কলেজ কৰ্তৃপক্ষ, নৰ্থ লখিমপুৰ কলেজ প্ৰকাশন, গ্ৰন্থমেলাৰ আয়োজক মণ্ডলী বিশেষকৈ অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি আমাৰ আদৰ্শস্বৰূপ অৰবিন্দ ৰাজখোৱা ছাৰক আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনালোঁ। নৰ্থ লখিমপুৰ কলেজৰ কৰ্মৰ সুৰভি লখিমপুৰ তথা অসমৰ পৰিধি অতিক্ৰমি চৌদিশে বিয়পি পৰক। প্ৰত্যেক ছাত্ৰৰ জীৱন এনেধৰণৰ গুৰুৰ সান্নিধ্যত ধন্য হওঁক। অসমৰ উচ্চশিক্ষাৰ প্ৰতিষ্ঠানসমূহৰ বাবে নৰ্থ লখিমপুৰ কলেজ পাথেয় হৈ পৰক।


অসমীয়া প্ৰতিদিন

নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলা উদ্বোধন কৰি য়েছে দৰজে ঠংচি

গ্ৰন্থমেলাই ডিজিটেল মাধ্যমৰ ভাবুকি ৰোধত ল'ব বিশেষ ভূমিকা


নিয়মীয়া বাৰ্তা

অসমীয়া শব্দাৱলীৰ প্ৰয়োগ হ্ৰাস পোৱাত উদ্বেগ

'The Assam Tribune', 18-3-2025


North Lakhimpur College organizes State-level Book Fair



# ঊনবিংশ শতিকাৰ ছবি প্ৰদৰ্শন

**কেম্পাছ প্ৰতিনিধি ঃ** সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাৰ লগত সংগতি ৰাখি নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগ, লখিমপুৰ বালিকা মহাবিদ্যালয়ৰ অসমীয়া বিভাগ আৰু অসম সাহিত্য সভাৰ নৰ্থ লখিমপুৰ কলেজ শাখা যৌথ সহযোগত 'অসমীয়া কিতাপৰ ইতিহাস' শীৰ্ষক দুদিনীয়া আলোচনা চক্ৰ অনুষ্ঠিত হয়। এই আলোচনা চক্ৰত অসমীয়া কিতাপৰ ইতিহাসৰ লগতে 'অসমত ছপাশালৰ ইতিহাস' শীৰ্ষক বিষয়টোৱে বিশেষ গুৰুত্ব লাভ কৰে। এই আলোচনা চক্ৰৰ লগত সংগতি ৰাখি গ্ৰন্থমেলাৰ বাকৰিত এখন ছবি প্ৰৰ্দশনীৰ আয়োজন কৰা হয়। এই প্ৰদৰ্শনীত প্ৰথমেই ছপাশালৰ আৱিস্কাৰক জহানচ্ গুটেনবাৰ্গৰ এখন প্ৰতিচ্ছবি ৰখাৰ লগতে অসমৰ অতি প্ৰাচীন এটা ছপাশাল 'যদুমণি ছপাখানা'ৰ কেইবাখনো গুৰুত্বপূৰ্ণ ছবি সংগ্ৰহ কৰি প্ৰদৰ্শন কৰা হয়। কটন কলেজৰ প্ৰতিষ্ঠাপক তথা অসমৰ চীফ কমিছনাৰ ছাৰ হেনৰী কটন, কটনৰ পত্নী লেডী কটনৰ প্ৰতিচ্ছবি, অসমীয়া ভাষা সাহিত্যৰ লগত বিশেষকৈ জড়িত নাথান ব্ৰাউনৰ প্ৰতিচ্ছবি, পদ্মনাথ গোহাঞিবৰুৱাৰ ডায়েৰীৰ এটা পৃষ্ঠা, ব্ৰিটিছসকলৰ লগত জড়িত আচাম কোম্পানীৰ দুখন নাও, ইয়াৰ লগতে ৰত্নেশ্বৰ মহন্ত, হেমচন্দ্ৰ গোস্বামীৰ ছবি প্ৰদৰ্শিত হয়। ইয়াৰ উপৰি অসমৰ চাহ শিল্পৰ লগত জড়িত 'আচাম কোম্পানী'ৰ গেলেকী বাগিচাৰ ঊনবিংশ শতিকাৰ এটা কলঘৰৰ ছবি, পাত তোলাৰ ছবি, ১৯৬০ চনত আচাম কোম্পানীৰ দ্বাৰা নিৰ্মাণ কৰা এটা ষ্টেচনৰ ছবি প্ৰৰ্দশিত কৰা হয়। সমান্তৰালভাৱে অসম তথা উত্তৰ-পূৰ ভাৰতৰ সংস্কৃতিক প্ৰতিনিধিত্ব কৰিব পৰাকৈ এগৰাকী অসমীয়া ভদ্ৰলোক আৰু এগৰাকী মিছিং মহিলাৰ ছবি, মিছিংসকলৰ ছবি, গাৰো যোদ্ধাৰ ছবি, অসমীয়া জাকৈয়া ছোৱালীৰ ছবি, ভূটিয়া ৰজাৰ ছবি, মুখত টাটু অকা এগৰাকী নগাৰ ছবি, ঊনবিংশ শতিকাৰ শেষভাগৰ অসমত ক'লাজ্বৰ আক্ৰান্ত এটা পৰিয়ালৰ ছবি, ডফলা ৰজা আৰু এহাল ডফলা পতী-পত্নীৰ ছবি, তাগিন ৰজা আৰু তেওঁৰ ভাতৃৰ এখন ছবি, এগৰাকী ভূটিয়া লগুৱাৰ ছবি, নগা ব্যক্তিৰ ছবি, ঊনবিংশ শতিকাৰ মণিপুৰৰ প'ল' খেলৰ এটা দলৰ ছবি, এগৰাকী নগা ৰজাৰ ছবি, আংগামী নগা যোদ্ধাৰ ছবি, ঊনবিংশ শতিকাৰ প্ৰথমাৰ্ধৰ উমানন্দ মন্দিৰৰ এখন ছবি, শিৱসাগৰ পুখুৰী আৰু পাৰত থকা তিনিটা দৌলৰ ছবি, খামতি মুনিহ আৰু তিৰোতাৰ ছবি, ঊনবিংশ শতিকাৰ প্ৰথমাৰ্ধৰ গুৱাহাটীৰ এখন ছবি প্ৰদৰ্শন কৰা হয়। ঊনবিংশ শতিকাৰ প্ৰথমাৰ্ধৰ অসমৰ এখন মেপৰ ছবি প্ৰদৰ্শিত কৰি সেইসময়ৰ অসমৰ ভৌগোলিক চাৰিসীমাৰ এটা ধাৰণা প্ৰদান কৰা হয়। এই প্ৰদৰ্শনীটোত প্ৰদৰ্শন কৰা বেছিসংখ্যক ছবি ১৮৪৬ চনত প্ৰকাশিত জন বাটলাৰৰ 'স্কেটচ অৱ আচাম' নামৰ গ্ৰন্থৰ পৰা সংগ্ৰহ কৰা হৈছে। ইয়াৰ উপৰিও ভালেসংখ্যক ছবি ১৯৭৩ চনত প্ৰকাশিত নাথান ব্ৰাউনৰ গ্ৰন্থ 'The Whole World kin : A Pioneer Experience Among Remote Tribes and Other Labors' পৰা সংগৃহীত কৰি প্ৰদৰ্শন কৰে নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক অৰবিন্দ ৰাজখোৱাই।

# পুৰণি অসমীয়া গ্ৰন্থৰ প্ৰদৰ্শনী

**কেম্পাছ প্ৰতিনিধি ঃ** ১৮ মাৰ্চৰপৰা ২৫ মাৰ্চলৈ অনুষ্ঠিত হোৱা সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাত পুৰণি পুথিৰ এক প্ৰদৰ্শনী আয়োজন কৰা হৈছিল। গ্ৰন্থমেলা উপলক্ষ্যে মহাবিদ্যালয়ৰ কনফাৰেন্স হলত অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ উদ্যোগত পুৰণি অসমীয়া পুথি আপুৰুগীয়া আৰু মনোৰম সংগ্ৰহ প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছিল। আপুৰুগীয়া কেইবাখনো গ্ৰন্থৰ লগতে 'আৱাহন'ৰ দৰে আলোচনীৰ বহুকেইটা সংখ্যা এই প্ৰদৰ্শনীত ৰখা হয়। গ্ৰন্থ মেলাৰ প্ৰথম দিনটোতেই প্ৰদৰ্শনীৰ দ্বাৰ মুকলি কৰা হয় আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক শিক্ষয়িত্ৰীৰ লগতে গ্ৰন্থমেলালৈ অহা বহু গ্ৰন্থপ্ৰেমীয়ে পুৰণি কিতাপসমূহ চাই অভিভূত হৈ পৰে। প্ৰত্যেক দিনা পুৱা ১০ বজাৰ পৰা ৰাতি ৮ বজালৈ প্ৰদৰ্শনী মুকলি থাকে আৰু ইয়াত বিভিন্ন লোকৰ সোঁত বয়।

গ্ৰন্থমেলাৰ উদ্বোধনী অনুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থকা বিশিষ্ট সাহিত্যিক য়েছে দৰজে ঠংচিয়ে পুৰণি পুথিৰ প্ৰদৰ্শনী চায় আৰু অভিমত টোকাৰ বহীত তেওঁ নিজৰ মন্তব্য প্ৰকাশ কৰে। তেওঁ এনেদৰে লিখি থৈ যায় যে— 'পুৰণি গ্ৰন্থ সম্ভাৰৰ একত্ৰ সংকলনৰে পতা প্ৰদৰ্শনীখন শিক্ষামূলকেই নহয় ই বিভিন্ন দিশৰ পৰা একক আৰু দৰ্শনীয় হৈছে।' মনকৰিবলগীয়া যে এই প্ৰদৰ্শনীত প্ৰদৰ্শিত প্ৰতিখন গ্ৰন্থই অসমীয়া কিতাপৰ বৰ্ণিল ইতিহাসৰ একোখন উল্লেখনীয় গ্ৰন্থ। লক্ষ্মীনাথ বেজবৰুৱাৰ 'চিকৰপতি নিকৰপতি', অসমীয়া বিহু বিষয়ক প্ৰথমখন গ্ৰন্থ নকুলচন্দ্ৰ ভূএগ়াৰ 'বহাগী'ৰ উপৰি 'দিনদুখী', 'সংজ্ঞা', 'হেমচন্দ্ৰ গোস্বামী জন্ম শত বাৰ্ষিকী স্মৃতিগ্ৰন্থ', 'নিশাৰ আন্ধাৰে আৱৰা', 'মহাৰাষ্ট্ৰ জীৱন-প্ৰভাত' আদি বিভিন্ন পুৰণি পুথি সমুহ স্ব-চক্ষুৰে চোৱা, এবাৰ চুই চোৱাৰ যি হেঁপাহ সেই হেঁপাহক নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা পুৰণি পুথি প্ৰদৰ্শন অনুষ্ঠানটোৱে সম্ভৱ কৰি তুলিলে। সদায় নাম শুনি অহা অথচ চকুৰে নেদেখা বা হাতেৰে চুই চাবলৈ নোপোৱা গ্ৰন্থসমূহ পৰ্যবেক্ষণ কৰি ছাত্ৰ-ছাত্ৰীসকল তথা প্ৰদৰ্শনী চাবলৈ অহা প্ৰতিজন ব্যক্তি বিস্ময়াভূত হয়। উল্লেখযোগ্য যে প্ৰতিখন গ্ৰন্থৰ লগত প্ৰকাশৰ চন, লেখক প্ৰকাশক আৰু প্ৰকাশনৰ তথ্যও সন্নিৱিষ্ট কৰি প্ৰদৰ্শন কৰা হয়। গ্ৰন্থমেলাৰ শেষৰ দিনালৈকে এই প্ৰদৰ্শনী অব্যাহত থাকে। সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা পুৰণি পুথি প্ৰদৰ্শনে ছাত্ৰ ছাত্ৰীৰ লগতে গ্ৰন্থমেলা চাবলৈ অহা প্ৰতিজন ব্যক্তিকে সমৃদ্ধ কৰিলে। এই প্ৰদৰ্শনীৰ আঠোটা দিনে নিজে জড়িত থাকি বিভিন্ন কথা শিকাৰ লগতে ছাত্ৰ ছাত্ৰী, বিশিষ্ট ব্যক্তি, অভিভাৱক, নাটক-সংগীতৰ লগত জড়িত থকা বিভিন্নজনৰ পৰা পোৱা আশাপ্ৰদ মতামতে প্ৰদৰ্শনীটো সাফল্যমণ্ডিত কৰি তুলিলে।

# কলেজ চৌহদৰ জৈৱ-বৈচিত্ৰ্যৰ আলোকচিত্ৰৰ প্ৰদৰ্শনী

**কেম্পাছ প্ৰতিনিধি ঃ** ২০২৫ বৰ্ষৰ ১৮ মাৰ্চৰপৰা ২৫ মাৰ্চলৈকে নৰ্থ লখিমপুৰ কলেজ প্ৰকাশনৰ উদ্যোগত অনুষ্ঠিত হোৱা সপ্তম নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাৰ লগত সংগতি ৰাখি পুৰণি অসমীয়া গ্ৰামোফোন ৰেকৰ্ড, পুৰণি ছপাশালৰ সামগ্ৰী, ঊনবিংশ শতিকাৰ ছবি ইত্যাদি কেইবাখনো প্ৰদৰ্শনীৰ ব্যৱস্থা কৰা হয়। এই প্ৰদৰ্শনীসমূহৰ সমান্তৰালকৈ প্ৰদৰ্শিত অন্য এক প্ৰদৰ্শনী হ'ল দুষ্প্ৰাপ্য চৰাই-চিৰিকতি আৰু জৈৱ-বৈচিত্ৰ্যৰ আলোকচিত্ৰৰ প্ৰদৰ্শনী। মূল গ্ৰন্থমেলাৰ প্ৰৱেশদ্বাৰৰ কাষতে প্ৰদৰ্শিত এই প্ৰদৰ্শনীত নৰ্থ লখিমপুৰ কলেজ চৌহদত দেখা পোৱা বিভিন্ন দুষ্প্ৰাপ্য চৰাই-চিৰিকতিৰ লগতে অন্যান্য প্ৰাকৃতিক সৌন্দৰ্যৰ আলোকচিত্ৰৰ প্ৰদৰ্শন কৰা হৈছে। কলেজখনে দীৰ্ঘদিন ধৰি প্ৰকৃতি সচেতনতা আৰু প্ৰকৃতি সংৰক্ষণ সম্পৰ্কীয় বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। উক্ত প্ৰদৰ্শনীখনো এনেধৰণৰ প্ৰচেষ্টাৰে ফচল। এই প্ৰদৰ্শনীখনে কলেজ কতৃপক্ষৰ জৈৱ-বৈচিত্ৰ্যৰ প্ৰতি থকা সচেতন মনোভাৱৰ পৰিচয় বহন কৰে। উল্লেখযোগ্য যে প্ৰদৰ্শিত আলোকচিত্ৰসমূহ তুলি উলিয়াইছিল নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ মুৰব্বী ডক্টৰ অৰবিন্দ ৰাজখোৱাই। নৰ্থ লখিমপুৰ বহু চৰাইৰ বাসভূমি হোৱাৰ লগতে বছৰত বহুসংখ্যক পৰিভ্ৰমী চৰাই এই চৌহদলৈ আহে আৰু এইসমূহ ডক্টৰ ৰাজখোৱাই নিজৰ কেমেৰাৰে বন্দী কৰি ৰখাৰ প্ৰয়াস কৰে। এইসমূহৰ ভিতৰত আছিল বৰ্তমান সময়ত প্ৰায় দুষ্প্ৰাপ্যৰ শাৰীলৈ অৱনমিত হোৱা সখীয়তী, ভাটৌ, চেক্‌চেকী, লক্ষ্মীফেঁচা, পানীকাউৰী, শৰালি হাঁহ, মাছোৰোকা, ফেঁচুৰাই, বুলবুলি, শিলকপৌ, টোকোঁৰা চৰাই, বগলী ইত্যাদি। এই চৰাইসমূহৰ আগমনে কলেজখনৰ চৌপাশৰ প্ৰাকৃতিক পৰিৱেশৰ ভাৰসাম্যতা আৰু সমৃদ্ধিশালী জৈৱ-বৈচিত্ৰ্যৰ উমান দিয়ে। উক্ত প্ৰদৰ্শনীখনে নৰ্থ লখিমপুৰ কলেজৰ প্ৰাকৃতিক সৌন্দৰ্যক দাঙি ধৰে আৰু থলুৱা চৰাই-চিৰিকতিসমূহৰ সৈতে নৱপ্ৰজন্মক চিনাকী কৰাই দি প্ৰকৃতি ৰক্ষণাবেক্ষণৰ এক বাৰ্তা প্ৰেৰণ কৰে। সামান্য মূল্যৰ বিনিময়ত আলোকচিত্ৰ ক্ৰয়ৰো সুবিধা প্ৰদান কৰা এই প্ৰদৰ্শনীখনে ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু অন্যান্য লোকৰো দৃষ্টি আকৰ্ষণ কৰা পৰিলক্ষিত হৈছে।



কাৰ্যালয়
*গ্ৰন্থালয়,* নৰ্থ লখিমপুৰ মহাবিদ্যালয় প্ৰকাশন, খেলমাটি, লখিমপুৰ-৭৮৭০৩১, ফোন ঃ ৯৪৩৫১-৮৯১৭৪

মুখ্য উপদেষ্টা ঃ ড° বিমান চন্দ্ৰ চেতিয়া ■ উপদেষ্টা ঃ ড° অৰবিন্দ ৰাজখোৱা ■ সম্পাদক ঃ প্ৰাৰ্থনা দত্ত, পূবালী বৰা

সদস্য-সদস্যা — শোভাকৃষ্ণ ফুকন, কৃপাৰেখা গগৈ, খগেন পেগু, কংকনা বাৰিক, আকাংক্ষা তামুলী, মহানন্দ শইকীয়া, অসীম শইকীয়া, ভৃগুত্তম বৰা, ঋতুৰাজ বৰুৱা, দিব্যলক্ষী সেনাপতি, শৰৎ শইকীয়া, উদ্ধৱ তামুলী ফুকন, বিবেকানন্দ গগৈ, দিব্যাশিখা দেৱী, নিষ্ঠাপ্ৰিয়া গগৈ, মানস হাজৰিকা, দেৱকান্ত বৰুৱা, শ্যামল প্ৰতীম শইকীয়া, প্ৰিয়ংকা বৰা

**নৰ্থ লখিমপুৰ কলেজ প্ৰকাশন সমিতি আৰু অসমীয়া বিভাগৰ দ্বাৰা মুদ্ৰিত আৰু নৰ্থ লখিমপুৰ মহাবিদ্যালয় প্ৰকাশন সমিতিৰদ্বাৰা প্ৰকাশিত**